
# ব্ৰহ্মপুত্ৰ

## অসম ১৯৮৩



তিলক হাজৰিকাৰ নাটক, নিৰাৰণ বৰা, যতীন বৰগোহাঞি, নেচাৰ আহমেদৰ প্ৰবন্ধ, অগপৰ দিন পঞ্জী

মাহেকীয়া ব্ৰহ্মপুত্ৰ

দ্বিতীয় বছৰ প্ৰথম সংখ্যা
( জানুৱাৰী ) '৮৭

সম্পাদক
অঞ্জন শৰ্মা
সহযোগী সম্পাদক
তিলক দাস
সহঃ সম্পাদক
শান্তনু কুমাৰ ভট্টাচাৰ্য্য
বিশেষ প্ৰতিনিধি
কিশোৰ তালুকদাৰ (নতুন দিল্লী)
নয়নজিৎ ডেকা

প্ৰকাশক
নিবাৰণ চৌধুৰী
কাৰ্যাধ্যক্ষ
প্ৰকাশ শৰ্মা
বিজ্ঞাপন সচিব
পক্ষপতি যথৰীয়া
প্ৰচালন সচিব
খনীন শৰ্মা
প্ৰচাৰ সচিব
মুকুল দত্ত
সমন্বয়ৰক্ষী সচিব
হিতেন্দ্ৰ নাথ নেওগ
ব্যৱস্থাপক
ধীৰাজ ডেকা

কলা বিভাগ
ধনঞ্জয় শৰ্মা
সুৰেশ শৰ্মা

'ক্লাছিক পাবলিচাৰ্ছ'ৰ হৈ নিবাৰণ চৌধুৰীৰ দ্বাৰা পাঠশালাৰ 'পাঠশালা প্ৰিণ্টাৰ্ছ'ত মুদ্ৰিত আৰু প্ৰকাশিত।
মূল্য: চাৰি টকা মাত্ৰ।

# সূচী

১৯৮৫ চনৰ ২৪ ডিচেম্বৰ তাৰিখে অসমৰ শাসনৰ গাদীত অসম গণ পৰিষদ চৰকাৰ অধিস্থিত হ'ল। তেতিয়াৰ পৰা ১৯৮৬ চনৰ ডিচেম্বৰ মাহ পৰ্যন্ত অঃ গঃ পঃ চৰকাৰৰ আমোলত কি কি ঘটনা ঘটিল? সেই ঘটনাসমূহ ডাঙি ধৰা হৈছে নয়নজিৎ ডেকা আৰু কিশোৰ তালুকদাৰৰ সহযোগত যুগুত কৰা 'অসম গণ পৰিষদৰ দিনপঞ্জী'ত — পৃঃ ৩

অসমত হৈ যোৱা খৰাং বতৰ আৰু প্ৰচণ্ড বানপানীয়ে লক্ষ লক্ষ মানুহক সৰ্বস্বান্ত কৰিলে। কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান সাহায্য আহিল — অলপ অচৰপ হলেও। টকাবোৰৰ পিচে কি হ'ল? নিবাৰণ বৰাৰ প্ৰবন্ধ— 'খৰাং বতৰ আৰু বানপানী: লেখ জোখ নোহোৱা জনৰ দুৰ্গতি, কাৰোবাৰ কাৰোবাৰ ভাগ্য' — পৃঃ ১৯

ৰাইজৰ প্ৰতিনিধি এম-এল-এ, মন্ত্ৰী; ৰাইজ, বিষয়া, লাভখোৰ বেপাৰী আদিক লৈ লেখা তিলক হাজৰিকাৰ ব্যংগ ৰাজনৈতিক নাট 'শিয়ালৰ হোৱা' — পৃঃ ২৫

ছয়বছৰীয়া আন্দোলনৰ সময়ত অসমত যিসকল অত্যাচাৰী পুলিচ বিষয়াই 'জেনেৰেল ডায়াৰ' উপাধি পাইছিল, অঃ গঃ পঃ চৰকাৰৰ আমোলত সেইসকলৰ ওপৰত কিবা শাস্তিমূলক ব্যৱস্থা লোৱা হ'লনে? অঞ্জন শৰ্মাৰ — 'পুলিচ বিভাগ আৰু জেনেৰেল ডায়াৰ' — পৃঃ ১২

সংবিধানৰ দোহাই দি সকলোবোৰ বিষয়কে বিচাৰ কৰি চোৱা সকলৰ ওপৰত ভিত্তি কৰি লেখা যতীন বৰগোহাঞিৰ চিন্তাগধূৰ প্ৰবন্ধ — 'সাংবিধানিক ৰোগ' — পৃঃ ৪৭

সদৌ অসম ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক শশধৰ কাকতিৰ স'তে নতুন দিল্লীত হোৱা এটা সাক্ষাৎকাৰ — পৃঃ ৪৫

ডাঃ নেছাৰ আহমেদৰ 'মোৰ দৃষ্টিত অঃ গঃ পঃ চৰকাৰ'— পৃঃ ৫০

অৱনী চক্ৰৱৰ্তীৰ কবিতা ॥১৬। সুৰেশ চক্ৰৱৰ্তীৰ গল্প 'কালচাৰেল শ্ব' ॥৩৮॥ দীনেন গোস্বামীৰ প্ৰৱন্ধ ॥৫২॥ দিবাকৰ চহৰীয়াৰ প্ৰৱন্ধ ॥৪৩॥

মুখ্য কাৰ্যালয়:
মাহেকীয়া ব্ৰহ্মপুত্ৰ
পাঠশালা — ৭৮১৩২৫

শাখা কাৰ্যালয়:
মাহেকীয়া ব্ৰহ্মপুত্ৰ
প্ৰিণ্টৱৰ্থ ( নামনি কামাখ্যা পকী পথ )
গুৱাহাটী — ৭৮১০০৯

OKDISCD

# অসম ৰাজ্যিক পণ্যাগাৰ নিগম
## (ৰাজহুৱা খণ্ডত প্ৰতিষ্ঠিত)
## প্ৰধান কাৰ্য্যালয় ঃ গুৱাহাটী-৭৮১০০৫

কৃষিজাত সামগ্ৰীৰ সংৰক্ষণ, নিৰাপত্তা আৰু বেংক ঋণৰ আশুব্যৱস্থাৰ বাবে প্ৰধান কাৰ্যালয় অথবা নিম্নলিখিত যি কোনো কেন্দ্ৰৰ লগত যোগাযোগ কৰক।

১। তিনিচুকীয়া
২। ডিব্ৰুগড়
৩। শিৱসাগৰ
৪। সৰুপথাৰ
৫। লাংহিং
৬। হাওঁৰাঘাট
৭। লংকা
৮। হোজাই
৯। যমুনামুখ
১০। হয়বৰ গাওঁ
১১। ৰহা
১২। গোৱাল পাৰা
১৩। বঙাই গাওঁ
১৪। লক্ষীপুৰ
১৫। টংলা

১৬। ওদাল গুৰি
১৭। খাৰুপেটিয়া
১৮। তেজপুৰ
১৯। উত্তৰ লক্ষীমপুৰ
২০। গোগামুখ
২১। বৰদলনি
২২। মাছখোৱা
২৩। জোনাই
২৪। ৰঙিয়া
২৫। মৈদামগাওঁ—১
২৬। মৈদামগাওঁ—২
২৭। মৈদামগাওঁ— ৩
২৮। পাঞ্জাবাৰী
২৯। শিলচৰ
৩০। কৰিম গঞ্জ
৩১। ফুলগুৰি

**আমাৰ লক্ষ্য ঃ " এটি শস্যৰ সংৰক্ষনেই
এটি শস্যৰ উৎপাদন "**

OKDISCD



## অসম গণ পৰিষদ চৰকাৰৰ দিনপঞ্জী

# অসম ১৯৮৬

২২ ডিচেম্বৰ, ১৯৮৫ : প্ৰফুল্ল কুমাৰ মহন্ত অসম গণ-পৰিষদৰ বিধায়িনী দলৰ দলপতি নিৰ্বাচিত হয় আৰু অগপ দলে মহন্তক ২০জনতকৈ অধিক মন্ত্ৰী চৰকাৰখনত নলবলৈ নিৰ্দেশ দিয়ে।

২৪ ডিচেম্বৰ : প্ৰফুল্ল কুমাৰ মহন্তৰ নেতৃত্বত ২১জনীয়া মন্ত্ৰীসভাই গুৱাহাটীৰ নেহৰু ষ্টেডিয়ামত শপতগ্ৰহণ কৰে আৰু সেইদিনাই মন্ত্ৰীসভাৰ কেবিনেট বৈঠকত সিদ্ধান্ত লোৱা হয় যে অসমত প্ৰৱৰ্তন কৰা সকলো দমনমূলক ব্যৱস্থা উঠাই লোৱা হব আৰু অসম চুক্তি খৰতকীয়াকৈ ৰূপায়ণ কৰা হব।

১ জানুৱাৰী, ১৯৮৬ : ৰাজ্যৰ হাতত অধিক ক্ষমতা প্ৰয়োজন বুলি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰৰ ওচৰত আৰ্জি পেচ্ কৰে। শিলঘাটৰ মৰাপাট কল পুনৰ মুকলি কৰা হব বুলি চৰকাৰী ঘোষণা।

২ জানুৱাৰী : ৰাজ্যিক প্ৰশাসনত ব্যাপক সালসলনি। অসম ৰাজ্যিক মাদকদ্ৰব্য নিবাৰণী পৰিষদ ভঙ্গ কৰি দিয়া হয়।

৩ জানুৱাৰী : হিতেশ্বৰ শইকীয়াক হত্যাৰ ষড়যন্ত্ৰ কৰাৰ অভিযোগত ১৯৮৩ চনৰ নবেম্বৰ মাহত গ্ৰেপ্তাৰ কৰা ত্ৰিদিৱ শৰ্মা, মুকুল বৰা, ৰমেন দাস আৰু বিশ্বজিৎ বৰুৱাক জামিনত মুক্তি দিয়া হয়।

৪ জানুৱাৰী : ৩(ক) বিধি অনুযায়ী নিযুক্তি দিয়া ১০০ জন খণ্ড উন্নয়ন বিষয়াক তৎকালীনভাৱে বৰ্খাস্ত কৰা হয়। পুলিচ বিভাগত ব্যাপক সালসলনি। পুলিচ বিভাগৰ সঞ্চালক প্ৰধান জ্ঞানানন্দ শৰ্মা পাঠকক অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সঞ্চালক প্ৰধান তথা গৃহৰক্ষী বাহিনীৰ কমাণ্ডেন্ট জেনেৰেল আৰু দুৰ্নীতি নিবাৰণ বিভাগৰ টি এ সুব্ৰমণিয়মক অসম পুলিচৰ তৃতীয়জন সঞ্চালক প্ৰধান তথা মহাপৰিদৰ্শক হিচাবে নিযুক্তি দিয়া হয়। অসম খাদী বোৰ্ড কৰ্মচাৰী সন্থাই ২৫ লাখ-টকীয়া কেলেঙ্কাৰীৰ বিষয়ে অৱগত কৰাই বিহিত ব্যৱস্থা লবলৈ দাবী জনায়।

৭ জানুৱাৰী : অসম গণ পৰিষদ দলৰ বিধায়ক পুলকেশ



OKDISCD

বৰুৱা বিধান সভাৰ অধ্যক্ষ নিৰ্বাচিত হয়।
সংযুক্ত সংখ্যালঘু মৰ্চা, টি পি আই, চি পি আই (এম. এল), এছ ইউ চি আই, বি জে পি, জনতা, লোকদল আৰু ৰাষ্ট্ৰীয় সঞ্জয় মঞ্চই অগপ চৰকাৰক পূৰ্ণ সহ-



যোগিতা আগবঢ়াব বুলি ঘোষণা কৰে।
অসম চুক্তিৰ বিৰুদ্ধে আন্দোলন গঢ়ি তোলা হব বুলি সংযুক্ত সংখ্যালঘু মৰ্চাৰ নেতা গোলাম ওচমানিয়ে ঘোষণা কৰে।
মন্ত্ৰীসভাৰ দপ্তৰ সমূহৰ সামান্য সালসলনি কৰা হয়।

৯ জানুৱাৰী: অগপ চৰকাৰৰ ৫দিনীয়া বিধান সভাৰ অধিবেশনৰ আৰম্ভণি।

১১ জানুৱাৰী: নগৰবেৰা আৰক্ষী চকীৰ অতিৰিক্ত সহকাৰী পৰিদৰ্শকক নিলম্বিত কৰা হয়।
অসম চুক্তি অনুসৰি শ্বহীদ অনুকূল কাকতি, মনোজিৎ দাস, ৰূপক নাথ, ভুপেন ডেকা, বিনন্দী শইকীয়া, প্ৰসন্ন বৰুৱা আৰু শ্যাম কুণ্ডলৈ ৫,০০০ টকাৰ এককালীন সাহায্য ঘোষণা কৰা হয়।

১৬ জানুৱাৰী: সুবিধাবাদী চক্ৰই অগপ চৰকাৰক ভাঙিবলৈ চেষ্টা কৰা বুলি তেজপুৰত শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামীয়ে ঘোষণা কৰে।
মুক্তিযুঁজাৰু সকলক তাম্ৰপত্ৰসমূহ ঘূৰাই দিয়া হয়।

১৮ জানুৱাৰী: জনস্বাস্থ্য কাৰিকৰী বিভাগৰ বিষয়া সকলৰ সভাত দুৰ্নীতিমুক্ত নিকা প্ৰশাসন গঢ়ি তুলিবলৈ মুখ্যমন্ত্ৰীৰ আহ্বান।
পাঠশালা আৰক্ষী চকীৰ সহকাৰী পৰিদৰ্শক অতুল কোঁৱৰক নিলম্বিত কৰা হয়। দুৰ্নীতিৰ অভিযোগত চমৰীয়া সত্ৰ স্বাস্থ্য কেন্দ্ৰৰ চিকিৎসক অনন্ত দাসক গ্ৰেপ্তাৰ কৰা হয়।

২০ জানুৱাৰী: ASSAM APPRO (NO. 1) BILL, 1986 গৃহীত হয়।



২১ জানুৱাৰী: বিধান সভাত ৰাজ্যপালৰ ভাষণৰ ওপৰত বিতৰ্কত অংশ গ্ৰহণ কৰা অগপ বিধায়ক সকলে অসম চুক্তি সোনকালে কাৰ্য্যকৰী কৰাৰ দাবী জনায়।
নতুনকৈ অসম চুক্তি ৰূপায়ন বিভাগ এটা খোলা হ'ব বুলি চৰকাৰী ঘোষণা।
৩(ঙ) বিধি অনুযায়ী ইতিপূৰ্বে নিযুক্ত ৫৮ জন খণ্ড উন্নয়ন বিষয়াক বৰ্খাস্ত কৰা হয় বুলি পঞ্চায়ত ও সমূহীয়া উন্নয়ন মন্ত্ৰী চন্দ্ৰ আৰঙ্গৰাই বিধান সভাৰ মজিয়াত ঘোষণা কৰে।

২২ জানুৱাৰী: গণতন্ত্ৰ দিৱসত মুক্তি যুঁজাৰু সকলক তাম্ৰপত্ৰসমূহ ঘূৰাই দিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে।

২৫ জানুৱাৰী: কলেজ সমূহৰ 'গৱৰ্ণিং বডি'বোৰ ভঙ্গ কৰি দিয়া হয়।

২৭ জানুৱাৰী: ড° দেৱপ্ৰসাদ বৰুৱাক গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য্য হিচাবে নিযুক্তি দিয়া হয়।

৩০ জানুৱাৰী: হাউলীৰ "নিশীথ দাস এণ্ড ব্ৰাদাৰ্ছ অয়েল পাম্প ষ্টেচন'ৰ মেনেজাৰ গোপাল কৰক পুৱতী নিশা কোনোবাই গুলীয়াই হত্যা কৰে আৰু হত্যাকাৰীক ধৰা পেলোৱা হব বুলি গৃহ মন্ত্ৰীয়ে ঘোষণা কৰে।

৩১ জানুৱাৰী: কৰ্ণেল উমানাথ শৰ্মাৰ অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ সভাপতি হিচাবে কাৰ্য্যভাৰ গ্ৰহণ।

৩ ফেব্ৰুৱাৰী: মুখ্যমন্ত্ৰী হিচাবে প্ৰফুল্ল কুমাৰ মহন্তৰ প্ৰথম দিল্লী যাত্ৰা।
শিক্ষা বছৰৰ আৰম্ভণি মে' মাহৰ সলনি মাৰ্চ মাহলৈ আগুৱাই দিয়াৰ ঘোষণা।
প্ৰেমকান্ত মহন্তক মাদক দ্ৰব্য নিবাৰণী পৰিষদৰ সভাপতি হিচাবে নিযুক্তি দিয়া হয়।

৪ ফেব্ৰুৱাৰী: প্ৰধান মন্ত্ৰী ৰাজীৱ গান্ধীৰ সৈতে মুখ্যমন্ত্ৰী মহন্তৰ প্ৰথম আলোচনা আৰু অসমৰ সমস্যা-সম্বলিত তথা অসম চুক্তি ৰূপায়ণ সম্পৰ্কীয় স্মাৰক পত্ৰ প্ৰদান।

৬ ফেব্ৰুৱাৰী: ভাৰত-বাংলাদেশ সীমান্তত কাঁটাতাঁৰৰ বেৰ নিৰ্মাণৰ কাম শীঘ্ৰে আৰম্ভ কৰা হ'ব বুলি আভ্যন্তৰীণ নিৰাপত্তা বিভাগৰ কেন্দ্ৰীয় মন্ত্ৰী অৰুণ নেহৰুই মুখ্যমন্ত্ৰী মহন্তক আশ্বাস দিয়ে।
অসমৰ খাৰুৱা তেলৰ ৰয়েল্টি প্ৰতি মেট্ৰিক টনত ৬১ টকাৰ সলনি ৩৩৬ টকালৈ বৃদ্ধি কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক মুখ্যমন্ত্ৰী মহন্তই দাবী কৰে।

৭ ফেব্ৰুৱাৰী: প্ৰধান মন্ত্ৰীয়ে মহন্ত চৰকাৰক তথা অসম চুক্তি ৰূপায়নত পূৰ্ণ সহযোগ আগবঢ়াব বুলি অসমৰ গৃহমন্ত্ৰী ভৃগুকুমাৰ ফুকনক নতুন দিল্লীত আশ্বাস দিয়ে।
মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হব বুলি একাংশ বাতৰি কাকতত ওলোৱা বাতৰিক মুখ্যমন্ত্ৰী মহন্তই দৃঢ়ভাৱে অস্বীকাৰ কৰে।

৮ ফেব্ৰুৱাৰী: চলিত বছৰত অসমত দ্বিতীয়খন পশু চিকিৎসা মহাবিদ্যালয় খোলা হব বুলি আৰু চুক্তি ৰূপায়নত কেন্দ্ৰীয় চৰকাৰে সহায় কৰিব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

১১ ফেব্ৰুৱাৰী: অসম গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহকে ৮০% ভাগ চাকৰি থলুৱা লোকৰ বাবে সংৰক্ষণ কৰিবলৈ চৰকাৰক দাবী কৰে।

১২ ফেব্ৰুৱাৰী: অসম-নাগালেণ্ডৰ সীমান্তৱৰ্তী মেৰাপানীত সংঘটিত ঘটনাৰ পৰিপ্ৰেক্ষিতত শাস্ত্ৰী আয়োগৰ শুনানী আৰম্ভ।

১৩ ফেব্ৰুৱাৰী: দুৰ্নীতিৰ অভিযোগত শিলচৰৰ ডিএফঅ' পৰিতোষ ৰয়ক নিলম্বিত কৰা হয়।

১৬ ফেব্ৰুৱাৰী: কৰ্তব্যৰ অৱহেলাৰ অভিযোগত নাজিৰা শিমলুগুৰিৰ পুলিচ বিষয়াক বদলিৰ নিৰ্দেশ।

১৮ ফেব্ৰুৱাৰী: নাগালেণ্ডৰ মুখ্যমন্ত্ৰী এচ্ চি জমিৰৰ লগত মুখ্যমন্ত্ৰী মহন্তৰ সীমা বিবাদ সম্পৰ্কে আলোচনা।

১৯ ফেব্ৰুৱাৰী: প্ৰাক্তন মন্ত্ৰী টঙ্কেশ্বৰ দিহিঙ্গীয়াৰ দুৰ্বৃত্তৰ হাতত মৃত্যু।

প্ৰাথমিক স্কুলৰ ছাত্ৰ-ছাত্ৰীক কিতাপ আৰু সাজপোছাক বিনামূলীয়াকৈ যোগান ধৰা হব বুলি শিক্ষা মন্ত্ৰী বৃন্দাবন গোস্বামীৰ ঘোষণা।

২২ ফেব্ৰুৱাৰী: অগপ দলে পেট্ৰোলিয়াম জাতীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ বাবে গভীৰ ক্ষোভ প্ৰকাশ কৰে।
অসমত বহুসংখ্যক ভকেচনেল স্কুল খোলা হ'ব বুলি তেজপুৰত শিক্ষা মন্ত্ৰীৰ ঘোষণা।

২৪ ফেব্ৰুৱাৰী: যোগীঘোপাৰ কাগজ কলৰ দায়িত্ব ৰাজ্য চৰকাৰে লব লাগে বুলি ছাত্ৰ সন্থাই দাবী কৰে।

২৫ ফেব্ৰুৱাৰী: পঞ্চবাৰ্ষিক আৰু বাৰ্ষিক পৰিকল্পনা বিকেন্দ্ৰীকৰণ কৰাৰ ওপৰত অসম চৰকাৰৰ সিদ্ধান্ত।
নিৰ্বাচনী আয়োগৰ দ্বাৰা অগপ চৰকাৰ স্বীকৃত।

২৬ ফেব্ৰুৱাৰী: অসম আৰু অৰুণাচলৰ মুখ্য মন্ত্ৰীদ্বয়ে সীমা সমস্যা এপ্ৰিল মাহৰ ভিতৰত সমাধান কৰাৰ বাবে সন্মতি প্ৰকাশ কৰে।

২৭ ফেব্ৰুৱাৰী: অগপ সংসদী সদস্য দীনেশ গোস্বামীয়ে লোকসভাত অসম চুক্তি ৰূপায়নৰ বাবে ক্ষীপ্ৰ ব্যৱস্থা লব লাগে বুলি দাবী জনায়।

গড়কাপ্তানী মন্ত্ৰী অতুল বৰাৰ দ্বাৰা প্ৰাগজ্যোতিষপুৰ জিলাৰ ভূমিহীন লোকলৈ মাটি তথা ১·৩৫ লাখ টকাৰ আৰ্থিক সাহায্য বিতৰণ।



১ মাৰ্চ: নামৰূপৰ ষ্টেট বেঙ্ক ডকাইতিত থানাৰ ভাৰপ্ৰাপ্ত বিষয়া গুলীবিদ্ধ হৈ নিহত।



২ মাৰ্চ: কলেজ সমূহৰ ৭৫০টা খালী পদত শিক্ষক নিযুক্তি অবিলম্বে দিয়া হব বুলি শিক্ষা মন্ত্ৰীৰ ঘোষণা।

৩ মাৰ্চ: বিধান সভাৰ উপ নিৰ্বাচনত অগপ-প্ৰাৰ্থী গুণীন হাজৰিকা আৰু ডালিম ৰয় নিৰ্বাচিত হয়।

৫ মাৰ্চ: মধ্য ইংৰাজী স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলকো বিনামূলীয়া কিতাপ আৰু সাজ-পোছাক যোগান ধৰা হব বুলি ৰাজ্য চৰকাৰৰ ঘোষণা।

৬ মাৰ্চ: বিদেশী নাগৰিকৰ চিনাক্তকৰণ শীঘ্ৰে আৰম্ভ কৰা হব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

৭ মাৰ্চ: বহু সংখ্যক অবৈধ অনুপ্ৰবেশকাৰী নেপালীলোকক মেঘালয়ৰ পৰা অসমলৈ খেদি পঠিওৱাত মুখ্যমন্ত্ৰী মহন্তৰ প্ৰতিবাদ।
আইন-শৃঙ্খলা নিয়ন্ত্ৰণ কৰিবলৈ অতিৰিক্ত সংৰক্ষিত বাহিনীৰ পুলিচ বাহিনী অসমক দিবলৈ মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনায়।

১০ মাৰ্চ: চাহ নিগম আৰু ব্যক্তিগত চাহ কোম্পানীৰ কলিকতাত থকা কাৰ্য্যালয়বোৰ অসমত আনিবৰ বাবে মুখ্যমন্ত্ৰীৰ অনুৰোধ।

১২ মাৰ্চ: মুখ্যমন্ত্ৰী মহন্তৰ দ্বাৰা নতুন চৰকাৰৰ কৰবিহীন ঘাটি বাজেট (৫৯·২৪ কোটি টকা ঘাটি) বিধানসভাত উত্থাপন।

১৪ মাৰ্চ: পৰিকল্পনা আৰু উন্নয়ন বিভাগে ১৭৯২ খন প্ৰাথমিক বিদ্যালয় মেৰামতিৰ বাবে ৮·০৬ কোটি আৰু ৬·৩৬ কোটি টকা গ্ৰাম্য পথ উন্নয়নৰ বাবে মঞ্জুৰ কৰে।
গুৱাহাটী উচ্চ ন্যায়ালয়ে এক জাননী যোগে অসম ৰাজ্যিক সমবায় সমিতিৰ অগপ চৰকাৰে গঠন কৰি দিয়া তদৰ্থ কমিটিসমূহ সাময়িকভাৱে নিলম্বিত কৰিবলৈ আদেশ দিয়ে।
বড়ো সাহিত্য সভাই SEBA চাৰ্কুলাৰখনৰ প্ৰতিবাদ কৰে।

১৬ মাৰ্চ: অসম আৰু মেঘালয়ৰ মুখ্যমন্ত্ৰীদ্বয়ে দুয়োখন ৰাজ্যত থকা অবৈধ নেপালী অনুপ্ৰবেশকাৰীৰ বিষয়ে আলোচনা কৰে।

১৮ মাৰ্চ: অসম চুক্তিখন কোনো সম্প্ৰদায় বা ভাৰতীয় সংখ্যালঘুৰ বিৰুদ্ধে নহয় মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তই বিধান সভাত ঘোষণা কৰে।

আই পি এচ্ বিষয়া মোহন বাজক সাময়িকভাৱে নিলম্বিত।

২০ মাৰ্চ: ৰাজ্য সভাৰ বাবে গণ পৰিষদৰ ড° নগেন শইকীয়া আৰু শ্ৰীমতী বিজয়া চক্ৰৱৰ্তী নিৰ্বাচিত হয়।

১৯ মাৰ্চ: তেলৰ চোৰাং কাৰ্য্যত লিপ্ত হোৱা বাবে ডিব্ৰুৰ যোগান বিভাগৰ উপ সঞ্চালকক গ্ৰেপ্তাৰ।

গণ পৰিষদ দলে পেট্ৰলিয়ামজাত সামগ্ৰীৰ মূল্যবৃদ্ধিৰ প্ৰতিবাদ দিৱস পালন কৰে আৰু খাৰুৱা তেলৰ ৰয়েল্টি বঢ়াবলৈ দাবী কৰে।

পুলিচক ৰাজনৈতিক স্বাৰ্থত ব্যৱহাৰ কৰা নহব বুলি গৃহ মন্ত্ৰী ফুকনৰ ঘোষণা।

২১ মাৰ্চ: তিনিখন নতুন পলিটেকনিক অসমত স্থাপন কৰা হব বুলি বিধান সভাত শিক্ষা মন্ত্ৰীৰ ঘোষণা।

জন স্বাস্থ্য কাৰিকৰী বিভাগৰ অতিৰিক্ত মুখ্য অভিযন্তা এচি বেনাৰ্জী, কাৰ্য্যবাহী অভিযন্তা বি হক আৰু সহকাৰী অভিযন্তা পি হাজৰিকাক নিলম্বিত কৰা হয়।

২২ মাৰ্চ: পৰিবহন মন্ত্ৰী ললিত চন্দ্ৰ ৰাজখোৱাই অসম ৰাজ্যিক পৰিবহন নিগমৰ বাবে ৬৭ খন বাচ্ কিনা হব বুলি ঘোষণা কৰে।

২৩ মাৰ্চ: ৮৭ BN CRP-ৰ কেম্পত চি-আৰ-পিৰ কৰ্তব্য-নিষ্ঠাক মুখ্যমন্ত্ৰীৰ দ্বাৰা প্ৰশংসিত।



২৪ মাৰ্চ: মেঘালয়ৰ পৰা বহিষ্কৃত অবৈধ অনুপ্ৰবেশকাৰী নেপালী লোকে খানাপাৰাত থাকিবলৈ লোৱাত গৃহ-মন্ত্ৰী ফুকনৰ উদ্বেগ প্ৰকাশ।

উত্তৰ কাছাৰ পাৰ্বত্য জিলা পৰিষদখন ভঙ্গ কৰাৰ নিৰ্দেশৰ বিৰুদ্ধে গোকুল হোজাইয়ে দিয়া আবেদন কিয় গ্ৰহণ কৰা নহব তাৰ কাৰণ দৰ্শাবলৈ উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰলৈ জাননী।

২৬ মাৰ্চ: ১৯৮৩ চনৰ পৰা ১৯৮৬ চনলৈ (শইকীয়া চৰকাৰৰ দিনৰে পৰা) মুঠ ২২৫৯ জন অবৈধ বিদেশী বহিষ্কাৰ কৰা বুলি বিধানসভাত গৃহমন্ত্ৰী ফুকনৰ ঘোষণা।

মুখ্যমন্ত্ৰী মহন্তই বিধান সভাত দুৰ্নীতি আঁতৰাই কৰ্ম-ক্ষম আৰু নিকা প্ৰশাসন গঢ়ি তুলিব বুলি ঘোষণা কৰে

১৬ এপ্ৰিল: ডিব্ৰুগড়ত পুলিচৰ গুলীত ৩ জন নিহত।

১৪ এপ্ৰিল: ৬৪৭ জন শ্বহীদ পৰিয়াললৈ ৩০,০০০ টকাকৈ সাহায্য দিয়া হব বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা।

২৩ এপ্ৰিল: মুখ্যমন্ত্ৰী মহন্তৰ দ্বাৰা দিল্লীত দ্বিতীয়টো অসম ভৱন উদ্বোধন।

২৭ এপ্ৰিল: অসম ৰাজ্যিক বিদ্যুৎ পৰিষদৰ চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী সন্থাৰ দ্বাৰা পৰিষদৰ হিচাব শাখাৰ ৪ কোটি টকাৰ খেলিমেলিৰ অভিযোগ।

২৯ এপ্ৰিল: অসমত শিক্ষাৰ উন্নয়নৰ হকে অধিক সাহায্যৰ বাবে ৰাষ্ট্ৰীয় উন্নয়ন পৰিষদত মুখ্যমন্ত্ৰীৰ দাবী।

৪ মে': অসম চৰকাৰে প্ৰাকৃতিক গেছ বিনামূলীয়াকৈ বিদ্যুৎ পৰিষদক দিবলৈ দাবী জনায়।

তেলৰ ৰয়েল্টি ১৯২ টকালৈ বৃদ্ধি–কেন্দ্ৰৰ সিদ্ধান্তত মুখ্যমন্ত্ৰীৰ সন্তোষ প্ৰকাশ।

১৩ মে': অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য বৃদ্ধিত মুখ্যমন্ত্ৰীৰ উদ্বেগ আৰু ব্যৱসায়ীৰ প্ৰতি সতৰ্কীকৰণ।

১৭ মে': মজলীয়া উদ্যোগ গঢ়াৰ বাবে দহটা ব্যক্তিগত বা সমূহীয়া খণ্ডত সাহায্য দিয়াৰ কথা ঘোষণা।

সকলো শ্ৰেণীৰ কৰ্মচাৰীলৈ দৈনিক মজুৰি-ভাট্টা বৃদ্ধিৰ বাবে কেবিনেট সভাৰ সিদ্ধান্ত।

২২ মে': বৰঝাৰলৈ যোৱাৰ পথত অয়ল ইণ্ডিয়াৰ সঞ্চালক (অপাৰেচন) দুৰ্বৃত্তৰ দ্বাৰা অপমানিত।

২৪ মে': বাওঁপন্থী ছাত্ৰ সংগঠন এটাৰ (ISA) কৰ্মী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ছাত্ৰ সৌৰভ বৰাৰ দুৰ্বৃত্তৰ হাতত মৃত্যু।

১২ জন নতুন মন্ত্ৰীৰ শপত গ্ৰহণ–মন্ত্ৰী সভাৰ কলেৱৰ ৩২ জনলৈ বৃদ্ধি।

তামোলপুৰ নলবাৰী অঞ্চলত মেলেৰিয়াৰ প্ৰাদুৰ্ভাৱ।

২৫ মে': মেলেৰীয়া আধিক অঞ্চললৈ সম্প্ৰসাৰণ হোৱা প্ৰসঙ্গত বিশেষজ্ঞৰ দল পঠিয়াবলৈ কেন্দ্ৰলৈ ৰাজ্য চৰকাৰৰ অনুৰোধ।


২৬ মে': মেলেৰীয়াৰ মৃত্যুৰ সংখ্যা ২০০ জনলৈ বৃদ্ধি বুলি বাতৰি কাকতত প্ৰকাশ।

১৯৮৬-৮৭ৰ বাবে ৰাজ্যৰ পৰিকল্পনা উন্নয়নৰ বাবে বিভিন্ন উৎসৰ পৰা ৬৮১.৮৭ কোটি টকা পাব বুলি চৰকাৰী প্ৰেছ বিজ্ঞপ্তিত প্ৰকাশ।

জনস্বাস্থ্য কাৰিকৰী বিভাগৰ গুৱাহাটী সংমণ্ডলৰ মুখ্য অভিযন্তা প্ৰতুল চন্দ্ৰ বৰুৱাক নিলম্বিত কৰা হয়।

২৭ মে': গহপুৰত মন্ত্ৰী নগেন শৰ্মাই ২৭ কোটি টকা খৰচ কৰি Buffalo Breeding Farm কৰা হব বুলি ঘোষণা কৰে।

৩০ মে': তামোলপুৰ অঞ্চলত মেলেৰীয়া ৰোগ নিয়ন্ত্ৰণাধীন বুলি স্বাস্থ্য মন্ত্ৰীৰ প্ৰেছ বিজ্ঞপ্তি।



OKDISCD

১ জুন: চলচ্চিত্ৰ উন্নয়ন আৰু বিত্তীয় সাহায্য পৰিষদৰ পৰিচালন সঞ্চালক হিচাবে অসম চৰকাৰে ড° ভবেন্দ্ৰনাথ শইকীয়াক নিযুক্তি দিয়ে।

অসম আন্দোলনৰ কালছোৱাত যি সকল খাইজ পাইকাৰী জৰিমনাৰ বলি হৈছিল সেই টকাখিনি ঘুৰাই দিয়া হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়।

২ জুন: অসমত এটা পোষ্ট মাষ্টৰ জেনেৰেলৰ অফিচ হ'ব লাগে বুলি অসমৰ গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ কেন্দ্ৰীয় মন্ত্ৰী ৰাম নিবাস মিৰ্ধাৰ ওচৰত দাবী।

নলবাৰী জিলাত মেলেৰীয়াত আক্ৰান্ত হৈ ৬৬জনৰ মৃত্যু ঘটে বুলি মুখ্যমন্ত্ৰীয়ে কয়। তেওঁৰ মতে তামোলপুৰ অঞ্চলৰ ১৭৩জন মৃত্যু হোৱা লোকৰ ভিতৰত ৪৪জন আৰু মছলপুৰ অঞ্চলত মৃত্যু হোৱা ৪৫জনৰ ভিতৰত ২০জনহে মেলেৰীয়া ৰোগী আছিল। মেলেৰীয়াত আক্ৰান্ত ৰোগীক চোৱাচিতা কৰিবলৈ ১১১জন ডাক্তৰ আৰু ৪৪গৰাকী নাৰ্চ নিয়োগ কৰে। স্বাস্থ্যমন্ত্ৰী পাটোৱাৰীয়ে কেবাদিনো ধৰি শিবিৰ সমূহ পৰিদৰ্শন কৰি থাকে। এই পৰ্য্যন্ত কেন্দ্ৰীয় চৰকাৰৰ পৰা কোনো ধৰণৰ সাহায্য পোৱা নাই বুলি মুখ্যমন্ত্ৰী আৰু স্বাস্থ্যমন্ত্ৰীয়ে ক্ষোভ প্ৰকাশ কৰে।



৩ জুন: অসম চুক্তি অচিৰেই ৰূপায়ন কৰা হ'ব বুলি ললিত ৰাজখোৱাৰ ঘোষণা।

৭ম পঞ্চবাৰ্ষিক পৰিকল্পনাত ২৬৭ কোটি টকা ব্যয় কৰা হ'ব বুলি জলসিঞ্চন মন্ত্ৰীৰ ঘোষণা।

৪ জুন: অসম চুক্তি কাৰ্য্যকৰী ক্ষিপ্ৰতাৰে কৰিব লাগে বুলি মুখ্যমন্ত্ৰীয়ে কেন্দ্ৰীয় চৰকাৰক পুনৰ দাবী জনায়।

১৯৯০ চনত চাউলৰ ক্ষেত্ৰত অসম স্ব-নিৰ্ভৰশীল হ'ব পাৰিব বুলি কৃষি মন্ত্ৰী নীলমণি দাসৰ ঘোষণা। স্ব-নিৰ্ভৰশীল হ'বলৈ অসমক ৩৫ লক্ষ টন চাউলৰ প্ৰয়োজন বুলি তেওঁ কয়।

মাধ্যমিক শিক্ষা পৰিষদৰ সভাপতি হিচাবে অসমৰ শিক্ষাধিকাৰ ড° শৈলজানন্দ ভৰালীৰ নিযুক্তি।

৫ জুন: জনতা পাৰ্টিৰ সভাপতি গোলাপ বৰবৰাই কয় যে মন্ত্ৰীসভাৰ কলেৱৰ বৃদ্ধিৰ পিছতো গণ পৰিষদ বিধায়িনী দলৰ মাজত চলি থকা আৰিয়াআৰি শেষ হোৱা নাই।

৬ জুন: সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানক্ৰমে খাদ্য সামগ্ৰীৰ চৰা দামৰ বিৰুদ্ধে সমগ্ৰ অসমতে প্ৰতিবাদ দিৱস পালন।

ষ্টেডিয়াম গেষ্ট হাউচত হোৱা অসম গণ পৰিষদ দলৰ কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্ত—প্ৰফুল্ল মহন্তৰ ওপৰত সম্পূৰ্ণ আস্থা; ভৃগুকুমাৰ ফুকনৰ লগত প্ৰফুল্ল কুমাৰ মহন্তৰ সম্পৰ্কৰ অৱনতি ঘটা বুলি ওলোৱা কথাটো সম্পূৰ্ণ মনেসজা আৰু উদ্দেশ্যপ্ৰণোদিত; এজন এম.পি আৰু তিনিজন বিধায়কৰ বিষয়ে আলোচনা।

৭ জুন: অসম চৰকাৰে চুক্তি ৰূপায়ন উপ সমিতি এখন গঠন কৰে। এই উপ-সমিতিখনত ড° নগেন শইকীয়া-এম.পি., ড° কৃষ্ণগোপাল ভট্টাচাৰ্য্য, দীনেশ গোস্বামী-এম.পি, আইন মন্ত্ৰী সুৰেন মেধি, বিধায়ক দেৱ বৰা, চুক্তি ৰূপায়ন বিভাগৰ আয়ুক্ত, শিক্ষা বিভাগৰ আয়ুক্ত, ছাত্ৰ সন্থাৰ সভাপতি, সাধাৰণ সম্পাদক আৰু শ্ৰীবিশ্বেশ্বৰ হাজৰিকাক অন্তৰ্ভুক্ত কৰা হয়।

চুক্তি ৰূপায়নৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ হেমাহিৰ বাবে গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিয়ে দুঃখ প্ৰকাশ কৰে।

গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যালয় বামুণীমৈদামৰ পৰা ঘোষপুখুৰীৰ ওচৰৰ যোগেন বৰুৱা পথলৈ স্থানান্তৰ।

কংগ্ৰেছ-এছ দলৰ নেতা, বিধায়ক শৰৎ চন্দ্ৰ সিংহই অভিযোগ কৰে যে আইন-শৃঙ্খলা ৰক্ষাৰ ক্ষেত্ৰত অগপ চৰকাৰ ব্যৰ্থ হৈছে।

৯ জুন: নগাঁৱৰ ওচৰৰ ৰহমপুৰত বোমা বিস্ফোৰণৰ ফলত এজন ১৫ বছৰীয়া লৰাৰ মৃত্যু।

১০ জুন: অসম চুক্তি ৰূপায়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ বুলি প্ৰধান মন্ত্ৰীৰ আশ্বাস।

১১ জুন: চুক্তি ৰূপায়ন শীঘ্ৰে কৰিবলৈ মুখ্যমন্ত্ৰী মহন্তৰ দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ ওচৰত পুনৰ অনুৰোধ।

অসমৰ বিদ্যুৎ সৰবৰাহ ব্যৱস্থাটো উন্নত কৰিবলৈ কেন্দ্ৰীয় বিদ্যুৎ মন্ত্ৰী (ৰাজ্যিক) শ্ৰীমতী সুশীলা ৰহতাকীক ব্যৱস্থা লবলৈ অনুৰোধ জনায়।

১২ জুন: কাছাৰ আৰু কৰিমগঞ্জ ছাত্ৰ সন্থাই যুটীয়াভাৱে ভাষা চাৰ্কুলাৰৰ বিৰোধিতা কৰে।

বিদেশী চিনাক্তকৰণৰ কাম ক্ষীপ্ৰতৰ কৰিবলৈ গৃহমন্ত্ৰী ভৃগু কুমাৰ ফুকনৰ অসম পুলিচ বাহিনীলৈ নিৰ্দেশ।

১৪ জুন: চুক্তি ৰূপায়নত কেন্দ্ৰীয় চৰকাৰে হেমাহি কৰি থকা বাবে মুখ্যমন্ত্ৰীৰ দুঃখ প্ৰকাশ।

জাগীৰোডৰ মখলো ছোৱালী হাইস্কুলত মুখ্যমন্ত্ৰীয়ে কয় যে শিক্ষা মন্ত্ৰীয়ে ক'লেও বিনামূলীয়া সাজ-পোছাক দিব পৰা নাযাব, কিয়নো এই কামত পোন্ধৰ কোটি টকা ব্যয় হ'ব।

অসমৰ চাহ বাগিছাসমূহক মুখ্যমন্ত্ৰীয়ে অনুৰোধ জনায় যে তেওঁলোকৰ দ্বাৰা উৎপাদিত সমস্ত চাহ যেন গুৱাহাটীৰ চাহ নীলাম বজাৰত বিক্ৰী কৰিবলৈ প্ৰেৰণ কৰা হয়।

বিধায়ক আবাসৰ চাৰিওফালে সুৰক্ষাৰ ব্যৱস্থা কঠ-কঠীয়া কৰা হয়। প্ৰবেশ পত্ৰ অবিহনে ভিতৰত সোমাবলৈ দিয়া নহয়। নিশা দহ বজাৰ পিছত কাকো প্ৰৱেশ কৰিবলৈ দিয়া নহয়। বিধায়ক আৰু মন্ত্ৰী-সকলক দূৰ্কাপিকৈ ফটো নিৰাপত্তা বিষয়াক দিবলৈ কোৱা হয়।

ৰাঙাপাৰা-ৰঙিয়া অভিমুখী ভাটিমুৱা ৰেল এখনত ডেকা এজনৰ সৈতে ভ্ৰমণ কৰা ২০ বছৰীয়া যুৱতী এগৰাকীক ৩২ জন চি-আৰ-পিৰ এটা দলে জোৰ-পূৰ্বক শ্লীলতা হানি কৰিবলৈ যত্ন কৰাত ওডালগুৰি ষ্টেচনত শ শ যাইজে গাড়ী ৰখাই চি-আৰ-পি যোৱক মাৰপিত কৰে। স্থানীয় পুলিচে উকা গুলী চলায়। ছোৱালীজনীক উদ্ধাৰ কৰি হস্পিতেললৈ নিয়া হয়। ঘটনাৰ বিচাৰ কৰিবলৈ গৃহ মন্ত্ৰীক দাবী জনোৱা হয়।

১৭ জুন: অসম গণ পৰিষদৰ নেতৃত্ব লৈ দল তথা চৰকাৰত কোনো ধৰণৰ সঙ্কট হোৱা নাই বুলি প্ৰফুল্ল-ভৃগুৰ যুটীয়া বিবৃতি।

১৯ জুন: নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ প্ৰাক্তন সমপাদক আৰু কামৰূপ জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা শ্ৰীউপেন ডেকাক মনে সজা অভিযোগত গ্ৰেপ্তাৰ কৰাৰ প্ৰতি-বাদত ১১ বজাৰ পৰা ১ বজালৈ নলবাৰী বন্ধ পালন কৰা হয়।

সপ্তম পঞ্চ বাৰ্ষিক পৰিকল্পনাত অসমৰ শতকৰা ৪০ ভাগ কৃষি ক্ষেত্ৰত জলসিঞ্চনৰ ব্যৱস্থা কাৰ্য্যকৰী কৰা হব বুলি নলবাৰীত মন্ত্ৰী পবীন্দ্ৰ ডেকাই ব্যক্ত কৰে।

২০ জুন: টিহুৰ ওচৰৰ নাথকুছিত মুখ্যমন্ত্ৰী মহন্ত আৰু উদ্যোগ মন্ত্ৰী দীগেন বৰাই 'Assam Syntex Limited' মুকলি কৰে।

যোগান বিভাগৰ দুজন বিষয়াক ডিব্ৰুগড়ৰ পুলিচে গ্ৰেপ্তাৰ কৰে। তেওঁলোকে দুজন স্থানীয় ব্যৱসায়ীক ৰক্ষণাবেক্ষণ দিবলৈ বিচাৰিছিল।

২১ জুন: ডিব্ৰুগড়ৰ কঠালগুৰিত হৱলগীয়া ২৪০ মেগাৱাট শক্তিসমপন্ন গেছ চালিত টাৰবাইন ষ্টেচনটো NEE-PCO ক নিদি অসম ৰাজ্যিক বিদ্যুৎ পৰিষদক দিব লাগে বুলি ললিত ৰাজখোৱাই দাবী কৰে।



২২ জুন: কেন্দ্ৰীয় চৰকাৰে অসমৰ খাৰুৱা তেলৰ ৰয়েল্টি প্ৰতি টনত ৬১ টকাৰ পৰা মাত্ৰ ১৯২ টকালৈহে বৃদ্ধি কৰা বাবে অসম গণ পৰিষদে ক্ষোভ প্ৰকাশ কৰে আৰু প্ৰতি টনত ৩৩৬ টকাকৈ দিবলৈ কেন্দ্ৰক দাবী জনায়।

২৩ জুন: সদৌ অসম কৰ্মচাৰী পৰিষদে বিভিন্ন সমস্যাৰ সমাধানৰ দাবীত ১৬ জুলাইৰ পিছত আন্দোলন গঢ়ি তুলিব বুলি ঘোষণা কৰে।

২৪ জুন: সদৌ গুৱাহাটী ছাত্ৰ সন্থাই বিভিন্ন দাবী পূৰণৰ বাবে জনতা ভৱনৰ সন্মুখত ১২ ঘন্টীয়া অনশন কৰে। ছাত্ৰ নেতা উপেন ডেকা, গজেন্দ্ৰ ভৰালী আৰু নিত্য-প্ৰসাদ মহন্তৰ মুক্তিৰ দাবী জনায়।

২৬ জুন: জুলাই মাহৰ মাজভাগত নতুন দিল্লীত বিহাৰৰ মুখ্যমন্ত্ৰীৰ লগত অসমৰ মুখ্য মন্ত্ৰী আৰু উদ্যোগ মন্ত্ৰীয়ে অশোক পেপাৰ মিল খোলা সমপৰ্কে আলোচনা চলাব বুলি চৰকাৰী ভাষ্যত প্ৰকাশ।

২৭ জুন: অসম-বাংলাদেশ সীমান্তৱৰ্তী অঞ্চলত গড়কাপ্তানী বিভাগে অনতিপলমে জৰীপ কাৰ্য্য চলাব বুলি মুখ্য-মন্ত্ৰীয়ে ঘোষণা কৰে।

৩০ জুন: গণ পৰিষদ চৰকাৰে দলীয় স্বাৰ্থৰ হকে কাম-কাজ চলাই থকা বুলি ৰাজ্যিক জনতা পাৰ্টিৰ সভাপতি গোলাপ বৰবৰাই অভিযোগ কৰে।

৮ জুলাই: গণ পৰিষদৰ কেন্দ্ৰীয় কাৰ্য্যনিৰ্বাহক সমিতিৰ সিদ্ধান্তমৰ্মে সংসদী সদস্য গোকুল শইকীয়াক দলৰ পৰা বহিষ্কাৰ কৰা হয়। অন্য ৩ জন বিধা-য়ক হৰেন বৰা, ভৰেন বৰুৱা আৰু ৰবীন শই-কীয়াক মাফ কৰি দিয়ে।

১০ জুলাই: অসমৰ খৰাং পীড়িত অঞ্চলৰ খেতিয়ক-সকলৰ সাহায্যাৰ্থে ৩০০ লাখ টকা দিবলৈ মুখ্য-মন্ত্ৰী মহন্তই প্ৰধান মন্ত্ৰীক অনুৰোধ জনায়।

বান নিয়ন্ত্ৰণ মন্ত্ৰী ছামসিং হান্সে বানপানী নিয়ন্ত্ৰণ কৰিবলৈ ১৫০ কোটি টকাৰ প্ৰয়োজন বুলি দাবী কৰে।

১২ জুলাই: শিলচৰত গুলী আৰু লাঠী চালনাৰ প্ৰতি-বাদত ১২ ঘন্টীয়া বন্ধ পালন।

অসম চুক্তি শীঘ্ৰে ৰূপায়ন কৰিব লাগে বুলি গৃহ-মন্ত্ৰী ফুকনৰ প্ৰধান মন্ত্ৰীৰ ওচৰত অনুৰোধ।

১৩ জুলাই: লালডেঙ্গাই দাবী কৰা বৃহত্তৰ মিজোৰামৰ ক্ষেত্ৰত প্ৰফুল্ল মহন্তৰ প্ৰতিবাদ।

১৫ জুলাই: ভূমিহীন অনুসূচীত জাতি আৰু অনুসূচীত জন-জাতিৰ বাবে অসম চৰকাৰে ২৬৮০টা সস্তীয়া ঘৰ নিৰ্মাণ কৰিব বুলি ঘোষণা কৰে।

২১ জুলাই: কৰিমগঞ্জৰ হিংসাত্মক ঘটনাত ৬ জনৰ মৃত্যু—তাৰে ৩জন অসম পুলিচৰ।

২২ জুলাই: শিলচৰত অনিৰ্দিষ্ট কাললৈ সান্ধ্য আইন। কৰিমগঞ্জৰ ঘটনাৰ বাবে গণ পৰিষদে ইন্দিৰা কংগ্ৰেছকেই দায়ী কৰে।

২৪ জুলাই: দ্বিতীয় বাৰৰ বাবে ৰাজ্যিক প্ৰশাসনৰ ব্যাপক সালসলনি ঘটোৱা হয়।

২৩ জুলাই: শিলচৰত মুখ্যমন্ত্ৰী প্ৰফুল্ল কুমাৰ মহন্তৰ প্ৰতি-কৃতি দাহ কৰা হয়।

২৫ জুলাই: অসমত এই বছৰতে ৪৬খন (৩০খন বিছনাযুক্ত) চিকিৎসালয় আৰু ১৫২টা স্বাস্থ্য কেন্দ্ৰ স্থাপন কৰা হব বুলি স্বাস্থ্যমন্ত্ৰীয়ে জনতা ভৱনত ঘোষণা কৰে। লক্ষীমপুৰ জিলাত হোৱা প্ৰবল বানপানীৰ ফলত ৭০০০ পৰিয়াল ক্ষতিগ্ৰস্ত।

২৩ জুলাই: অসমৰ ১০০খন প্ৰাথমিক বিদ্যালয়ত মিচিং ভাষা শিকোৱা হব বুলি শিক্ষামন্ত্ৰী বৃন্দাবন গোস্বামীয়ে ঘোষণা কৰে।
অসম চৰকাৰৰ বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হিচাবে ড° লীলা গগৈক নিযুক্তি দিয়া হয়।

২৯ জুলাই: কেন্দ্ৰীয় মন্ত্ৰী গোলাম নবি আজাদে চিলঙত কয় যে অসম চুক্তি ৰূপায়ন কৰিবলৈ কেন্দ্ৰীয় চৰকাৰ দায়বদ্ধ।
স্বাস্থ্যমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ঘোষণা কৰে যে অসম চৰকাৰে এখন হোমিঅ'মেডিকেল কলেজ নিজৰ হাতলৈ নিব আৰু হোমিঅ'প্যাথিক চিকিৎসাৰ উন্নতি সাধিবলৈ যত্ন কৰিব।

৩১ জুলাই: অসম চুক্তি শীঘ্ৰে কাৰ্য্যকৰী কৰিবলৈ লোকসভাত এম.পি মুহিৰাম শইকীয়াৰ দাবী।

১০ আগষ্ট: অসমত এতিয়াই কোনো ধৰণৰ লোকপিয়ল চলোৱা সম্ভৱপৰ নহব বুলি কেন্দ্ৰীয় চৰকাৰৰ ঘোষণা।

১২ আগষ্ট: বিধান সভাত গুৱাহাটী পৌৰ নিগমৰ সংশোধনী বিল গৃহীত।

১৪ আগষ্ট: কেবিনেটৰ সিদ্ধান্ত নোহোৱাকৈয়ে SEBA CIRCULARৰ ৪নং দফাটো প্ৰত্যাহাৰ কৰা হয়।

১৫ আগষ্ট: তেজপুৰত হোৱা বোমা বিস্ফোৰণৰ ফলত চকীদাৰ এজনৰ মৃত্যু।

১৮ আগষ্ট: অসম চুক্তি শীঘ্ৰে ৰূপায়ন কৰিবলৈ অনুৰোধ জনোৱাৰ উদ্দেশ্যে অসম গণ পৰিষদৰ ৭জনীয়া দল এটি দিল্লীলৈ প্ৰেৰণ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰা হয়।

২২ আগষ্ট: সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাই অভিযোগ কৰে যে চৰকাৰে আন্দোলন সংক্ৰান্তীয় আটাইবোৰ গোচৰ উঠাই লোৱা নাই। সৰ্বমুঠ ১৩৩২টা গোচৰৰ ৭৫৫ টাহে এতিয়ালৈ প্ৰত্যাহাৰ কৰা হৈছে।

২৪ আগষ্ট: এনকেফেলাইটিছ্ ৰোগাক্ৰান্ত হৈ ডিব্ৰুগড়ত মৃত্যুৰ সংখ্যা ২১ জনলৈ বৃদ্ধি আৰু তিনিচুকীয়ালৈ ৰোগৰ প্ৰসাৰ।
অসম গণ পৰিষদে কেন্দ্ৰীয় চৰকাৰক অসম চুক্তি শীঘ্ৰে ৰূপায়ন কৰিবলৈ দাবী জনায়।

২৬ আগষ্ট: অসমৰ খাদ্য আৰু যোগান মন্ত্ৰী বিৰাজ শৰ্মাই কেন্দ্ৰীয় চৰকাৰক বৰ্তমানৰ ৪৭,০০০ মেট্ৰিকটন চাউল, ৯,২২০ মেট্ৰিকটন চেনি আৰু ৭,০০০ মেট্ৰিকটন কেৰাচিন তেলৰ সলনি ক্ৰমে ৬২,০০০ মেট্ৰিকটন, ৯,৬৭৫ মেট্ৰিকটন আৰু ১৮,০০০ মেট্ৰিকটন চাউল, চেনি আৰু কেৰাচিন তেলৰ যোগান ধৰিবলৈ অনুৰোধ জনায়।

২৭ আগষ্ট: মহামাৰী এনকেফেলাইটিচৰ বাবে ৰাজ্য চৰকাৰৰ কেন্দ্ৰলৈ SOS প্ৰেৰণ—স্বাস্থ্যমন্ত্ৰী পাটোৱাৰীৰ মতে মৃত্যুৰ সংখ্যা ১১০ জন— মুখ্যমন্ত্ৰী মহন্তৰ দিল্লী যাত্ৰা।
অসমৰ সৰ্বমুঠ ২৭ লাখ হেক্টৰ খেতিৰ মাটিৰ ৩·৭০ হেক্টৰ মাটিত জলসিঞ্চন আঁচনিৰ জৰীয়তে পানী দিয়া হব বুলি পবীন্দ্ৰ ডেকাই কয়।

২৯ আগষ্ট: স্বাস্থ্য মন্ত্ৰীৰ মতে এনকেফেলাইটিচ ৰোগত হোৱা মৃত্যুৰ সংখ্যা — ১৪০ জন।

৩০ আগষ্ট: এনকেফেলাইটিচ ৰোগ ৰোধ কৰাৰ বাবে জাপানী প্ৰতিষেধক ছিটাৰ যোগান ধৰিব লাগে স্বাস্থ্য মন্ত্ৰীয়ে কেন্দ্ৰৰ ওচৰত দাবী জনায়।
খৰাং পীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰি অৱস্থাৰ বুজ লবলৈ উচ্চ ক্ষমতাসম্পন্ন দল এটা অসমলৈ পঠিয়াবলৈ কেন্দ্ৰীয় চৰকাৰৰ সন্মতি প্ৰদান।

১ চেপ্তেম্বৰ: সুলভ মূল্যত চাউল আৰু মচুৰ দাইল যোগান ধৰিবৰ বাবে অসম চৰকাৰে যি ১০ কোটি টকাৰ আঁচনি লৈছিল অহা ডিচেম্বৰ মাহত পৰা সেই আঁচনিৰ অন্ত পৰিব বুলি খাদ্য আৰু যোগান বিভাগৰ ৰাজ্যিক মন্ত্ৰী মযিদুল ইছলাম বৰাই কয়।
এনকেফেলাইটিচ ৰোগত মৃত্যুৰ সংখ্যা ১৬০ জন বুলি স্বাস্থ্যমন্ত্ৰীয়ে কয়। কেন্দ্ৰীয় চৰকাৰে ইতিমধ্যে ১ লাখ জাপানী প্ৰতিষেধক বেজী যোগান ধৰিবলৈ সিদ্ধান্ত লৈছে যদিও তেওঁৰ মতে অসমক দহ লাখ ভেকচিনৰ প্ৰয়োজন।
গোলাঘাটৰ প্ৰাক্তন উপ মুখ্য প্ৰশাসক শ্ৰীদেৱজিৎ ধৰ চৌধুৰীক ২৯ আগষ্টত হত্যা কৰা বাবে গৃহ মন্ত্ৰী ভৃগু কুমাৰ ফুকনে গৰিহণা দিয়ে।

২ চেপ্তেম্বৰ: নতুন দিল্লীৰ পৰা ৯হাজাৰ ডজন জাপানী এনকেফেলাইটিচ ভেকচিন গুৱাহাটীলৈ পঠোৱা হয়।

৩ চেপ্তেম্বৰ: জালাহ উন্নয়ন খণ্ডৰ উন্নয়ন বিষয়াক চোৰাং ঘেঁহু বিক্ৰী কৰা ঘটনাৰ সৈতে জড়িত থকা হেতুকে নিলম্বিত কৰা হয়।
বোকাজানৰ চিমেন্ট কাৰখানাত গুলীচালনা।

৪ চেপ্তেম্বৰ: ৩৬ ঘন্টীয়া কাৰ্বি আংলং বন্ধৰ সফল সমাপ্তি। কাৰ্বি ছাত্ৰ সন্থা আৰু কাৰ্বি স্বায়ত্ত্ব শাসিত ৰাজ্য দাবী সমিতিয়ে যুটীয়াভাৱে এই বন্ধৰ আহ্বান দিছিল।

১৩ চেপ্তেম্বৰ: এগৰাকী কিশোৰী ছোৱালীক বেইজ্জতি কৰা বাবে শিৱসাগৰ পুলিচৰ শ্ৰীপৰাগ নাথ নামৰ সহকাৰী উপ পৰিদৰ্শক এজনক গ্ৰেপ্তাৰ আৰু নিলম্বিত কৰা হয়।

১৪ চেপ্তেম্বৰ: নলবাৰীৰ অসামৰিক চিকিৎসালয়ত নতুনকৈ নিযুক্তি দিয়া অধীক্ষক গৰাকীৰ নিযুক্তিত অসন্তুষ্টি প্ৰকাশ কৰি নলবাৰী আঞ্চলিক ছাত্ৰ সন্থাৰ আহ্বানত ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী বৰ্জন কৰে আৰু মৌন সমদল উলিয়ায়।

১৭ চেপ্তেম্বৰ: সংযুক্ত সংখ্যা লঘু মৰ্চাৰ সভাপতি আৰু নাগৰিক অধিকাৰ ৰক্ষা কমিটিৰ সভাপতি কালীপদ সেনক সন্ধিয়া ৬-৩০ বজাত সাত জাঁই গুলী মাৰি তেওঁৰ বাসভৱনত হত্যা কৰা হয়।

১৮ চেপ্তেম্বৰ: স্বাস্থ্য মন্ত্ৰী চন্দ্ৰ পাটোৱাৰীৰ মতে এনকেফেলাইটিচ ৰোগত মৃত্যু হোৱা লোকৰ সংখ্যা ২৮২ লৈ বৃদ্ধি পায়।

OKDISCD

১৯ চেপ্তেম্বৰ: অসমৰ শিক্ষাধিকাৰৰ কাৰ্য্যালয়ৰ কৰ্মচাৰী এজনক ২০০ টকা ভোটি লোৱা বাবে গ্ৰেপ্তাৰ কৰা হয়।

২০ চেপ্তেম্বৰ: অসম প্ৰকাশন পৰিষদৰ সচিব চন্দ্ৰপ্ৰসাদ শইকীয়াই ৰাজ্য চৰকাৰৰ অবৈধ নিৰ্দেশত অসন্তুষ্ট হৈ পদত্যাগ কৰে। ১৯৬৭ চনৰ ১০ এপ্ৰিলৰ পৰা শ্ৰীশইকীয়া উক্ত পদত আছিল।
অবৈধভাৱে তিনিটা কাঠৰ মিলক কাঠ যোগান ধৰা বাবে প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াৰ ওপৰত ৰাজ্য চৰকাৰে যি মোকৰ্দমা তৰিছে সেইটো সম্পূৰ্ণ ৰাজনৈতিক উদ্দেশ্যপ্ৰণোদিত বুলি শইকীয়াই অভিযোগ কৰে।

২২ চেপ্তেম্বৰ: অসম চৰকাৰে গুৱাহাটী পৌৰ নিগমৰ বাবে ২১ জন সদস্যৰে এখন প্ৰশাসক মণ্ডলী গঠন কৰি দিয়ে আৰু ড° বিনয় কুমাৰ তামুলীক মুখ্য প্ৰশাসক হিচাবে নিযুক্তি দিয়ে।
জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত শ্ৰেষ্ঠ স্থান অধিকাৰ কৰা বাবে অসমৰ স্বাস্থ্য মন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়ে কেন্দ্ৰীয় মন্ত্ৰী পি ভি নৰসিংহ ৰাওৰ পৰা নতুন দিল্লীত ২·৫ কোটি টকাৰ বঁটা গ্ৰহণ কৰে।

২৩ চেপ্তেম্বৰ: অসম চৰকাৰে প্ৰশাসনৰ ওপৰ মহলত নতুনকৈ সালসলনি কৰে। পুলিচ বিভাগৰ ওপৰ মহলতো ব্যাপক সালসলনি ঘটোৱা হয়।

২৬ চেপ্তেম্বৰ: কালিপদ সেনৰ হত্যাৰ তদন্ত কৰিবলৈ চি বি আইক দায়িত্ব দিয়া হব পাৰে বুলি মুখ্যমন্ত্ৰীৰ ঘোষণা। মুখ্য মন্ত্ৰীয়ে কয় যে তেওঁ নিজেও কিছুমান ভাবুকি দি লেখা চিঠি পাই আছে। তাৰ ভিতৰত উল্লেখযোগ্য হ'ল RARA (Revolutionary Army of Red Assam) নামৰ সংগঠনটোৰ পৰা পোৱা চিঠিসমূহ।

২৭ চেপ্তেম্বৰ: সন্ত্ৰাসবাদীৰ কাৰ্য্যক কোনোপধ্যে প্ৰশ্ৰয় দিয়া নহব বুলি মুখ্য মন্ত্ৰীৰ ঘোষণা আৰু পুলিচক এই বিষয়ত সতৰ্ক হবলৈ আহ্বান।
খাদ্য আৰু যোগান বিভাগৰ ৰাজ্যিক মন্ত্ৰী মহিদুল ইছলাম বৰাই বয়-বস্তুৰ দাম একে থকাত সন্তুষ্টি প্ৰকাশ কৰে।

১ অক্টোবৰ: প্ৰাক্তন মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক গ্ৰেপ্তাৰ নকৰিবৰ বাবে উচ্চ ন্যায়ালয়ৰ ৰাজ্য চৰকাৰলৈ নিৰ্দেশ।

৪ অক্টোবৰ: ৭৩০০ হেক্টৰ মাটিৰ শালি খেতি চৰহা পোকৰ আক্ৰমণত বিস্তৰ ক্ষতি হয় বুলি কৃষি বিভাগে জনায়।

১৩ অক্টোবৰ: প্ৰলয়ঙ্কৰী বানপানীৰ বাবে কেন্দ্ৰলৈ মুখ্যমন্ত্ৰী মহন্তৰ SOS বাৰ্তা প্ৰেৰণ।

১৪ অক্টোবৰ: প্ৰবল বানপানীত মানুহ-জীৱ-জন্তুৰ প্ৰাণহানি আৰু খেতি-বাতিৰ বিস্তৰ ক্ষতি সাধন হোৱা বাবে ২০০ কোটি টকা বিচাৰি ৰাজ্য চৰকাৰৰ কেন্দ্ৰলৈ অনুৰোধ।

১৬ অক্টোবৰ: ২০ অক্টোবৰত প্ৰধান মন্ত্ৰীয়ে বানপীড়িত অঞ্চলসমূহ পৰিদৰ্শন কৰিব বুলি বাতৰিত প্ৰকাশ। বানপানীৰ ফলত নগাওঁ জিলা বেয়াকৈ ক্ষতিগ্ৰস্ত।


২০ অক্টোবৰ: প্ৰধান মন্ত্ৰীয়ে বানপীড়িত অঞ্চল পৰিদৰ্শনৰ কাৰ্যসূচী বাতিল কৰাত অসম চৰকাৰৰ ক্ষোভ।

২৫ অক্টোবৰ: মুখ্য সচিব হিচাবে এচ্ দি ফেণীৰ নিযুক্তি। আই এ এচ্ বিষয়া শ্ৰীকৰুণা কান্ত বৰুৱা আৰু শ্ৰীএম এন সোণোৱালক ৰাজ্য চৰকাৰে নিলম্বিত কৰে।

২৯ অক্টোবৰ: মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ সংগ্ৰহ হোৱা ধনৰ পৰিমাণ ২২,৪০,৬৯৫·০০ টকালৈ বৃদ্ধি পায়।

৩০ অক্টোবৰ: মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিত ৩৩·১ লাখ টকা জমা হয়।

১ নভেম্বৰ: শ্ৰীদুৰ্গা প্ৰসাদ নেওগক বন বিভাগৰ মুখ্য বন সংৰক্ষক হিচাবে নিযুক্তি দিয়া হয়।





২ নভেম্বৰ: পুলিচৰ হাতত নলবাৰীৰ সম্বৰহী যুৱক পৰীক্ষিত বৰ্মনৰ মৃত্যু। নলবাৰী বন্ধ পালন।

৩ নভেম্বৰ: পাৰ্বত্য জিলা পৰিকল্পনা পৰিষদৰ উপ সভাপতি হিচাবে প্ৰাক্তন মুখ্য সচিব জে চি নামপুইক ৰাজ্যিক মন্ত্ৰীৰ সম মৰ্য্যাদাৰে তিনি বছৰৰ বাবে নিযুক্তি দিয়া হয়।
৬ নভেম্বৰত 'অসম বন্ধ' পালন কৰিবলৈ সদৌ অসম ছাত্ৰ সন্থাৰ সিদ্ধান্ত।

৪ নভেম্বৰ: পৰীক্ষিত বৰ্মনৰ মৃত্যুৰ প্ৰতিবাদত ৰাতিপুৱা পাঁচ বজাৰ পৰা সন্ধিয়া পাঁচ বজালৈ বিশ্ববিদ্যালয় বন্ধ পালন কৰা হয়।
অসম পুলিচৰ প্ৰাক্তন সঞ্চালক প্ৰধান আৰু ৰাজ্যিক পুলিচ গৃহ নিগমৰ সভাপতি শ্ৰীজ্ঞানানন্দ শৰ্মা পাঠকক সাময়িকভাৱে বৰ্খাস্ত কৰা হয়।





৫ নভেম্বৰ: সদৌ গুৱাহাটী ছাত্ৰ সন্থাৰ আহ্বান ক্ৰমে পৰী-ক্ষিত বৰ্মনৰ হত্যাকাণ্ডৰ প্ৰতিবাদত গুৱাহাটীৰ ছাত্ৰ-ছাত্ৰীসকলে মৌন সমদল উলিয়ায় আৰু গৃহ মন্ত্ৰী ভৃগুকুমাৰ ফুকনৰ পদত্যাগ দাবী কৰে।

আই এ এছ বিষয়া কৰুণা কান্ত বৰুৱাৰ নিলম্বিত-কৰণৰ আদেশটো অসম প্ৰশাসনীয় ট্ৰিবুনেলে স্থগিত কৰে।

৬ নভেম্বৰ: সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত সমগ্ৰ অসমতে শান্তিপূৰ্ণ বন্ধ পালন কৰা হয়।


২৬ নভেম্বৰ: মুখ্যমন্ত্ৰী মহন্তৰ দিল্লী যাত্ৰা আৰু অসম চুক্তি ৰূপায়নৰ বাবে প্ৰধান মন্ত্ৰী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰীৰ ওচৰত দাবী।

১ ডিচেম্বৰ: অসম গণ পৰিষদ দলৰ কাৰ্য্যনিৰ্বাহক কমিটিৰ জৰুৰী বৈঠকত ৮ ডিচেম্বৰত অসম বন্ধৰ সিদ্ধান্ত।

৮ ডিচেম্বৰ: অসম গণ পৰিষদৰ আহ্বানত সমগ্ৰ অসমতে শান্তিপূৰ্ণভাৱে সৰ্বাত্মক অসম বন্ধ পালন কৰি কেন্দ্ৰীয় চৰকাৰক সঁকিয়াই দিয়া হয়।

ডিচেম্বৰ: বিধান সভাৰ শীতকালীন অধিবেশন আৰম্ভ।

নৱ বৰ্ষৰ প্ৰীতি সম্ভাষণেৰে



অংশুমান

মহাত্মা গান্ধী ৰ'ড • ভৰলুমুখ
গুৱাহাটী-৭৮১০০৯

# পুলিচ্‌ বিভাগ আৰু জেনেৰেল ডায়াৰ

অঞ্জন শৰ্মা



আজিৰ পৰা ছয়বছৰ পূৰ্বে, হঠাৎ এদিন তেলৰ নগৰী ডুলীয়াজান তেজৰ নগৰীলৈ পৰিণত হৈছিল। সেইদিনা ব্যথিত, ক্ৰোধান্বিত হৈ পৰিছিল সমগ্ৰ অসম। সেইদিনা আৰু সেইদিনাৰ পিচলৈকো অসমৰ দিশে দিশে লক্ষ লক্ষ ধিক্কাৰ ধ্বনি প্ৰতিধ্বনিত হৈছিল। শান্তিপূৰ্ণ পিকেটিংকাৰীৰ ওপৰত নিৰ্বিচাৰে গুলীচালনা কৰি নতুন দিল্লীৰ পৰা বাহ্‌ বাহ্‌ লৰ খোজা ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষক প্ৰিয়নাথ গোস্বামীৰ নাম থোৱা হৈছিল সেইদিনা— জেনেৰেল ডায়াৰ। ডুলীয়াজানত হোৱা গুলীচালনাত যিসকল নিহত হৈছিল সেইসকলক সদৌ অসম ছাত্ৰ সন্থাই 'শ্বহীদ' বুলি ঘোষণা কৰিছিল আৰু প্ৰিয়নাথ গোস্বামীক দিছিল প্ৰচণ্ড গৰিহণা। এতিয়াৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়ে সেইসময়ত সদৌ অসম ছাত্ৰ সন্থাৰ যথাক্ৰমে সভাপতি আৰু সাধাৰণ সম্পাদক হিচাবে কাৰ্যনিৰ্বাহ কৰিছিল।

২০ মাৰ্চ, ১৯৮৪ চন। এতিয়াৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰীয়েই সেইসময়তো সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদক। পটভূমি— উত্তৰ শালমাৰা। সেইদিনা নিশা ১০-৩০ বজাত উত্তৰ শালমাৰা আঞ্চলিক ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক বিৰাজমোহন ৰায়ক ঘৰলৈ বিচাৰি আহি ৰায়ৰ মাক মুকুনীবালা ৰায়ক হত্যা কৰি নিশাটোৰ ভিতৰতে 'বিখ্যাত' হৈ পৰা পুলিচ বিষয়াজনৰ নাম আছিল জগদীশ পাটগিৰী।



OKDISCD

সদৌ অসম ছাত্ৰ সন্থাই উত্তৰ শাল-মাৰাৰ নিৰ্মম হত্যাকাণ্ডৰ তীব্ৰ প্ৰতিবাদ কৰিছিল আৰু মুকুনীবালা ৰায়ক 'শ্বহীদ' ঘোষণা কৰা হৈছিল।



জগদীশ পাটগিৰী

প্ৰফুল্লকুমাৰ মহন্ত আৰু ভৃগুকুমাৰ ফুকনে সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি আৰু সাধাৰণ সম্পাদক হৈ থকা সময়ৰেই ঘটনা—পংকাৰ ঘটনা। ১৯৮৩ চনৰ ২ আৰু ৩ এপ্ৰিলৰ মাজৰ ৰাতিটোত সংঘটিত হোৱা ঘটনা। পংকা গাঁৱৰ হৰেন শইকীয়া, ভদ্ৰেশ্বৰ শইকীয়া, তীখৰ বৰুৱা, তিলেশ্বৰ হাজৰিকা, জিতেন শইকীয়া, দেৱকান্ত শইকীয়া, মণিৰাম শইকীয়া আৰু কমল হাজৰিকা— এই আঠজন লোকক যোৰপাতি পাছ-হাতকৈ বান্ধি চাহবাগিচাৰ মাজত থকা নলা এটালৈ পুলিচে লৈ যায় আৰু আঠজনৰ সাতজনক নিৰ্মমভাৱে গুলীয়াই হত্যা কৰে (কমল হাজৰিকাই পলাই সাৰে)। ভদ্ৰেশ্বৰ শইকীয়াৰ পত্নী ডিম্বেশ্বৰী শইকীয়াই এই ঘটনা সংক্ৰান্তত যোৰহাটৰ আৰক্ষী অধীক্ষক মোহনৰাজ, আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া টি কে নাগৰ বিৰুদ্ধে গোলাঘাটৰ ন্যায়িক দণ্ডাধীশৰ আদালতত ৬৮৮/১৯৮৩ নং মোকৰ্দমা (ফৌজদাৰী) তৰে যদিও সেই পুলিচ বিষয়াসকলৰ বিপক্ষে মোৰ্কদমা কৰিবলৈ হিতেশ্বৰ শইকীয়া বোলাজনৰ চৰকাৰখনৰ পৰা অনুমোদন নোপোৱা বাবে মোৰ্কদমাটো বন্ধ হৈ যায়। সম্ভৱত : যোৱা ছয়বছৰৰ ভিতৰত সংঘটিত হোৱা নিৰ্মম হত্যাকাণ্ডসমূহৰ ভিতৰত এইটোৱেই সবাতকৈ নিদাৰুণ ঘটনা আছিল। সদৌ অসম ছাত্ৰ সন্থাই এই নিৰ্মম হত্যাকাণ্ডৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰিছিল, নিহত হোৱাসকলক 'শ্বহীদ' বুলি ঘোষণা কৰা হৈছিল।

১০ ফেব্ৰুৱাৰী, ১৯৮৩ চন। শ্বহহাট চাহবাগিচাৰ বাসিন্দা আকাশ বৰুৱা নামৰ এটা সৰু ল'ৰাই সুচি নায়ক, চিয়াম আৰু কুলনৰ সৈতে ভোট গ্ৰহণ কেন্দ্ৰৰ ওচৰলৈ যাওঁতে কুখ্যাত পুলিচ বিষয়া পৰেশ নেওগে আকাশ বৰুৱাক নিৰ্মমভাৱে তলপেটত গুলীয়াই হত্যা কৰে। আকাশ বৰুৱাক 'শ্বহীদ' ঘোষণা কৰা হৈছিল। এতিয়াৰ মুখ্যমন্ত্ৰী আৰু গৃহমন্ত্ৰী সেই সময়ত ছাত্ৰ সন্থাৰ সভাপতি আৰু সম্পাদক আছিল। এই নিৰ্মম হত্যাকাণ্ডৰ তেওঁলোকে তীব্ৰ প্ৰতিবাদ কৰিছিল।

৮ ফেব্ৰুৱাৰী, ১৯৮৩ চন। পুলিচ উপ-পৰিদৰ্শক গৰাকীৰ নাম আছিল খগেন্দ্ৰ নাথ। সেইদিনা নলবাৰী, পিপলিবাৰী আৰু আন আন গাঁৱৰ হাজাৰ হাজাৰ ৰাইজে নিৰ্বাচনৰ বিৰোধীতা কৰি উপ-প্ৰতি-সমাহৰ্তাৰ কাৰ্যালয়ত এখন স্মাৰক পত্ৰ দাখিল কৰিবলৈ সমদল কৰি যাওঁতে বেলশৰ আৰক্ষী থানাৰ ওচৰত খগেন্দ্ৰ নাথে পিচফালৰ পৰা গুলীয়াই পাঁচজন লোকক হত্যা কৰে আৰু পাঁচজন লোকক গুৰুতৰভাৱে আহত কৰে। মৃত্যু হোৱা লোককেইজন আছিল— মহেশ্বৰ তালুকদাৰ, বীৰেন্দ্ৰ নাৰায়ণ, প্ৰতাপ বৰ্মণ, শ্ৰীকান্ত বৰ্মণ আৰু কায়াৰাম দাস। সেইদিনা কেৱল নিৰ্মম হত্যাকাণ্ডতেই ক্ষান্ত নাথাকি পিচদিনা মৃত লোককেইজনৰ শৱ সংকাৰৰ সময়তো অন্য এজন পুলিচ



'শ্বহীদ' মুকুনীবালা ৰায়

বিষয়া মণ্ডল আৰক্ষী পৰিদৰ্শক চুচেন হাজৰিকাই নিজে পিস্তল লৈ আৰু চি-আৰ-পি সকলক গুলীচালনা কৰিবলৈ সাজু হৈ থাকিবলৈ দি এখন অন্য পাথৰিঘাট, এখন অন্য জালিৱানৱালাবাগ সৃষ্টি কৰিবলৈ বিচাৰিছিল। তেখেতে সেইসময়ত যি অভদ্ৰ আচৰণ কৰিছিল, সেই অভদ্ৰামিৰ বিৰোধীতা কৰা বাবে আনকি এম-পি ৰবীন কাকতিকো চুচেন হাজৰিকাই প্ৰহাৰ কৰিছিল। মহন্ত-ফুকন তেতিয়া ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক আছিল। বেলশৰৰ এই ঘটনাক তেওঁলোকে গৰিহণা দিছিল।

১৯৮৩ চনৰ ১০ ফেব্ৰুৱাৰী তাৰিখে পাঠশালাৰ ওচৰৰ কেন্দ্ৰ? ৰিচ'কত উপ-প্ৰতিসমাহৰ্তা ভাৰত দাস আৰু আৰক্ষী উপ-অধীক্ষক পি-চি দাসৰ নিৰ্দেশত সশস্ত্ৰ পুলিচে চাৰিওপিনে যধে-মধে গুলীয়াই প্ৰভাত পাটগিৰি, মুনীন বৰুৱা আৰু ধীৰেন বৰাক থিতাতে হত্যা কৰে আৰু ভালেকেইজনক আহত কৰে। এই গুলীচালনা, এই পাশৱিক হত্যাকাণ্ডৰ বিৰোধীতা ছাত্ৰ সন্থাই কৰিছিল, মহন্ত-ফুকনে কৰিছিল।

পুলিচে কৰা হত্যাকাণ্ডৰ বিৰুদ্ধেই মাথো নহয়, পুলিচে কৰা অভাবনীয় অত্যাচাৰৰো বিৰোধীতা কৰা হৈছিল। অইনৰ কথা নকওঁ, এতিয়াৰ মন্ত্ৰী ললিত ৰাজখোৱাৰ কথাকে কওঁ। এতিয়াৰ মন্ত্ৰী ললিত ৰাজখোৱা সেই সময়ত সদৌ অসম ছাত্ৰ সন্থাৰ উপদেষ্টা আছিল। ১৯৮৩ চনৰ ২১ মাৰ্চত ললিত ৰাজখোৱাক আৰক্ষী

OKDISCD

কৰি যদি উচিং কামেই কৰিছিল, তেন্তে তেওঁলোকৰ চৰকাৰখনৰো উচিৎ কাম আছিল অত্যাচাৰীসকলৰ বিচাৰ কৰা। কিন্তু এইপৰ্যন্ত অত্যাচাৰী পুলিচ বিষয়াসকলৰ বিচাৰ হ'ল নে? যি মহন্ত-ফুকনে এসময়ত অত্যাচাৰৰ তীব্ৰ বিৰোধীতা কৰিছিল, সেই মহন্ত-ফুকনৰ চৰকাৰে আজিকোপতি কাৰোবাক শাস্তি দিছিলে নে? নে এসময়ত তেওঁলোকে অত্যাচাৰৰ প্ৰতিবাদ কৰি ভুল কৰিছিল?

কিছুমান কথা দিনে দিনে জটিলৰ পৰা জটিলতৰ হৈ পৰিছে। তুলীয়াজানৰ 'শ্বহীদ'ৰ পৰিয়ালকো মহন্ত-ফুকনৰ চৰকাৰে ত্ৰিশহাজাৰকৈ টকা দিব আৰু প্ৰিয়নাথ গোস্বামীৰ স'তেও সোণৰ সংসাৰ পাতি থাকিব! এতিয়া প্ৰিয়নাথ গোস্বামীকেই 'দুৰ্বৃত্ত' বোলো নে শ্বহীদ-নিৰ্যাতিতসকলকেই 'দুৰ্বৃত্ত' বোলো!? যদি প্ৰিয়নাথ গোস্বামী দুৰ্বৃত্ত তেন্তে ছয়বছৰীয়া আন্দোলনৰ অভিজ্ঞতাৰে অভিজ্ঞ মহন্ত-ফুকনৰ চৰকাৰে প্ৰিয়নাথ গোস্বামীক পুলিচ বিভাগৰ উচ্চপদত বাহাল ৰাখিবই বা কিয়? আকৌ, যদি প্ৰিয়নাথ গোস্বামীৰ গুলীচালনা তথা অত্যাচাৰসমূহ প্ৰশংসাৰেই যোগ্য তেন্তে সেইসময়ৰ ছাত্ৰ সন্থাৰ সভাপতি সম্পাদক মহন্ত-ফুকনে গুলীচালনাৰ প্ৰতিবাদ বা কিয় কৰিছিল, কি যুক্তিত বা নিহতসকলক 'শ্বহীদ' ঘোষণা কৰিছিল? এতিয়া প্ৰিয়নাথ গোস্বামীও ডি-আই-জি আৰু শ্বহীদ পৰিয়ালো মহন্ত চৰকাৰৰ চকুত সহানুভূতিৰ পাত্ৰ—অসম চুক্তিমৰ্মে! কথাবোৰৰ পাক জিলাপীৰ দৰে হৈ পৰিছে। মহন্ত-ফুকনেই অত্যাচাৰৰ প্ৰতিবাদ কৰে, মহন্ত-ফুকনেই 'শ্বহীদ' ঘোষণা কৰে, মহন্ত ফুকনেই এতিয়া আকৌ প্ৰিয়নাথৰ তপ্ৰিয় হ'ব নিবিচাৰে! সাধাৰণ ৰাইজৰ অৱস্থাটো, নিৰ্যাতিত সমাজৰ অৱস্থাটো এনে হৈছে: দিনো নহয়, ৰাতিও নহয়: নৰও নহয়, সিংহও নহয়—প্ৰহ্লাদৰ বাপেক মৰে!

তুলীয়াজানৰ হত্যাকাণ্ড, মুকুলীবালা ৰায়ৰ হত্যাকাণ্ড, ৰজাবাৰী পংকাৰ হত্যাকাণ্ড, আঠাবাৰী বাগানত আকাশ বৰুৱাৰ হত্যাকাণ্ড, বেলশৰৰ হত্যাকাণ্ড, কেন্দুগুৰি চ'কৰ হত্যাকাণ্ড, মহন্ত ফুকনে আন্দোলনৰ নেতৃত্ব লৈ থকা কালছোৱাত অসমৰ চুকে-কোণে হোৱা শত শত হত্যাকাণ্ড আৰু এই হত্যাকাণ্ডসমূহৰ স'তে জড়িত হৈ থকা পশুতুল্য পুলিচবিষয়াসকলৰ বিচাৰ নকৰি আজি যদি মহন্ত-ফুকনে "অসম ১৯৮৬" প্ৰদৰ্শনী উপলক্ষে তথ্য আৰু জনসংযোগ বিভাগৰ জৰিয়তে "অতীত হেৰাই গ'ল/ তাৰ কথা অস্ত হ'ল/ মনৰ পৰাই তাক কৰা বিসৰ্জন' বুলি গীত গাবলৈ ধৰে, তেন্তে অসমৰ ইতিহাসত তেওঁলোকৰ কি স্থান হ'ব পাৰে তেওঁলোকেই ভাবি চোৱা দৰ্কাৰ। মৃত্যুৰ সংখ্যাক এক নিৰ্জীৱ পৰিসংখ্যা বুলি উপেক্ষা কৰিলে আৰু প্ৰিয়নাথ গোস্বামী, জগদীশ পাটগিৰী, মোহনৰাজ, টি-কে-নাগ, পৰেশ নেওগ খগেন্দ্ৰ নাথ, চুচেন হাজৰিকা ভাৰত দাস, পি চি দাস, অমৃত গোহাই, আনোৱাৰ আলি, শৰৎ ফুকন, দুলাল দত্ত আদিয়ে কৰা অমানুষিক অত্যাচাৰক বিচাৰৰ উৰ্দ্ধত বুলি ভাবিলে,

"দুলীয়াজানৰ 'শ্বহীদ'ৰ পৰিয়ালকো মহন্ত-ফুকনৰ চৰকাৰে ত্ৰিশহাজাৰকৈ টকা দিব আৰু প্ৰিয়নাথ গোস্বামীৰ সতেও সোণৰ সংসাৰ পাতি থাকিব!



"যদি অসম গণ পৰিষদ চৰকাৰে ইতিহাসৰ শিক্ষা নলয় তেন্তে এইবছৰ জন্ম নিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰথম পুৰস্কাৰ পোৱা স্বাস্থ্যমন্ত্ৰী চন্দ্ৰ মোহন পাটোৱাৰীয়েও অসমত সহস্ৰ উধম সিঙৰ জন্মক নিয়ন্ত্ৰণ কৰিব নোৱাৰিব।"

কুকুৰ মেকুৰীৰ দৰে পৰীক্ষিৎ বৰ্মণৰ দৰে যুৱকক হত্যা কৰি থাকিলে, হাতী চোৰক নধৰি হাতীচোৰৰ দ্বাৰা বেঙেনা চোৰক খেদি ফুৰিলে, পৰিস্থিতি কি হ'ব পাৰে সেয়া চিন্তা কৰা দৰ্কাৰ। জালিৱানৱালাবাগৰ হত্যাকাণ্ডৰ পিচত ইংলেণ্ডত জেনেৰেল ডায়াৰক পুৰস্কাৰ দিয়া হৈছিল, পদোন্নতি দিয়া হৈছিল আৰু সেই ঘটনাৰ পৰিপ্ৰেক্ষিততেই এদিন বিখ্যাত হৈ পৰিছিল উধম সিং —ইতিহাস সাক্ষী। জেনেৰেল ডায়াৰৰ বিচাৰ চৰকাৰে কৰা নাছিল, উধম সিঙে কৰিছিল। উধম সিঙে ডায়াৰক হত্যা কৰা বাবে ভাৰতবৰ্ষই আজিও সোঁৱৰে উধম সিঙক। সেইবাবেই পুৰস্কাৰৰ লোভত জেনেৰেল ডায়াৰ হবলৈ যোৱা, আইন-শৃংখলা ৰক্ষাৰ নামত জঘন্য উদ্দণ্ডালি কৰা, অসমত তেজৰ বন্যা বোৱাই দিয়া পুলিচ বিষয়াসকলৰ বিচাৰ আন্দোলনকাৰীৰ চৰকাৰ অসম গণ পৰিষদে যদি নকৰে, যদি অসম গণ পৰিষদৰ চৰকাৰে ইতিহাসৰ শিক্ষা নলয়, তেন্তে এইবছৰ জন্মনিয়ন্ত্ৰণৰ ক্ষেত্ৰত প্ৰথম পুৰস্কাৰ পোৱা স্বাস্থ্যমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়েও ং.সমত সহস্ৰ উধম সিঙৰ জন্মক নিয়ন্ত্ৰণ কৰিব নোৱাৰিব।

অইন কথা বেলেগ, যি সদৌ অসম ছাত্ৰ সন্থাই ১৯৮৫ চনত গোলাঘাটত অসম গণ পৰিষদক জন্ম দিছিল, সেই ছাত্ৰ সন্থাইয়ে ১৯৮৬চনৰ ৬/১১/৮৬ তাৰিখে অত্যাচাৰী বিষয়াৰ ওপৰত ব্যৱস্থা নোলোৱা বাবে, পুলিচী অত্যাচাৰ চলি থকা বাবে, পৰীক্ষিৎ বৰ্মনক হত্যা কৰা বাবে চৰকাৰৰ বিৰুদ্ধে অসম বন্ধ পালন কৰিলে। “আমি আন্দোলনৰ নেতা আছিলে।” —একমাত্ৰ এই অৰ্হতাৰেই অতি আয়মেৰে মন্ত্ৰী—এমএলএ হোৱাসকলে ‘অসম ১৯৮৬’ প্ৰদৰ্শনীতেই মত্ত নহৈ আন্দোলনৰ সময়ত অত্যাচাৰ কৰা অত্যাচাৰীসকলৰ বিচাৰখন সোনকালেই কৰক—এয়া আমাৰ কথা মাথো নহয়, এয়া আন্দোলনকাৰী ৰাইজৰ দাবী। ●●

## কবিতা



### লঙ্কালৈ যি যায় ...

নখ জোকাৰিছো
পাটত বহিছো
উঠ বোলোতে উঠিছিলো
এতিয়া নামো কেনেকৈ ...

মোৰ গোঁসাই ঐ নিৰুপায়
নিৰুপায় ...

দুখত কম্বল দিছো
ৰবি শস্যৰ বীজ দিছো
শ্বহীদ বেদী পাতি দিছো
শ্ৰদ্ধাঞ্জলি জনাবা
গোটেই বছৰৰ মঞ্চ সাজিছো
বিহু নাম ফাঁকি গাবা
নিজৰে উৎসৱ চাবা।

তোমাৰ বাবেই শাঁখা সিন্দুৰ
ভুল নুবুজিবা ভুল নুবুজিবা
মোৰ ঈশ্বৰ ঐ

বানত খান্দিলো আকৌ ধনশিৰি
জনমুৰি আনিলো তিনিগুণ ঋণ বিচাৰি
ডুলিয়াজানৰো ভিতত মাৰিছো টিপা
নামৰূপ পালেগৈ শিপা



জাৰ্মানী ফুলত চেপিছো মৌ
(চান্দো সদাগৰ, বণিজ্য বেহাবা!)

মাতৰ ইমান সোৱাদ নেকি
ইমান সোৱাদ নেকি ঔ!

যাঃ বুলি ঠেলিলো এই নাবায় চোৱা!
(চাই থাক চাই থাক নিলগৰ পৰা)

হেই ঔ হেঃ হেই ঔ হেঃ

(নোৱাৰো কথাটি বোপা বেয়া কথা বৰ
বেয়া কথা বৰ!)
গছত তুলি গুৰিত ঘাপ কোনেনো মাৰা
ৰাইজ ঐ ৰং নাচাবা
ৰং নাচাবা ॥

● অগ্নী চক্ৰৱৰ্ত্তী

OKDISCD

## কৃষক ৰাইজলৈ গোহাৰি

খৰাং আৰু আৱৰ্তৰীয়া বানপানীয়ে
আহু আৰু শালি ধানৰ উৎপাদনত
বিস্তৰ ক্ষতি সাধন কৰিলে ●

এই ক্ষতি পুৰাবলৈ
বৰো ধান আৰু আগতীয়া আহু ধানৰ
খেতিৰ পৰিসৰ বঢ়াবই লাগিব ●

উন্নত অনুমোদিত জাতৰ বীজ
তৎকালেই সংগ্ৰহ কৰক ●

বিশদভাৱে জানিবলৈ আপোনাৰ
ওচৰৰ কৃষি সম্প্ৰসাৰণ কৰ্মীজনক
লগ ধৰক ●

অসম কৃষি তথ্য প্ৰচাৰ শাখাৰ দ্বাৰা প্ৰচাৰিত ॥

ভূমি-সম্পত্তি খণ্ডিতকৰণ
আৰু চাকৰিৰ অভাৱৰ দিনত

বৈজ্ঞানিক ভিত্তিত
পশু-পক্ষী পালন
জীৱিকা নিৰ্ব্বাহৰ
নিৰ্ভৰযোগ্য পথ

অৰ্থনৈতিকভাৱে লাভবান হ'বলৈ
কম মূলধনেৰে
পশু-পক্ষী পালন পাম
স্থাপন কৰক ●

অসম পশু-পালন আৰু পশু চিকিৎসা বিভাগৰ তথ্য আৰু প্ৰদৰ্শনী শাখাৰ দ্বাৰা প্ৰচাৰিত ॥

# সৰিয়হ তলিৰ ভূত

নিবাৰণ বৰা

## ঃ খৰাং বতৰ আৰু বানপানী ঃ

### লেখ-জোখ নোহোৱা জনৰ দুৰ্গতি ঃ
### কাৰোবাৰ কাৰোবাৰ ভাগ্য।

কিবা মনকৰি জানো, এইবাৰ আকৌ বতৰেও গা লৰালে। পোনতে আহিল মেলেৰিয়া সদৃশ সেই বেমাৰটো; যিটোৰ বাবে তামোলপুৰৰ বিধায়ক জনে ইস্তফা দিছিলেই। বেমাৰটোনো কি ঠাৱৰ কৰাৰ আগতেই যেনিবা কেইবাশ লোকৰ প্ৰাণহানি কৰি বেমাৰটোৱে নিজেই বিদায় ললে। কিন্তু লগতে পাকমাৰি সেই বেমাৰটো আহিল যিটো অচিন—'এনকেফেলা-ইটিছ'। আগৰটো বেমাৰ হাইজা বিয়পাদি বিয়পি পৰিলত যেনিবা নতুনদিল্লী বা পচিমৰ তেনে কোনো ঠাইৰ পৰা বৰমূৰীয়া বিশেষজ্ঞ অহা মনত নপৰে কিন্তু পিছৰবাৰত 'ভাইৰেল' বেমাৰৰ বিশেষজ্ঞ কোনোবা এজন মি:মুখাৰ্জী আহি ওলাইছিলহি। মন্ত্ৰী বিষয়াৰ লগত কথাপাতি পৰামৰ্শ দি কিবা 'জাপানী বেজি' ততালিকে অনাৰ কথা কৈছিল। আমিও আকৌ এইবোৰ বাতৰি কাকতে ছালিজাৰি চপোৱা খিনিহে পঢ়িবলৈ পাওঁ। 'জাপানী বেজী' দিল্লীৰ পৰা আনিবলৈ হওঁতে আমাৰ ক্ষমতাপ্ৰাপ্ত, মুধাফুটা সকলেই গৈছিল। 'জাপানী-বেজী' আমাৰ মুলুক পালেহি নে নাই সেই খবৰটো আৰু বাতৰি কাকতত ছপা নহ'ল। আমি মখাই কথাটো গম নাপালো। বাতৰি কাকতকেইখন জানো কম! সাধুকথাটোৰ শেহৰখিনি সদায়েই বাদ দিয়ে। সেইখিনি বিতৰ্কৰ বাবে এৰি থয়নেকি? পিছে বেমাৰটো হেনো বতাহেহে কঢ়িয়ায়। এতেকে একে ঠাইতে ৰই নাথাকে। পৰেক দিন মান কটাই, গ'লগৈ। পশ্চিমবংগ পালেগৈ। তাত আকৌ স্বাস্থ্য মন্ত্ৰীজনে 'জাপানী বেজীৰ' কথা নকলে। কলে বোলে বেমাৰটো আৰোগ্য কৰিব পৰাবিধৰ নহয়। এতেকে আমাৰ কৰণীয় তাকৰ। দিল্লীলৈ নগল। তাৰপৰাও যেনিবা বেমাৰটো গ'লগৈ। এইবোৰৰ বাবেনো চৰকাৰটোক জগৰীয়া কৰিবনে?

বেমাৰকিটাই বিদায় ল'লেহে হয়, আকৌ পাকমাৰি আহিল খৰাং বতৰ। হওঁতে সঠিক একুৰি বছৰ আগেয়েও আহিছিল এনে বতৰ। আহুখেতিটো সমূলঞ্চে নষ্টকৰি শালিখেতিৰ আগবতৰটো বাব-কুব নোৱাৰা কৰি দিলে। চৰকাৰটোৰ বাবেনো কমটো বিপদনে? এনেয়ে চালুকীয়া, তাতে কথাবোৰ চমজি লৱলৈওতো এটা সময় লাগে। চমজি লৈছেহে মাথোন এনেতে আহিল হৰ্ হৰ্কৈ বানপানী। চৰকাৰখন চালুকীয়া হলেও সচিবালয়টো পুৰণি, বিষয়া আমোলা সকল অভিজ্ঞ, সমজ্দাৰ। এতেকে দিহা পৰামৰ্শ গ্ৰহণ কৰিবলৈ অসুবিধা হোৱাৰ কথা নহয়। খৰাং-বতৰত দুৰ্গতিগ্ৰস্ত, পীড়িত লোকসকলৰ সাহাৰ্য্যৰ বাবে ততালিকে আচঁনি তৈয়াৰ কৰা হ'ল। ছপা কৰা হ'ল আৰু ৰাজীৱ ডাঙৰীয়াৰ দৰবাৰত পেশ কৰা হ'ল তদৰ্থ সাহাৰ্য্যৰ বাবে ৬৫·৫২ কোটি টকা। সাহাৰ্য্য দানৰ বাবে আচঁনিখন যে নিখুট তাত সন্দেহ নাই; যদিও অতি কম সময়ৰ ভিতৰতে তৈয়াৰ কৰা আচঁনি নিশাটোৰ ভিতৰতে প্ৰস্তুত কৰা বুলি ধৰক। আচঁনিখনত কোৱা হৈছে—

OKDISCD

"There are reports of distress sales of moveable property like poultry, cattle, goats etc. at throw away prices in the affected areas; reports of mortgage of landed property due to distressed condition. The population in valued is 7·50 lakhs. It would be necessary to support them by the State Govt. by extending gratuitons relief during the lean season of three months till next harvest.

The State Govt's scale of gratuitons relief on average for adult and minor is Rs. 3 per day per head. The requirement of fund for gratuitons relief during is Rs. 20·50 crores."

অসমৰ ৭'৫ লাখ মানুহে পানীৰ দামত হাঁহ, পাৰ, কুকুৰা, গৰু-ছাগলী বেচিবলৈ বাধ্য হোৱাৰ উপৰিও ভেটি-মাটি, খেতি-মাটি বন্ধকত দিব লগা হ'ল। বৰ তাকৰ কথা নহয়। বাতৰি কাকতবোৰত কথাটো ইমান গুৰুতৰ বুলি প্ৰচাৰ কৰা নাছিলনেকি?

উপৰোক্ত দাবীটো ৰাজ্যৰ ৰাজহ দপ্তৰে কৰা দাবী। ইয়াৰ উপৰিও কৃষি দপ্তৰৰ বাবে দাবী কৰা হৈছে ১৫ কৌটি ৫ লাখ ৪৫ হাজাৰ। জলসিঞ্চন বিভাগৰ বাবে ১৩ কোটি ৫৪ লাখ ২৬ হাজাৰ। গ্ৰাম্য উন্নয়ন বিভাগৰ বাবে ১৬ কৌটি আৰু মীন বিভাগৰ বাবে ৫২ লাখ ৫০ হেজাৰ টকা। আঁচনিখনত কোৱা হৈছে যে—

১। দুখীয়া আৰু উপান্ত খেতিয়কৰ সৰ্বমুঠ ৯ লাখ হেক্টৰ মাটিত প্ৰতি হেক্টৰত ২৫ কেজিকৈ পটাছ সাৰ চটিয়াবলৈ প্ৰতি টনে ১৩০১ টকাকৈ মুঠ আৱশ্যক ২২,৫০০ মেট্ৰিকটন সাৰৰ মূল্য বাৱদ ২ কোটি ৯২ লাখ ৫০ হেজাৰ টকাৰ আৱশ্যক। ইয়াৰ শতকৰা ৫০% ভাগ অৰ্থাৎ একেকোটি ৪৬ লাখ ২৫ হাজাৰ টকাৰ সাৰ খেতিয়ক সকলক বিনামূলীয়াকৈ দিয়া হ'ব।

২। ১০০ খন চৰকাৰৰ নিজা ট্ৰেক্টৰেৰে ২০.০০০ হেক্টৰ মাটি প্ৰতি হেক্টৰে ৩৭৫ টকা ব্যয় বাবদ বিনামূলীয়াকৈ চাহ কৰি দিয়া হব। মুঠ ব্যয় ২০,০০০ × ৩৭৫ = ৭৫ লাখ।

৩। ভাড়া বাবদ প্ৰতি হেক্টৰে ৪৭৫ টকাকৈ ১০,০০০ হেক্টৰ মাটি বিনা-মূলীয়াকৈ চাহ কৰি দিয়া হব। মুঠ ব্যয় ১০,০০০ × ৪৭৫ = ৪৭'৫ লাখ।

৪। সেউজীয়া বুটখেতিৰ বাবে ১৩ লাখ ৭৫ হাজাৰ টকা লাগে। ইয়াৰ ৭৫% ভাগ বিনামূলীয়াকৈ দিয়া হব: ১০ লাখ ৩১ হাজাৰ ২৫০ টকা। তেনেকৈয়ে—

৫। কলা বুটমাহ খেতিৰ বাবে ৭৫% ৰেহাইদি ৬০ লক্ষ টকাৰ ভিতৰত ৪৫ লক্ষ টকা দুৰ্গত ৰাইজক দিয়া হব।

৬। মটৰ মাহ খেতিৰ বাবদ লাগে ৩ কোটি টকা। ইয়াৰ ২ কোটি ২৫ লাখ ৰেহাই।

৭। মাটি মাহ খেতিৰ বাবে ২৭ লাখ টকা। ৭৫% ৰেহাইৰ পৰিমান ২০ লাখ ২৫ হাজাৰ।

৮। বুট মাহৰ খেতি উঠিলে সৰিয়হ খেতিৰ বাবে লাগে ৯৯ লাখ টকা। ৭৫% ৰেহাইৰ পৰিমান ৭৪ লাখ ২৫ হাজাৰ।

৯। যেহু খেতিৰ বাবদ সৰ্ব্বমুঠ তাগিদা ১ কৌটি ৮০ লাখ টকা ৭৫% ৰেহাই হাৰে—।

১০। অসমত সচৰাচৰে খেতি নকৰা খাদ্যজাত খেতি "ট্ৰিটিকেল" আৰু "চৰঘম" (Triticale and sorghum) ৰ বাবে ১০ লাখ টকা। সম্পূৰ্ণ বিনামূলীয়া সাহায্য।

১১। শস্যক— পোক পৰুৱাৰ পৰা ৰক্ষা কৰিবৰ বাবে ১ লাখ হেক্টৰ মাটিত বিনামূলীয়া সাহায্য প্ৰদানৰ বাবে লাগে প্ৰতি হেক্টৰে ১৫০ টকাকৈ ১ কৌটি ৫০ লাখ টকা।

জলসিঞ্চন দপ্তৰৰ দাবী হ'ল ১৩ কৌটি ৫৪ লাখ ২৫ হাজাৰ টকা। দাবীৰ কাৰণ হ'ল শালি খেতিৰ বতৰত পানীৰ যোগান ধৰিবৰ বাবে ৭০ লাখ। ৰবি শস্যৰ সময়ত পানীৰ যোগানৰ বাবে ৩২ লাখ টকা। নিয়োগ সৃষ্টি আচনিৰ বাবে (Employment generating schemes by the Irrigation dept.) ২ কোটি ৫২ লাখ ২৬ হাজাৰ টকা। ধনশিৰী, চম্পাৱতী আৰু অন্যান্য চালু (on going) কাম কাজৰ বাবে আৱশ্যক ১০ কোটি টকা।

মীন বিভাগৰ দাবী ৫২ লাখ ৫০ হাজাৰ টকা। মীনবিভাগৰ হিচাপটো সৰহ সহজ। বাকীকিটা দাবীৰ হিচাব বুজিবলৈ বহুত মেথা লাগিব।

OKDISCD

কামৰূপজিলাত ৪ খন মাছ পোৱালী জীয়নিয়া ফাৰ্ম আছে হেনো- চিদ ফাৰ্ম (seedfarm) ১। উলুবাৰী চীড্ ফাৰ্ম —২.৫০ হেক্টাৰ ২। বকো চীড্ ফাৰ্ম—০.৫ হেঃ ৩। আমবাঙা চীড্ ফাৰ্ম ১.৪৭হেঃ ৪। বৰ্ডিয়া চীড্ ফাৰ্ম।

নলবাৰী জিলাত মাথোন এখনেই চীড্ ফাৰ্ম আছে হেনো। বাস্কা চীড্ ফাৰ্ম ১ হেঃ।

দৰং জিলাত ২খন চীড্ ফাৰ্ম আছে হেনো। পছুপাৰি আৰু বাটিমাৰি। দুয়োখনেই ০.৫ হেঃৰ।

শোনিতপুৰ জিলাত আছে হেনো মাত্ৰ এখন—হাজৰা চীড্ ফাৰ্ম— ৩.২৩ হেঃ।

নগাওঁ জিলাত আছে এখন- জৰাপুখুৰী চীড্ ফাৰ্ম—২.৪ হেঃ। যোৰহাটৰখনৰ নাম নলটলি চীড্ ফাৰ্ম—১হেঃৰ। ডিব্ৰুগড় জিলাত আছে দুখন—হাটখোলা আৰু কাক- পথাৰত যথাক্ৰমে ১.২২হেঃ আৰু ২.০৫হেঃৰ।

কাৰ্বি আংলং জিলাত থকা ফাৰ্মখন বোকাজানত—১.৫৬হেঃ। উত্তৰকাছাৰ জিলাখনৰ নাম হালিখালি। সৰু ফাৰ্ম—০.৫হেক্টৰৰ। অসমত সৰ্ব্বমুঠ ২১.৩৬ হেক্টৰৰ ১৪ খন চীড্ ফাৰ্ম আছে। এই চীড্ ফাৰ্ম বোৰত কমেও ৯০ চেঃমিঃ পানী ধৰি ৰাখিবৰ বাবে দ-নলীনাদৰ প্ৰয়োজন। ব্যয় এনেধৰণৰ — নলীনাদৰ বাবদ ব্যয় ২ লাখ ৭৫ হাজাৰ টকা, জেনেৰেটৰ আৰু জেনেৰেটৰ ৰখা ঘৰ তৈয়াৰ বাবদ ১লাখ টকা, মুঠ ৩ লাখ ৭৫ হাজাৰ × ১.৪ = ৫২.৫০ লাখ টকা। গ্ৰাম্য উন্নয়ন দপ্তৰৰ দাবী ১৬ কোটি। কৈফিয়ৎ এনেধৰনৰ—

About one lakh fifty thousand families have badly suffered as a result of drought. It is proposed to provide employment to one able bodied person in each family for one hundred days, For this purpose it would be necessary to provide for an amount of Rs 18 crores for wage component alone. Rs 2 crores would be met from the existing Budget of the Rural Development Department. Rs 16 crores would therefore be necessary as on additional amount for generating employment for these families affected by drought. The amount would be spent for creating job apportunities under NREP.

পৰিয়াল ভিত্তিক আচঁনি, কিন্তু পৰিয়ালৰ সংখ্যাটো নাই। মুঠ জনসংখ্যাটো ১.৫ লাখ। ২০০ দিনৰ চাকৰী N R E Pৰ মাৰফৎ। ফিচাৰী বিভাগৰ হিচাবৰ দৰে নহয় জটিল।

ৰাজহ বিভাগৰ ধনখিনি আহি পালেহি দুটা কিস্তিত। ১২.৫ কোটি আৰু ৮ কোটি। ভাগ-বতৰাওঁ হৈ গল। সেই ভাগ-বতৰা হোৱা কিদিন হেনো দিছপুৰত উঠুলি মুঠুলি, দলদোপ হেন্দোলদোপ, উখল-মাখল। বাকীখিনি ধন আহিলনে নাই, ? নে কেতিয়া আহিব ?

অসমচৰকাৰে কেন্দ্ৰীয় চৰকাৰক ২৬ আগষ্ট ১৯৮৬ তাৰিখ প্ৰদানকৰা স্মাৰক পত্ৰখনত কোৱা কথা যদি সচা হয়; (মিছা হবৰ কাৰণ নহয়। খৰাং হোৱাটো সঠিক বতৰা আৰু বজাঘৰে-বজাঘৰে পতা কথাতনো মিছাকথা সোমাই থাকিব পাৰেনে ?) তেন্তে যেনোৱোৰে ৰাকৈয়ে দাওঁ মাৰিলে—পানীৰ দামতে হাইঁ পাৰ কুকুৰা খালে। পানীৰ দামত গৰু ছাগলীও হাত কৰিলে। তদুপৰি দুখীয়া নিচলাৰ বন্ধকীবাবদ মাটিও হাত কৰিলে। ৰাজহ বিভাগে দিয়া টকা কিটাৰে (যদিহে সচাকৈয়ে যথাযথ ভাবে দিছে, কাৰণ ধন ৰাজীবৰ খোজাৰ গৰাকী প্ৰফুল্ল, টকাবিলোৱাৰ মালিক মণ্ডল) বন্ধকী মাটি মোকোলাবৰ সাধ্যনাই, দুকুলাবগৈ। এতেকে দাও মৰাই মাৰিলেই। চৰকাৰী টকা বিনামূলী- য়াকৈ দিয়া টকা, বিলোৱাৰ বেলিকাও পিছে সদায় কেৰোনে দেখা দিয়ে। গৈ গৈ ধন সউ ত'ত আছল ঠাই নেপালেগৈয়ে। মন্ত্ৰীবোৰ নতুন হলে কি হব, সেই বাকীজাক আগৰ জাকেই। আকৌ এওলোকৰো-নতুন মন্ত্ৰীসখালো কথা শুনো মাজে মাজে। মিছাকৈয়ে ৰটনা কৰে নেকি ? পিছে এটা কথাতহে মনটো হওঁতে খু— দুৱাই দেই সেই বাজেটৰ ধন ২৬৯১ কোটি ব্যয় কৰিবৰ বাবে আমোলা বিষয়া মন্ত্ৰীসকলৰ বক্তৃতাহে শুনো, উখল-মাখল নেদেখো। কিন্তু

OKDISCD

২০.৫ কোটি আহিলতে (শুনা কথাহে আকৌ দেই) দিছপুৰত হেনো যিটোহে উখল-মাখল, দলদোপ হেন্দোলদোপ উতুলি মুতুলি! কিবা এটা যে হৈছে ধৰিব পাৰি। খালি ধৰিব নোৱাৰি ঘটনাটোৰ চৰিত্ৰ। আমাৰো আকৌ বিপদ সেইখিনিতহে।

আমোলা বিষয়া সকলৰ বহুদিনৰ অভ্যাস কাম কৰাৰ তুকুৰি বছৰৰো বেচি। ১৯২১ চনৰ পৰা তিনিকুৰি বছৰেই ধৰক। জৰুৰী অৱস্থাত কাম কৰিবৰ বাবে এখেত সকল নিপুন। সেইবাৰ ইন্দিৰাগান্ধী বোলা বৰৰজা জনে জাপি দিয়া সেই ১৮ মহীয়া জৰুৰী কালিন অৱস্থাত কেনে চমজ্-দাৰৰ দৰে কাম কৰিলে সকলোৰে জনা আছেই। ৮৩-৮৫ ৰ চোৱাও জৰুৰী অৱস্থাই বুলি ধৰক। অসমত এই ভোট-ভাট সোপা হৈ আহুকাল হ'ল। ৰাজীৱেও জৰুৰী অৱস্থা ঘোষনা নকৰা হল। মন্ত্ৰীসকলোৰো সালসলনি হৈ থাকিল। পিছে খোদাৰ ৰেহেম কলৈ যাব। কোনোবাই মনেমনে কৰবাত চাকি বন্তি, কেন্দেল জলাইছিল দেই। কামত দিলে। আমিও পিছে কমখন চাকিবন্তি জলালোনে? আমাৰ বেল্লিকাহে কামত নাহিল।

টোকা ঃ

মীনচীড্ ফাৰ্মবোৰ ক'ত কেনেকৈ আছে দেখা নাই। সেই উলুবাৰীৰ চীড্ ফাৰ্মখন যদি আমি দেখাখনেই আৰু ভবামতেই যদি হয়—সেইখন ফাৰ্ম কালিকা লগা। সেইখন চীড্ ফাৰ্ম লেণ্ড-চিলিং আইনৰ বেলিকা পুখুৰী ফাৰ্ম। বেচিবৰ সময়ত পুখুৰী নহয় মাটি—। এতিয়া তাত ষ্টেট বেংকৰ কেইবা মহলা ঘৰ উঠিছে। সেইটো, কালিকা লগা পুখুৰীটো, ৰাজহ মন্ত্ৰীৰ নিজা ঘৰৰ গাতে লাগি আছে আৰু আইন মন্ত্ৰীৰ ঘৰৰ সন্মুখতে। পুখুৰী আৰু মাটি আছিল আমাৰ এজনৰ। উপাধি সচৰা আমাৰ ভাগৰে। পিছে চিলিং আইনৰ মোকৰ্দমা চলি থাকোতে কোনোবা সেই সিবিধ মানুহৰ ওচৰত বিক্ৰি কৰি দিলে—জৈন সম্প্ৰদায়ৰ লোকৰ হাতত। তাৰ পিছতো আৰু কিবা কিবি হল। একো নহল। পৰিবৰ্ত্তে—ষ্টেট বেংকৰ বহুমহলীয়া ঘৰ উঠিল তাত। ৰাজহ মন্ত্ৰী আৰু আইন মন্ত্ৰী দুয়োজনকে ৰাইজে বহু প্ৰাৰ্থনা নিবেদন কৰিলে, হস্তক্ষেপৰ বাবে একো নহল। সেই কালিকা লগা পুখুৰীটোৰ কথাই যদি হয়—তেতিয়া হলে — ফিৰচে্ অউৰ এক দান্।'

মাহেকীয়া ব্ৰহ্মপুত্ৰ লৈ

**শুভেচ্ছাৰে--**

সকলো ধৰণৰ উৎকৃষ্ট মানৰ ছপাকামৰ নিৰ্ভৰযোগ্য প্ৰতিষ্ঠান

**পাঠশালা প্ৰিণ্টাৰ্ছ**

পঞ্জীয়ন নং — ০০১৬৩

পাঠশালা, লাচিত নগৰ, অসম

পিন— ৭৮১৩২৫

OKDISCD

উভৈটি চাওঁ

* তিলক হাজৰিকা

# শিয়ালৰ হোৱা

[ মন্ত্ৰীৰ কাৰ্যালয়। মন্ত্ৰী বৰ ব্যস্ত। মাজে মাজে মানুহ আহি আছে—ৰাজ্যৰ নানা কথা লৈ। মন্ত্ৰীয়ে সেইবোৰৰ বক্তব্য শুনিছে।……… মন্ত্ৰীয়ে কলিং বেলটো বজাই দিলে আৰু চাপ্ৰাচীয়ে দুৱাৰখন খুলি হাজিৰ হ'লহি। ]

মন্ত্ৰী—চাপ্ৰাচী, এই ফাইলবোৰ লৈ যা আৰু ছেক্ৰেটৰীৰ টেবুলত আজিৰ যিবোৰ ফাইল ৰেডী হৈছে লৈ আহ। ছেক্ৰেটৰীক মাতিছো বুলি কবি।

[ চাপ্ৰাচী যায় আৰু ক্ষন্তেক পিচতে ছেক্ৰেটৰী সোমাই আহে। ]

ছেক্ৰেটৰী—মোক মাতিছিল ছাৰ!

মন্ত্ৰী—ওঁ। আপোনাক যে কালি Statement টো re pare কৰিবলৈ দিছিলো, হ'লনে ?

ছেক্ৰে—[ কৈফিয়ৎ দিয়াৰ চেষ্টা কৰি ] নাই হোৱা ছাৰ মানে……

মন্ত্ৰী—হোৱা নাই ? কি কৰি আছে তেনেহ'লে ?

ছেক্ৰে—নহয় ছাৰ, হৈছে ; মানে……

মন্ত্ৰী—তেনেহ'লে লৈ আহক। কি লিখিছে মই চাওঁ।

ছেক্ৰে—নহয় ছাৰ, মানে Complete হোৱা নাই। আৰু অলপ বাকী আছে।

মন্ত্ৰী—বাকী আছে। কি বাকী আছে ?

ছেক্ৰে—কেইটামান reference ছাৰ। Dealing clark কেইজনলৈ সেইবোৰ বিচাৰি এটা note পঠাবলৈ দিছো ছাৰ, Head Assistant-অক …

মন্ত্ৰী—[ মন্ত্ৰীৰ খং উঠে ] এটা Statement তৈয়াৰ কৰিবলৈ কেইদিন সময় লাগে আপোনালোকক ? আপোনালোকে অফিচত অফিচৰ কামেই কৰে নে আন কিবা কামো কৰে ?

ছেক্ৰে—নহয় ছাৰ, মানে procedure মতেহে……

মন্ত্ৰী—এইবিলাক কাৰণেই আমি criticism-ৰ হাত সাৰিব নোৱাৰো। সকলোতে কেৱল সমালোচনা হয় যে চৰকাৰী অফিচত কোনো কাম নহয়, কোনেও কাম নকৰে। এইবিলাক সমালোচনা আপোনালোকে কেনেকৈ মুই কৰিব ?

ছেক্ৰে—হয় ছাৰ। অফিচিয়েল Procedure-বিলাক বুজি-বাজি নোচোৱাকৈয়ে সকলোৱে কেৱল দূষিব খোজে। সেইবিলাক side গমি চাইহে আমাৰ কামৰ দায়িত্ব বুজিব লাগে ছাৰ!

মন্ত্ৰী—বাৰু, আপুনি Statement টো সোনকালে কৰি আনক। সোনকালেই মানে আজিয়েই। যাওক।

ছেক্ৰে—ভাল ছাৰ।

মন্ত্ৰী—অ' আৰু শুনক। Statement-টোত আমাৰ উৎপাদন আঁচনিখনৰ কথাও উল্লেখ কৰিবলৈ দিছিলো নহয় ?

ছেক্ৰে—হয়।

মন্ত্ৰী—কৰিব। যোৱা পাঁচ বছৰৰ তুলনাত এতিয়া যে উৎপাদন বেছি হৈছে আৰু খেতিয়কসকলে যে সৰহ খেতি কৰিবলৈ উৎসাহ বেছিকৈ পাইছে সেই কথাটো অলপ বহলাই প্ৰকাশ কৰিব।

ছেক্ৰে—ভাল ছাৰ।

মন্ত্ৰী—কথাটো ভালকৈ বুজিব পাৰিছেনে ? মানে, আপুনি Note-টোত কথাখিনি এনেকৈ লিখিব যাতে মানুহে বুজি পায় যে আগৰ Ministry-ৰ দিনতকৈ মোৰ দিনতেই কাম বেছি হৈছে। বুজিলে ?

ছেক্ৰে—হয় ছাৰ।

মন্ত্ৰী—যাওক এতিয়া। অ' আৰু এটা কথা। চৰকাৰী ঋণ টিন দিয়া, বিনামূলীয়া সাহায্য দিয়া—এই কথাবোৰ একো নকৰ। পইচাৰ নাম শুনিলেই মানুহে কেৱল সৰকোৱাৰ তালতে থাকে। মোৰ আঁচনিখনত Voluntary effort অৰ্থাৎ স্বেচ্ছা-মূলক প্ৰচেষ্টাতহে জোৰ দিব। বুজিলে নহয় ? যাওক, সেইমতেই এতিয়া লিখি আনকগৈ।

ছেক্ৰে—ভাল ছাৰ।

[ ছেক্ৰেটৰী যায়। পিচতে চাপ্ৰাচী

সোমাই আহে। ]

চাপ্ৰাচী—হুজুৰ, এক আদ্‌মি চালাম দিয়া হায়।

মন্ত্ৰী—কেনেকুৱা মানুহ।

চাপ্ৰাচী—হুজুৰ, লীডৰ যেইচা মালুম হোতা হায়।

মন্ত্ৰী—যা, আহিবলৈ দে।

[ গকুল বেজবৰুৱা সোমাই আহে ]

বেজবৰুৱা—নমস্কাৰ ছাৰ।

মন্ত্ৰী—অ', নমস্কাৰ। বহক। কওকচোন আপোনাৰ কি সকাম আছিল ?

বেজবৰুৱা—ছাৰ, মোৰ নাম গকুল বেজবৰুৱা। মই নাহৰগুৰি গাঁও উন্নয়নী সভাৰ সভাপতি।

মন্ত্ৰী—আপোনাৰ অহাৰ উদ্দেশ্য কওক-চোন। চমুৱাই কব।

বেজবৰুৱা—ছাৰ, আমাৰ বাৰ্ষিক অধিবেশন উদ্বোধনৰ বাবে আপোনাক আমন্ত্ৰণ কৰিবলৈ আহিছো।

মন্ত্ৰী—কি অধিবেশন ?

বেজবৰুৱা—আমাৰ গাঁও উন্নয়ন সভাৰ বাৰ্ষিক অধিবেশন ছাৰ।

মন্ত্ৰী—ঠাইখন কোনখিনিত ?

বেজবৰুৱা—আপোনাৰ ওচৰৰ সমষ্টিতে; পিচে গাঁৱলীয়া ঠাই ছাৰ। অলপ ভিতৰ ফালে।

মন্ত্ৰী—গাড়ী যায়নে তাৰৈ ?

বেজবৰুৱা—যায় ছাৰ। গৰু ম'হৰ গাড়ী সেইবোৰ বাটেৰে গৈয়েই থাকে।

মন্ত্ৰী—( ভেকাহি মাৰে ) নহয় হেৰি, মটৰ যোৱাৰ কথাহে কৈছো।

বেজবৰুৱা—অ' তেনেকৈ মটৰ গাড়ী যোৱা বাট নাই ছাৰ। কিন্তু জীপ-গাড়ী যাব পাৰিব নে !

মন্ত্ৰী—এহ্‌ তেনেকৈনো যাব পাৰিনে!

বেজবৰুৱা—নহয় ছাৰ ! আপুনি যোৱা বুলি জানিলে ৰাইজে বৰ আনন্দ পাব। লাগিলে মটৰ যাব পৰাকৈ ৰাইজে ৰাটটোও বান্ধি পেলাব।

মন্ত্ৰী—কিন্তু গাঁও উন্নয়ন সভা উদ্বোধন কৰিবলৈ মন্ত্ৰীনো যাব লাগে কিয় ? স্থানীয় কোনোবা নেতা এজনক ধৰিলেই হয় দেখোন।

বেজবৰুৱা—আমাৰ সেইবোৰ ঠাইলৈ কোনো ডাঙৰ মানুহ নাযায়েই ছাৰ। আপোনালোক গ'লে ৰাইজে বৰ উৎসাহ পায়। ৰাইজে নিজে বহু কাম কৰিছে। সেইবোৰ চাই দুষাৰ ভাল কথা কবলৈকো কোনো নাযায় ছাৰ।

মন্ত্ৰী—ৰাইজেনো কি বিলাক কাম কৰিছে ?

বেজবৰুৱা—ছাৰ, কাৰো সহায় নোলো-ৱাকৈ আমি ৰাট-পদূলি সাজিছো, মথাউৰি বান্ধিছো, স্কুলঘৰ-লাইব্ৰেৰী কৰিছো, মাছৰ পুখুৰীও কৰিছো ! আৰু ছাৰ সৰু সুৰাকৈ হলেও গাঁৱ-লীয়া শিল্পৰ কাৰখানা খুলিবলৈ চেষ্টা কৰিছো।

মন্ত্ৰী—বেছ বেছ। এইবোৰ বৰ ভাল কাম হৈছে। মই বৰ ভাল পাইছো। পিচে মোৰ বহুতো জৰুৰী কাম আছে। সেইবাবে ৰাজধানী এৰি যোৱাটো বৰ্তমান সম্ভৱ নহ'ব। চাওক, আমিবোৰে সৰু সুৰা সভা-সমিতিত ঘুৰি ফুৰিলে দেশৰে ক্ষতি হ'ব। ৰাণী এটাকে লৈ যাওক। সভাত ৰাইজক পঢ়ি শুনাবগৈ। বাৰু, মই এজন কৰ্মচাৰীক আপোনালোকৰ কাম চাবলৈ পঠাম।

[এনেতে চাপ্ৰাচীটো মন্ত্ৰীৰ কোঠালৈ সোমাই আহি কয়। ]

চাপ্ৰাচী—হুজুৰ, আউৰ এক জানানা চালাম দিয়া হায়।

মন্ত্ৰী—যা, আহিবলৈ ক। বাৰু, বেজবৰুৱা আপুনি তেনেহ'লে এতিয়া উঠক। মোৰ কাম আছে।

বেজবৰুৱা—ভাল ছাৰ, নমস্কাৰ।

মন্ত্ৰী—নমস্কাৰ।

[বেজবৰুৱা দুৱাৰেদি ওলাই যোৱাৰ লগে লগে এগৰাকী মহিলা সোমাই আহে।]

মহিলা—নমস্কাৰ।

মন্ত্ৰী—নমস্কাৰ, বহক।

মহিলা—মোক আপুনি চিনি নাপাব। মই নগৰ মহিলা ক্লাবৰ এগৰাকী সদস্যা। আপোনাৰ পৰিয়ালেহে মোক ভালকৈ চিনি পায়। আমি সমাজ সেৱাৰ কামত প্ৰায়ে একেলগ হওঁ।

মন্ত্ৰী—(আত্মীয়তা আৰু ঘনিষ্ঠভাৱেৰে) হয় নেকি ! বেচ্‌ বেচ্‌, মোৰ wife-অৰ লগৰে যেতিয়া আমি freely কথা পাতিব পাৰো। কি বোলে !

মহিলা—হয়, নিশ্চয় পাৰে।

মন্ত্ৰী—পিচে মই কি কৰিব পাৰো কওকচোন।

মহিলা-আমাৰ ক্লাবৰ তৰফৰপৰা কাইলৈ Dance show এটাৰ আয়োজন কৰিছে।

মন্ত্ৰী—বেচ, কোনে কোনে নাচিব ? কি নাচ হ'ব ?

মহিলা—মোৰ ছোৱালীজনীয়ে কাইলৈ dance show দিব খুজিছে District Library-ত। তাই মাদ্ৰাজত ভাৰত নাট্যম নাচ শিকি আহিছে নহয়। এইটো তাইৰ প্ৰথম শ্ব। তাইৰ যাতে নাম-যশস্যা তাৰ বাবেই আপোনালোকৰ সাহায্য বিচাৰিছো।

মন্ত্ৰী—কি সাহায্য দিম কওকচোন।

OKDISCD

মহিলা—আমাৰ শ্ব'ত আপোনাৰ পৰিবাৰে ইতিমধ্যেই মুখ্য অতিথি হিচাপে থাকিবলৈ কথাও দিছে। এতিয়া মাথোন আপুনি অনুগ্ৰহ কৰি উদ্বোধন কৰিবলৈ সন্মতি দিব লাগে।

মন্ত্ৰী—বাৰু বাৰু কোনো কথা নাই। মই যাম। মাথোন সময়মতে মোক লৈ যাবলৈ আপোনালোকৰ নেতৃস্থানীয় কেইগৰাকীমান মহিলাক পঠাব।

মন্ত্ৰী—এইদৰে কিয় আগবঢ়াই নিবলৈ কৈছো জানে নহয়। মানে কোনেও গম নোপোৱাকৈ সময়তকৈ আগতে গৈ উপস্থিত হ'লে মানুহে আমাক টিকট কিনি শ্ব' চোৱা সাধাৰণ দৰ্শক বুলি ভাবে। আৰু নাচ-গানত পাগল বুলি ভাবিব পাৰে। [ হাঁহে ] কিন্তু নাচ-গান কোনেনো বেয়া পায়। মন্ত্ৰী হ'লো বুলি কিবা ফুৰ্তি কৰিবও নাপায়নে? আচলতে বুজিছে, নাচ-গানত, মোৰ বৰ ৰাপ। সৰুতে যাত্ৰা পাৰ্টিত চোকোৰা নাচি কেবাটাও মেডেল পাইছিলো। মোৰ কঁকালটো মন্ত্ৰী হোৱাৰ পিচতহে ইমান ডাঙৰ হ'ল—আগতে বৰ চিঞা আছিল নহয়।

মহিলা—জানি বৰ ভাল পালো। আপুনি যে এজন শিল্পী আছিল আগতে জনাই নাছিলো। বৰ ভাল হ'ল আপোনাৰ দৰে নাচ-গানৰ গুনী এজনৰ হতুৱাই আমাৰ ভাৰত নাট্যমৰ শ্বৰ উদ্বোধন কৰিবলৈ পাই।

মন্ত্ৰী—আজি-কালি যে এই ভাৰত নাট্যম বোলা নাচটো ওলাইছে, আচলতে গুৰিত আমাৰ দিনৰটোৱেই। সেই একেটাই নাচ—বিহুকে বোলক বা বঙলুৱাকে বোলক। বৃটিছ যোৱাৰ পিচতহে নাচটো দুভাগ হ'ল। এভাগ যেনিবা ভাৰত নাট্যম হ'ল আৰু সিভাগ পাকিস্তান নাট্যম হ'ল। আজি-কালি যেনিবা আমাৰ দিনতকৈ গাৰ জোকাৰ-পোকাৰবিলাক বেছি হ'ল। কিন্তু আমাৰ নিচিনা পাকঘূৰণি আজি-কালি কেইটাই দিব পাৰিব?

মহিলা—[ মন্ত্ৰীৰ প্ৰগলভতা আৰু জ্ঞানৰ দৌৰ দেখি হাঁহি ৰাখিব নোৱাৰি ডাঙৰকৈ হাঁহি দিয়ে ]

মন্ত্ৰী—পাৰিবনে কওকচোন? পাৰকচোন বাৰু চাওঁ।

মহিলা—[ হাহি ] নাই, ক'ত পাৰিব? ভাল বাৰু, মই এতিয়া যাওঁ। আপোনাৰ বহুত মূল্যবান সময় নষ্ট কৰিলো। (যাবলৈ উচ্পিচ্ কৰে)

মন্ত্ৰী—এহ্, যায়েইনে? বহকচোন বহক। মোৰনো কি কামবোৰ নষ্ট হৈছে! ছেক্ৰেটৰীবিলাকেহে মোৰ কামবোৰ কৰে। লাগিলে আৰু কেটামান লম—কি আছে! বুজিছে, আৰ্টৰ বিষয়ে কথা পাতিবলৈকে কোনো মানুহ নাই। আপোনাৰ লগত কথা পাতি আজি বৰ ভাল লাগিছে। (চাপ্ৰাচীয়ে দুৱাৰ খুলি সোমাই আহে)

চাপ্ৰাচী—হুজুৰ, ৰাহাৰ্ম ৰামৰতন বাবুজী চালাম দিয়া হায়।

মহিলা—(যাবলৈ উচ্পিচাই থকাৰ পিচত এই ছেগ পাই একে কোবেই থিয় হৈ মাত লগায়) সেয়া, আপোনাক লগ পাবলৈ আন মানুহো বৈ আছেহি। গতিকে মই এতিয়া উঠো-মোৰো শ্ব'ৰ বহুত কাম কৰিবলৈ আছে।

মন্ত্ৰী—বাৰু তেন্তে যাওক। কেতিয়াবা আকৌ এই বিষয়ে কথা পাতিবলৈ আহিবচোন।

মহিলা—ভাল নিশ্চয় আহিম। নমস্কাৰ।

মন্ত্ৰী—নমস্কাৰ। (মহিলাগৰাকী ওলাই যায়) চাপ্ৰাচী, যা মাতি আন ৰামৰতন বাবুজীক।

ৰামৰতন—(সোমাই আহে) ৰাম ৰাম মিনিষ্টাৰ চাহাব।

মন্ত্ৰী—ৰাম ৰাম ৰামৰতনবাবু। আহক। আপোনাৰ ভাল?

ৰামৰতন—হনুমান্জীৰ কিৰ্পাত বহাল আছো, ছাৰ।

মন্ত্ৰী—আপোনাৰ নতুন মিলটো চলিছেনে নাই?

ৰামৰতন—চলিছে ছাৰ। আজি পুৰা চালু কৰিছো।

মন্ত্ৰী—এইবাৰ তেন্তে লাভ ৰঢ়োৱাহে কথা।

ৰামৰতন—গনেশজীত ভৰোচা ছাৰ। কিন্তু আপ্নাৰ ভি আচীৰ্বাদ লাগে। হেইটোই হোল আচল কোথা ছাৰ। আপ্নি যিমান দেখিব, হিমান মুনাফা হোব। আৰু (তোযামোদৰ হাঁহিৰে) ভগৱান কোৰিলে, আপ্নাৰ লোৰা-ছুৱালী আৰু ফিম্লি চবৰ কাৰণে ভাল হোব, ছাৰ। (হাঁহি থাকে) জয় হনুমান্জী।

মন্ত্ৰী—বাৰু বাৰু। মই থাকো মানে আপোনাৰ কোনো চিন্তা নাই ৰামৰতন বাবু। আপোনাক আৰু কিবা কৰি দিবলগীয়া থাকিলে মাথোন মোক ক'ব।

ৰামৰতন—আছে ছাৰ. বহুত আছে। হেইবিলাক হামাৰ কাৰণে আৰু কৰা কি ছাৰ, চব আপ্নাৰ কাৰণেই ছাৰ। আপ্নাৰ লোৰা-ছুৱালী আৰু

OKDISCD

ফিম্‌লিৰ কাৰণে। হামি খালি আচল টাইমত দেখাই যাম, ছাৰ।

মন্ত্ৰী—(সন্তোষৰ হাঁহি মাৰে) আপুনি সঁচাকৈ বৰ চতুৰ আৰু কামৰ মানুহ। মই দেখোন একো ভাবিবই নালাগে।

ৰামৰতন—ছিঃ ছিঃ ছাৰ। আপ্‌নি ভাবি কোষ্ট কোৰিব তো, হামি কিয় আছো! আপ্‌নাচৰ খালি আৰাম কোৰিব, খানা-পিনা আৰু ফুৰ্তি কোৰিব। বাকী চব কামতো হামিলোক কোৰিম ছাৰ।

মন্ত্ৰী—এৰা ৰামৰতনবাবু। আপোনাৰ যহতহে কিছু আৰাম আৰু ফূৰ্তি কৰিছো।

ৰামৰতন—জৰুৰ কোৰিব ছাৰ। আজি ৰাতি ভি এটা পাৰ্টি দিছো হামাৰ তাতে। হেই খাতিৰইতো আপ্‌নাক আজি নিমন্ত্ৰণ দিব আহিলো। আজি যেনে-তেনে যাব লাগিব ছাৰ। আৰু ছাৰ, (তোষামোদৰ হাঁহি মাৰি অলপ সৰু কৈ কয়) আজি মালটো ভাল আনিছো—দামী বেছ হেঃ হেঃ হেঃ …

মন্ত্ৰী—হেঃ হেঃ—কিয় নাযাম! যাম যাম, নিশ্চয় যাম। [দুয়োটাই হাঁহি থাকে]

সচিবালয়ৰ কোঠা। [দৃশ্যান্তৰ] ৰ টাইপ ৰাইটাৰত কোনোবাই কাম কৰি আছে। আন কৰ্মচাৰীৰো ব্যস্ততা। হেড এছিষ্টেণ্ট শইকীয়া গপ্‌গপাই ছেক্ৰে-টৰীৰ কোঠাৰ পৰা আহি কিছুমান কাগজ-পত্ৰ টেবুললৈ দলি মাৰি দিলেহি আৰু ভোৰভোৰালে—]

শইকীয়া—খালি ঘূৰি ঘূৰি মোৰ ওপৰতে পৰিবহি। এইটো নহ'ল কিয়—শইকীয়াক মাত। সেইটো কৰিব লাগে শইকীয়াক মাত। শইকীয়ালৈহে সকলোৱে ঠেলিব খোজে। খালি শইকীয়া, শইকীয়া (কৈ কৈ খঙেৰে চকীখন চোঁচোৰাই আনি বহে আৰু জোৰেৰে বেলটো বজাই দিয়েই ক্ষান্ত নাথাকি লগে লগে দবিয়াই চাপ্ৰাচীক মাতিবলৈ ধৰে।)

এই চাপ্ৰাচী, চাপ্ৰাচী।

চাপ্ৰাচী—জী চাব্।

শইকীয়া—ক'ত মৰ্‌তা হায় তেতিয়া টোপনিয়াই থাকতা হায় হো? কটা মৰণ নাহি হওতা।

চাপ্ৰাচী—জী চাব্।

শইকীয়া—কি টেল্‌টেল্‌কৈ মুখমে চাই থাক্‌তা হায়! শুনতা হায় নে নাই মোৰ কথা?

চাপ্ৰাচী—জী হাঁ। আপ্‌কো বহুত গৰম গৰম লাগতা হায়।—

শইকীয়া—(ভেকাহি মাৰি দিয়ে) নালাগে গৰম-চৰম সেইবোৰ একো আনিব। সৌ মাটি কলহমে যে ঠাণ্ডা পানী হায় তাৰ পৰা এক গিলাচ বাক্‌কে লৈ আহ।

কাকতি—কি হ'ল শইকীয়া, দেখোন ৰাষ্ট্ৰভাষাৰ একেৰাৰে খৰকাছুটি নোহোৱা কৰিছে?

শইকীয়া—ৰ'ব হেৰি। অণ্ঠ-কণ্ঠ শুকাই গৈছে। (চাপ্ৰাচীক) এই আন্‌তা হায় নে নাই সোনকালে।

কাকতি—আও. ইমান খং উঠি আহিছেনে? বোলো কাৰ ওপৰত? ছেক্ৰেটৰীৰ ওপৰত নে মিনিষ্টাৰৰ ওপৰত?

চাপ্ৰাচী—পানী চাব্।

কাকতি—দেও (কোঁট কৰে পি লয়) চাওকচোন কাকতি, ইফালে মাতিব শইকীয়া, সিফালে মাতিব শইকীয়া; ইটোতো শইকীয়া, সিটোতো শইকীয়া। খালি শইকীয়া হে শইকীয়া। জৰুৰী কামৰ বেলিকা শইকীয়া নহ'লেই নহয়। ইপিনে প্ৰমোচন আৰু ইন্‌ক্ৰিমেণ্টৰ বেলিকা হ'লে শই-কীয়াৰ নাম কাৰো মুখত নোলায়।

কাকতি—কি হ'লনো? এতিয়া ছেক্ৰেটৰীয়ে মাতি নিছিল নহয় কমলৈ, কিবা ক'লে হ'বলা বেয়াকৈ? কামত কিবা দোষ উলিয়ালে হ'ব পায়?

শইকীয়া—দোষৰ কিবা অন্ত আছেনে? যত দোষ কেৱল আমাৰহে। ওপৰৰ-সকল ওপৰে ওপৰেই থাকে।

কাকতি—কি হ'ল কওকচোন।

শইকীয়া—ছেক্ৰেটৰীয়ে মাতি নি পোনেপোনেই দপ্‌দপনি দি সুধিলে, 'শইকীয়া, মিনিষ্টাৰৰ statement-টোৰ reference খিনি ready হ'ল নে নাই?' মই ইপিনে resefence বিচাৰি পালেহে reday হোৱা বুলি ক'ম। কৈ দিলো যে ছাৰ নাই হোৱা!

কাকতি—ওঁ।

শইকীয়া—ছেক্ৰেটৰী পোনকোৱেই দপ্‌দপাই উঠিল। ক'লে, reference বোৰ নাপালে কেনেকৈ হ'ব? আজি statement ready কৰিবই লাগিব। মিনিষ্টাৰৰ কড়া হুকুম। এতিয়াই যাওক বিচাৰি, যেনেতেনে যোগাৰ কৰক। নহ'লে নহ'ব।'

কাকতি—ওঁ, তাৰপিচত।

শইকীয়া—চাওকচোন বাৰু ছেক্ৰেটৰীৰ গোৱাৰামি। আন বুলিলেই আনিব পাৰিবনে? Reference জানো

OKDISCD

কমবোৰ? একেলগে আটাইবোৰ গোটোৱা মুখৰ কথানে? মই তাকে কবলৈহে পালো, ছেক্ৰেটৰীয়ে গৰ্জি উঠিল। 'বোলে, মোক এইবোৰ কৈ লাভ নাই। মিনিষ্টাৰে strong action লব। মুঠতে আজিৰ ভিতৰতে statement মিনিষ্টাৰে বিচৰামতে ready কৰি লৈ আহক। লাগিলে whole stuff এ অইন কাম বাদ দিয়ক।

কাকতি—আও! ইমান important নে? কিহৰ statement নো?

শইকীয়া—এ নকব। এই বছৰত কিমান খেতি-বাতি হ'ল তাৰ হিচাপ এটা লাগে। এই মিনিষ্টাৰৰ কালত যে আগৰ মিনিষ্টাৰৰ কালতকৈ বহুত বেছি উৎপাদন হৈছে তাকে হেনো কাকতে-কলমে দাঙি ধৰি এটা statement দিব লাগে। চাওকচোন বাৰু, বাৰটা মাহৰে বছৰটো পুৰা ঘূৰিলেহে খেতিটো হৈ উঠেগৈ। এতিয়া মিনিষ্টাৰে কওঁতেই বাৰটা মাহত হোৱা খেতিটোৰ হিচাপটো বাৰটা মিনিটত হৈ নাযায় নহয়। চৰকাৰে কিমান কঠিয়া দিলে, কিমান ঋণ দিলে, কিমান সাৰ দিলে, কিমান পানী যোগান দিলে, কিমান একৰ মাটিত খেতি হ'ল আৰু কিমান উৎপাদন হ'ল—এই গোটেইবোৰৰ হিচাপ প্ৰত্যেকটো department অৰ পৰা পালেহে কথাবোৰ জুকিয়াব পৰা যাব। মিনিষ্টাৰে বাৰু নুবুজে নাই; কিন্তু ছেক্ৰেটৰীয়েতো বুজাই দিব লাগিছিল এইবোৰ কথা!

কাকতি—কেনেকৈ বুজিব হেৰি! L.D. ৰ প্ৰমোচন লৈ মিনিষ্টাৰেই পাইছে নে ছেক্ৰেটৰীয়েই পাইছে!

শইকীয়া—আঁ—পাইছো শইকীয়া আৰু কাকতিয়েহে। ওপৰৱালাসকলৰ কোব দেখিছো নহয়। ত'ত দপ্ দপাই থাকিলেও ঘূৰি আকৌ আমাৰ ওচৰকে পাবহি লাগিব। আমি লিখি-পঢ়ি দিলেহে সকলোবোৰ ঠিক হয়।

চাপ্ৰাচী—( মাতেহি ) চাব্।

শইকীয়া—আকৌ কি হোৱা হায়! কথাৰ মাজমে আহি কিয় মাত্ টা হায়। আগতে হাক্ দিয়া হায় না?

চাপ্ৰাচী—চাব্, চেক্ৰেটৰী চাব্ জৰা বুলাতা হায়।

শইকীয়া—আকৌ কিয় বুলাওতা হায় অ' কিয় বুলাওতা হায়! বাৰে বাৰে কিয় গৈ থাকেগা? কৈ দেগৈ যা বোলে নাহি যায়েগা। ই-হ মাতি থাকিব আৰু গৈ থাকিম! মোৰ যেন আৰু কাম নাই! চাওকচোন বাৰু কাকতি, কি ধেমালিখন পাইছে!

চাপ্ৰাচী—আচ্ছা চাব্। যাতা হায়।

শইকীয়া—(ততাতৈয়াকৈ তাক ওভতাই আনে) এই, এই ক'লৈ যাওঁতা হায়? হো? কি কবলৈ যাওঁতা হায়, বাঘেনবা। মোৰ তেজটোপা পিবলৈ যাওঁতা হায়? ঘূৰি আও, আওতা হায় নে নাই।

চাপ্ৰাচী—জী চাব্।

শইকীয়া—ছেক্ৰেটৰীক কি কবলৈ যাওঁতা হায়! খঙৰ ভমকমে কিবা কৈ দেতা হায় আৰু তই সেই সোপাকে কৈ দেনেকো কোব লওঁতা হায়। মোক মাৰিবলৈ মতলব কৰতা হায়। কটা হতছিৰী হওঁতা!

চাপ্ৰাচী—তব, ক্যা বোলেগা চাব্।

শইকীয়া—বলেগা যে এতিয়াই আহিব লাগতা হায়। মিনিষ্টাৰকা কামমে মুৰ দাঙিব নাহি পাৰতা হায়। আনকি উশাহ লবলৈকো সময় নাহি পাওঁতা হায়… …

কাকতি—[হাঁহি] যা যা, সেইবোৰ একো কব নালাগে। কবি, এতিয়াই আহিব। শইকীয়া আপুনি একেবাৰে নাৰ্ভাছ হৈ পৰিছে, দেখিছো।

শইকীয়া—নহৈ কি কৰিব কাকতি! Retirement-অৰ আৰু কেইটা বছৰ আছে। এইবিলাক মতিচ্ছন্ন ওপৰ-ৱালাৰ হাতত চাকৰিটো গ'লে কি হ'ব? কি সাংঘাতিক কাম এটা দিছে চাওকচোন। আৰু কি হুকুম।

কাকতি-একো চিন্তা নকৰিব, শইকীয়া। সেইটো ডাঙৰ কাম নহয়। পাঁচ মিনিটো নালাগে সেই statement টো তৈয়াৰী কৰিবলৈ। মিছাকৈ ভয় খাইছে কিয়?

শইকীয়া—কি কৈছে কাকতি! কেনেকৈ কৰিব পাঁচ মিনিটত। একো হিচাপ নাই-পত্ৰ নাই।

কাকতি—সেই কাৰণেইতো। একো প্ৰয়োজন নাই সেইবোৰৰ। মনত যি আহে তাকে সংখ্যাৰে মাত্ৰ বহুৱাই যাওক সেই আটাইবোৰে। মাত্ৰ সৰহকৈহে সকলোবোৰ দেখুৱাব লাগে। তেন্তে তেনেই কাম। মাত্ৰ অকণমান বুদ্ধিৰে অঙ্কবোৰ মিলাই যাওক। মিনিষ্টাৰে তেওঁৰ দিনত সৰহ উৎপাদন হোৱা বুলি নিজক আৰু ৰাইজক ফাকি দিব পাৰিলেই সকলো কাম হৈ যাব। আচলতে কোনেনো সঁচা খবৰ ৰাখে শইকীয়া?

শইকীয়া—কিন্তু সেইবুলি মিছা কথা

OKDISCD

কিছুমান লিখি দিম ? আচল statistics-বোৰ ?

কাকতি—মানুহক বিমোৰত পেলাবলৈকেতো এই সংখ্যাবোৰৰ দৰকাৰ হয় বেছি। আচলতে যি হয় বা নহয়, সি স্বাভাৱিকতেই হয় বা নহয়। মাজতে মানুহৰ বুদ্ধি সোমাই কৰাখিনি হ'ল তেনেই ফাকি।

শইকীয়া—কিন্তু কেনেকৈ এই ভুল তথ্য-পাতিৰে statement এটা কৰিম বুজি পোৱা নাই। সকলোকে যে ফাকি দিয়া হ'ব।

কাকতি—ৰাৰু, মই খুব সহজ কৰি বুজাই দিম। আপুনি বুকু ডাঠি এই বাৰ ছেক্ৰেটৰীৰ লগত কথা পাতি আহকগৈ যাওক। আজিকালি সত্য কথাৰে একো চলা নাই শইকীয়া।

শইকীয়া—বাৰু যাওঁ।

(শইকীয়া ছেক্ৰেটৰীক কমলৈ বুলি ওলাই যায় আৰু ৰামৰতন সোমাই আহে। আহোতে অকণমান ভেটাভেটি হয়। শইকীয়া নৰয়।)

ৰামৰতন—ৰাম ৰাম শইকীয়াবাবু। ৰাম ৰাম কাকতিবাবু।

কাকতি—আৰে ৰামৰতনবাবুজী। ৰাম ৰাম। আহক আহক, বহক। পিচে কি খবৰ ?

ৰামৰতন—হনুমানজীৰ কিৰ্‌পা আৰু আপ্‌নাচবৰ আচীৰ্বাদত বহাল আছো।

কাকতি—আমাৰ আশীৰ্বাদনো কেলেই লাগিছে, আপোনাক আৰু কোনে পায়।

ৰামৰতন—হনুমানজীৰ কিৰ্‌পা। তৰ্‌ভি আপ্‌নাচবৰ আচীৰ্বাদ হামাক জৰুৰ লাগে। নহ'লে আপ্‌নালোকৰ কি ৰকম চেবা কৰিম! কি ৰকম দচটা বেব্‌চা দেখিম ?

কাকতি—হেৰি থওক থওক, আমাক সেৱা কৰাৰ কথা দেখিছো নহয়! মন্ত্ৰী কহে আপুনি নি নি পাৰ্টি দি সেৱা-সংকাৰ সদায় কৰিব লাগিছে। আমাৰবোৰক মাতি নি কেতিয়াবা কিবা অকণমান চেলেকাইছেনে ? অথচ কাগজ-পত্ৰ সকলো আমিয়েই কৰি দিওঁ।

ৰামৰতন—নাই নাই, হেই ৰকম নাকব। ধৰম কৈছো, আপ্‌না চব্‌ভি হামাৰ আপনাৰ লোক আছে। মিছা কৈছো তো হনুমানজী দেখিব। আপনাৰ চেবা ভি কৰিবৰ কথা হামি চব দিন ভাবি আছো। লেকিন চুবিস্তা হোৱা নাই। মাত্ৰো এতিয়া এটা কাম হৈ যাব লাগে। বচ্‌

কাকতি—কি নো কামটো ?

ৰামৰতন—এইটো কাগজ, হামাৰ লগতে আছে। মিনিষ্টৰ চাব্‌ এটা অৰ্ডাৰ কৰি দিছে। এই পাৰ্মিটৰ কাগজটো খুব তুৰন্ত উলিয়াই দিব লাগে।

কাকতি—অ', কালি ৰাতি পাৰ্টি খুৱাই হব'লা মিনিষ্টাৰৰ পৰা এইখন পাৰ্মিট সৰকালে ?

ৰামৰতন—নাই নাই, পাৰ্টি খাই কেলেই হ'ব ? মিনিষ্টৰ এনেই নেম্‌মতে দিছে।

কাকতি—হয়নে ! বাৰু তেনেহ'লে। নিয়মমতেই তেন্তে বাকী কামবোৰ হৈ থাকিব। আপুনি বাৰু অৰ্ডাৰৰ কাগজখন থৈ যাওক—নিজেই আনিলে যেতিয়া। সময়মতে পাৰ্মিট ৰেডী হ'লে পাব।

ৰামৰতন—কেতিয়া ৰেডী হোব কাকতিবাবু !

কাকতি—নিয়মমতে যিমানখিনি কাম হয়, সিমানখিনিহে কৰিব পাৰো আমি, ৰামৰতনবাবুজী। আপোনাৰ কামটো সোনকালে কৰিবলৈ বুলি অফিচৰ পিচতো দিনে-ৰাতিয়ে নাখাই নবৈ ইয়াত পৰি থাকিব নোৱাৰো নহয়।

ৰামৰতন—নাই নাই, কাকতিবাবু। ৰাগ নাকৰিব। কেলেই নাখাই কাম কৰিব ! আচ্ছা লওক, এই পচাশ টকা।

কাকতি—[ পোন্দোৱাকৈ ] পঞ্চাশটা টকাৰে মই কি কৰিম ?

ৰামৰতন—আচ্ছা আচ্ছা, লওক একচো টাকা। পাণ খাব। তাতে কি আছে ?

কাকতি—ওঁ। মিনিষ্টাৰৰ কাৰণে ভোজ-ভাত আৰু আমাৰ কাৰণে হবলা তামোলৰ মুহুদি।

ৰামৰতন—আচ্ছা আচ্ছা, এই লওক আৰু পঞ্চাশটা টকা—চাহ খাব।

কাকতি—[ ভেকাহি মাৰি ] আপুনি ব্যৱসায় বুদ্ধি থকা মানুহ হৈ কি ওলোটা কথাবোৰ কয় হেৰি বাবুজী ? এশটকাৰ পাণৰ মুহুহি পঞ্চাশ টকাৰ চাহেৰে হয়নেকি ?

ৰামৰতন—আচ্ছা আচ্ছা। একচো টকাই লওক আৰু। লেকিন হামাৰ কামটো তুৰন্ত্ হ'ব লাগে, কাকতিবাবু।

কাকতি—হ'ব হ'ব নহ'ব কেলেই ! আগতে চাহ-তামোল খাই লওঁ চোন বাৰু। তাৰপিচতো কামত হাত দিব পাৰিম নহয় ! সৌৱা শইকীয়াবাব ও

OKDISCD

আহিব লাগিছে।

শইকীয়া—[ বৰ প্ৰফুল্ল মনেৰে উভতি আহে আৰু আহিয়েই চাপ্ৰাচীক মাতিবলৈ ধৰে ] চাপ্ৰাচী, এই চাপ্ৰাচী! চাহ চাহ, এইবাৰহে চাহ খায়েগা। ভালকৈ গৰম চাহ লৈ আহেগা যা। কাকতিলৈকো আনেগা, বুজিছ মুঠতে দুগিলাচ আনেগা।

কাকতি—পিচে মোলৈ নানিলেও হ'ব। মই নাখাও।

শইকীয়া—(আচৰিত হয়) কিয়! খালেই নেকি?

কাকতি—নাই খোৱা, খামহে।

শইকীয়া—এহ্ তেন্তে কিয় নানিব? এই আনেগা আনেগা যা; দুগিলাচ আনেগা। একেলগে খাওঁ আক'।

কাকতি—নহয়, মোক আক' এই ৰামৰতনবাবুজীয়ে চাহ অকণ চেলেকাব খুজিছে। সেইকাৰণেহে কৈছো।

শইকীয়া—অ' হয়নেকি? বাৰু থাওক তেনে সাউতকৈ। তাৰপিচত মিনিষ্টাৰৰ কামটোত ধৰো। পিচে সকলো কৰিব লাগিব আপুনিয়েই। মই ছেক্ৰেটৰীক কৈয়ে আহিছো সকলো কথা।

ৰামৰতন—হাঁ হাঁ হামাৰ কামটো আগতে কৰি দিব লাগে। মিনিষ্টাৰৰ অৰ্ডাৰ আছে।

কাকতি—(বৰকৈ ভেকাহি দিয়ে) ৰ'ব হেৰি। একেটা কথাকে ৰেপি আছে। ধৰ্মকৰ্মৰ অকণো জ্ঞান নাই। নাই নীতি-নিয়ম। ইপিনে আক' হনুমানজীৰ নাম মুখত কিমান শুনিব?

ৰামৰতন—কি হোল কাকতিবাবু? মই কি কৰিলো।

কাকতি—কিয়! এজনে খাব লাগে আৰু আন এজনে হবলা ক'লা ওঁঠ চেলেকি চাই থাকিব লাগে! এইবোৰেই হ'ল আপোনালোকৰ ধৰ্ম' নহয়নে বাবুজী? এই যে শইকীয়া- এই বুঢ়া মানুহজন মোৰ ওচৰঁতে বহি আছে, তেওঁ হবলা আপোনাৰপৰা চাহ-টাহ একো খাব নালাগে? ঠোঁট-মুখ চেলেকি কেৱল মিনিষ্টাৰে কৰিবলৈ কোৱা আপোনাৰ কামটোকে কৰি থাকিব লাগে, নহয়নে?

শইকীয়া—(বিনয় ভাবত) নাই, নালাগে, থাওক দিয়ক। মই চাহ আনিবলৈ দিছোৱেই নহয়। সেয়ে হ'ব।

কাকতি—(দুগুণ ভেকাহি মাৰি উঠে) ৰ'ব হেৰি। আপুনি মনে মনে থাওক। কিয় নাখাব আপুনি? মিনিষ্টাৰৰপৰা আজি কৰি সংসাৰখনে ভোজ-ভাত খাই লব পাৰে, আপুনি নাখাব কিয় হেৰি? আপুনি, অকলে এইদৰে ধৰ্ম যুধিষ্ঠিৰ হৈ কিদান কৰিলে ইমানদিনে, শইকীয়া? বুঢ়া হ'লহি, আৰু চাৰিটা বছৰ আছে নে নাই ৰিটায়াৰ কৰিবলৈ—তাৰপিচত কি কৰিব ভাবি চাইছেনে নাই?

শইকীয়া—সেইবোৰ ভাবিনো কি পাৰ পাব? হ'ব কিবা এটা। ঈশ্বৰেই দিব নহয় দিহা উলিয়াই।

কাকতি—যাওক যাওক দেখি আছো, আপোনাৰ ঈশ্বৰে কাক কি দি আছে। ঈশ্বৰে দিয়াৰুহে দি থাকে। আপোনাৰ নিচিনা ধৰ্ম যুধিষ্ঠিৰক আজি-কালি দিলেও ঈশ্বৰৰ ফয়দা নাই। ঈশ্বৰে সকলোবোৰ ধনবস্তু দিয়াৰ যোগাৰ কৰিছে সেই ৰামৰতন বাবুজীকহে—আপোনাক নহয়।

ৰামৰতন—(আত্মপ্ৰসাদৰ হাঁহি মাৰে) হাঁ হাঁ—গনেচজী মহাৰাজৰ দোয়া। জয় হনুমানজী! (বুলি প্ৰণাম কৰে)

শইকীয়া—হওক দিয়ক। ঈশ্বৰে ভাল দেখিছে যেতিয়া। বুঢ়া হৈ অভাৱত মাগিবলগীয়া হ'লে তেতিয়া তেখেতৰ ওচৰতে হাত পাতিমগৈ।

কাকতি—(বিদ্ৰূপ কৰি) দিব তেতিয়া আপোনাক বেছকৈ! আশা পালি থাওক শইকীয়া। ভাবি চাইছেনে নাই, আপুনি যে চাকৰি যোৱাৰ পিচত বিষ নাইকীয়া সাপৰ দৰে হৈ পৰিব? তেতিয়া আপোনাৰ হাতত সেই ফাইলটোৰ দৰে ভয়ানক শক্তিশালী বস্তু এটা ক'ত থাকিব যে তাৰ ফিটাডাল আপুনি বন্ধ কৰি দিব পৰাৰ ভয়ত ৰামৰতনবাবুহঁতে সদায় ভয় কৰি থাকিব? তেতিয়া আপোনাক কিহৰ কাৰণে খাতিৰ কৰিব?

ৰামৰতন—নাই নাই, কাকতিবাবু। আপনি হেই ৰকম কেলেই কৈছে? হেইটো একদম ঝুঠ আছে। হামি কেলেই উপকাৰ নাকৰিম? হামি আপনালোকক হদায় চাহয্য দিম—এনেই দিম।

কাকতি—দিব দিব ৰামৰতনবাবু, দুঅনা পইচা দিব দলিয়াই ভিক্ষাৰীক দিয়াৰ দৰে। তাতকৈ বেছি কিয় দিব? কালি মন্ত্ৰীক ভোজ খুৱালে নহয়, তেওঁৰো ক্ষমতা যোৱাৰ পিচত আপুনি সেই দুঅনাই দিব [ বিদ্ৰূপ কৰি হাঁহিবলৈ ধৰে ]।

ৰামৰতন—ৰম্ ৰম্ ৰম্—ছিঃ ছিঃ কাকতিবাবু। হেইৰকম ক'লে হামাৰ একদম তাধৰম হোব। বিলকুলি পাপ হোব হামাৰ—

OKDISCD

কাকতি—[ প্ৰচণ্ড দাবি মাৰি দিয়ে ] বন্ধ কৰক আপোনাৰ ধৰ্ম-অধৰ্ম কথা। আপোনাৰ লগত এইদৰে ফেচফেচাই থাকিলে আমাৰো পেট নভৰে। কাম লাগে যদি ভালে ভালে উচিত দাম দিয়ক। নহ'লে যাওক। এতিয়া আমাৰ সময় নাই। আমাৰ বেলেগ কাম আছে। আৰু শুক, এইবোৰ কথা লৈ বেছি তুৰিমুৰি কৰিলে চিধাই পেপাৰত খবৰ দিম— নহ'লে একেবাৰে opposition মেম্বৰক। গম পাব তেতিয়া।

ৰামৰতন—ইচ্—ৰাম্ ৰাম্! হেইচব ঝঞ্ঝাট্ নাকৰিব কাকতিবাবু। আচ্ছা, আচ্ছা হামি চব দোচ মানি লিছো। হামাৰ বহুত অন্যায় হৈছে। আচ্ছা আচ্ছা, লওক, চইকীয়া ৰাবুৰ কাৰণে ভি লওক এই দুচো টাকা। বচ্, —খালি হামাৰ কাৰণে অলপ কৰিব লাগে।

*

(.নাহৰগুৰি গাওঁ উন্নয়ন সভাৰ অধিবেশন। সভাপতি বেজবৰুৱাই সভা আৰম্ভ কৰিছে। )

বেজবৰুৱা ৰাইজ! আমাৰ গাওঁ উন্নয়ন সভাৰ এই অধিবেশন উদ্বোধন কৰিবলৈ আমি মাননীয় মন্ত্ৰী ডাঙৰীয়াক আমন্ত্ৰণ কৰিছিলো। আমাৰ গাৱলীয়া ৰাইজে নিজৰ উন্নয়নৰ কাম কেনেকৈ কৰিছে তাকে আমাৰ জনপ্ৰিয় চৰকাৰে চাই যাবলৈ বুলি আমি মন্ত্ৰী মহোদয়ক আমাৰ সভালৈ আহিবলৈ টানি ধৰিছিলোগৈ। অৱশ্যে ৰাইজেও কাহানিও মন্ত্ৰীক দেখা নাই আৰু মন্ত্ৰীয়েও আমাৰ এইবোৰ গাওঁ-ভূই দেখাহি নাই। আমাৰ জনপ্ৰিয় চৰকাৰৰ মন্ত্ৰীৰ মুখৰ পৰা দুযাৰ ভাল কথা শুনিবৰ আশা কৰি আজি আমাৰ সভালৈও বহুতো মানুহ দূৰ-দূৰণিৰ পৰা আহিছে। কিন্তু ৰাইজ, বৰ দুখেৰে আমি জনাবলগীয়াত পৰিলো যে আমাৰ সভালৈ মন্ত্ৰী ডাঙৰীয়া আহিব নোৱাৰিলে। মন্ত্ৰীয়ে জনাইছে যে ৰাজধানীত ৰব জৰুৰী কাম এৰি থৈ অহাটো তেওঁৰ কাৰণে সম্ভৱ নহয়। সেইকাৰণে আজিৰ সভাত মন্ত্ৰীয়ে কৰিবলগীয়া কামখিনি আমাৰ স্থানীয় এম. এল. এ ডাঙৰীয়াক কৰিবলৈ দিবৰ বাবে পৰামৰ্শ দিলে। গতিকে মই আজিৰ সভাৰ মন্ত্ৰীৰ কামখিনি এম, এল. এ ডাঙৰীয়াকে কৰিবলৈ অনুৰোধ জনালো। ( হাত চাপৰি )

এম. এল. এ—ৰাইজ, আপোনালোকে ক'লে যেতিয়া আজিৰ সভাত মন্ত্ৰীয়ে কৰিবলগীয়া সকলোখিনি কামৰ ভাৰ মই গ্ৰহণ কৰিলো। অৱশ্যে কোনেও নক'লেও মন্ত্ৰীৰ অনুপস্থিতিত ময়ে স্বাভাৱিকতে এইবোৰ দায়িত্বৰ ভাৰ লব লাগিলহেতেন (আত্মগৌৰৱৰ হাঁহি মাৰে)। পিচে মন্ত্ৰী উপস্থিত নাথাকিলেও তেখেতে ৰাইজলৈ এটা বাণী পঠাই দিছে মই সেই বাণীটোৰেই সভা উদ্বোধন কৰিম। মন্ত্ৰীয়ে বাণীটোত লিখিছেঃ 'ৰাইজ! আপোনালোকৰ সভালৈ মই ৰাজধানী এৰি যাব নোৱাৰি বৰ দুখ পাইছো। মই সদায় ইচ্ছা কৰো গাঁৱলৈ যাবলৈ, ৰাইজৰ মাজত থাকিবলৈ অলপ সেৱা কৰিবলৈ। নগৰত থাকিলেও মোৰ মনটো সদায় গাঁৱতহে পৰি থাকে। গাঁৱৰ লগত মোৰ জীৱনৰ সম্বন্ধ। মোৰ টান গাঁৱৰ লগতহে। কাৰণ ককাদেউতাৰ মোমায়েকৰ ঘৰ আছিল গাঁৱতহে। ৰাইজ, আত্মবলেই পৰম বল। নিজৰ উন্নতি আপোনালোকে নিজেই কৰিব লাগিব। তেহে দেশো আগবাঢ়ি যাব। সকলো কৰিব লাগিব ৰাইজেই; চৰকাৰে মাথোন দিহাহে দি যাব। আপোনালোকৰ উন্নতিৰ বাবে মোৰ আশীৰ্বাদ সদায় থাকিব। মই ৰাইজৰ কাৰণে সদায় সকলোখিনি কৰিবলৈ প্ৰতিশ্ৰুতি দিছো। মাথোন আপোনালোকে নীৰৱে কাম কৰি যাওক। ...', ৰাইজ, এয়াই মন্ত্ৰীয়ে আপোনালোকলৈ বাণী দিছে। আপোনালোকৰ কামো যিমান মহৎ, মন্ত্ৰীৰ বাণীও সিমান মহৎ। মন্ত্ৰীৰপৰা আপোনালোকে এনেদৰে আশীৰ্বাদ পোৱাটো বৰ ভাগ্যৰ কথা। মন্ত্ৰী ডাঙৰীয়াই আজিলৈকে ৰাইজৰ কাৰণে যিমানখিনি কৰিছে সিমানখিনি কাম আন কোনোবাই কৰিলেহেতেন বুলি মই ভাবিবই নোৱাৰো। আন নালাগে আমাৰ খেতি বাতি বঢ়াবৰ বাবে মন্ত্ৰীয়ে লোৱা আঁচনিবোৰলৈকে চাওক-চোন। ইয়াৰ আগতে কোনোবাই ইমানবোৰ কাম কৰিছিল নে? যোৱা বছৰত যিমানবিলাক উৎপাদন হ'ল সিমানবিলাক আগতে হৈছিলনে? গতিকে ৰাইজ, এইবিলাকেই দেশে উন্নতি কৰাৰ চিন। ৰাইজেও হাতে-কামে লাগি নিজৰ উন্নতি কৰিবলৈ লৈছে, বৰ ভাল কথা হৈছে। এতিয়া আমাৰ মন্ত্ৰীৰ চেষ্টাত যিবোৰ কাম হ'ব ধৰিছে মাত্ৰ সেইমতে কৰি যাবলৈ

OKDISCD

ধৰিলে মোৰ বিশ্বাস—আমি শীঘেই বহুত উন্নতি কৰিব পাৰিম। চৰকাৰে ·········

( মাজতে ৰাইজৰ এজনে হস্তক্ষেপ কৰে। )

১নং—এম. এল. এ মহোদয়! মাজতে মই অকণমান কথা সোধো। আপুনি যে মন্ত্ৰীয়ে ইমানবোৰ কাম কৰাৰ কথা কৈছে, সেইবোৰ কি কাম আমাক দুই-এটা কবনে?

এম. এল. এ—কিয়? এই যে অধিক শস্য উৎপাদনৰ কথা ক'লো। যোৱা বছৰটোত যে ইমানবিলাক খেতি-বাতি হ'ল—কাৰ কাৰণে?

১নং—হয়নে? ক'তা? আমিতো সেই-বোৰৰ ভূ নাপাওঁ। আনফালে ক'ৰবাত হ'লেও হ'ব পাৰে—আমাৰ ফালে কিন্তু আগৰ যি, এইবেলিও সেয়ে। নহয়নে বাৰু ৰোষ দেদাই

২নং—এহ্—কেলেই নহয় অ'? আগেয়ে যদিওবা খাবলৈ পাইছিল, এইবেলি আনকি তিনিমাহো খাবলৈ নাপালে খেতিৰ ধানেৰে। ক'ত সৰহ খেতিডাল হোৱা দেখিলি অ'?

১নং—তেনেহ'লে এম. এল. এ ডাঙৰীয়াই কেনেকৈনো কয়?

২নং—ক'লেই হ'ল নে? আমি খেতি কৰাবোৰে নাজানিলো আমাৰ সৰহ খেতি হ'লনে নহ'ল, জানিলে খেতি নকৰাবোৰেহে।

১নং—এৰাতো! সিপিনে আনকি মন্ত্ৰীয়েও জহাবলৈ লৈছে।

২নং—এনেয়ে জহাই থাকিলেই হ'বনেকি! আন নালাগে যাওকচোন এই গোটেই জিলাখনতে সুধি আহকচোন ক'ৰবাত এইবেলি খেতিৰ নামত কিবা কোনোৱাই পালেনে? মই ইয়াকে কলো।

এম. এল. এ—কোনে কলে আপোনালোকক এইবোৰ কথা? চৰকাৰী হিচাপতে আছে এইবেলি বেছ খেতি-বাতি হৈছে। এই জিলাতে যোৱাবাৰতকৈ চাৰিগুণ বেছি খেতি হোৱাৰ কথা চৰকাৰী নথিত আছে। আপোনালোকে নাই হোৱা বুলি ক'লে কেনেকৈ হ'ব? চৰকাৰেতো এইবোৰ মিছা হিচাপ দিয়া নাই?

১ং—আমাক সেইবোৰ কাগজৰ হিচাপ পত্ৰ কেলেই লাগিছে? যিটো চকুৰে দেখিছো, সেইটোহে মানিম। জিলাখনত কোনোবাই কওকচোন চাৰিগুণ বেছি খেতি পোৱা বুলি।

এম এল. এ—ৰ'ব ৰাইজ। এইখিনিতে অকণমান কথা এটা আছে। আপোনালোকে কৈছে যে খেতি নাই পোৱা, নহয়নে বাৰু?

১নং—এৰা, নায়েই পোৱা সমূলি।

এম. এল. এ—ৰাইজ, আপোনালোকে খেতি নোপোৱা কথাটো তেনেহ'লে হয়।

কেবাজনেও—হয় হয়। নাই পোৱা মুঠেই।

এম. এল. এ—সেইখিনিতেই কথাটো অথনিৰেপৰা গোলমাল লাগি আছে। আপোনালোকে খেতি পোৱাৰ কথাতো মন্ত্ৰীয়ে একো কোৱা নাই, কৈছে হোৱাৰ কথাহে। মন কৰিছে নে নাই কথাটো? মন্ত্ৰীয়ে চৰকাৰী হিচাপত বাৰে বাৰে কৈছে যে ৰাইজৰ এইবেলি বহুত খেতি হৈছে।

২নং—এহ্ ক'ত—হৈছে হেৰি বহুত খেতি। নাই হোৱা একোকে। হোৱা হ'লে ৰাইজে নাপালেহেতেন কিয়?

এম এল. এ—সেইখিনিতেই আছে আচল্ কথাটো। খেতি বহুত হোৱা সত্বেও আপোনালোকে পোৱা নাই। খেতি হ'লেই যে সকলোৱে পাব পাৰে তাৰ কি অৰ্থ আছে?

২নং—তেনেহ'লে নোপোৱাৰ অৰ্থ-টোনো কি?

এম. এল. এ—ধৰকচোন, এনেকুৱা-ওতো অৰ্থ হ'ব পাৰে যে খেতি প্ৰচুৰ পৰিমাণেই হৈছিল। তাৰে আধাখিনিমান বানপানীয়ে মাৰিলে। বাকীখিনিৰ আধা হয়তো মাৰিলে পোক-পৰুৱাই। ইয়াৰো বাকীখিনি যদি ৰাইজে নাইপোৱা বুলি কয় তেনেহ'লে মই ডাঠি কব পাৰো যে সেইখিনিৰ আধা মাৰিলে শিল-বৰষুণে আৰু বাকী আধাখিনি পতান। মুঠতে ৰাইজে একো নাপালে নাপাব পাৰে; কিন্তু খেতি যে সৰহ হৈছিল তাত কোনো সন্দেহ নাই।

২নং—হেৰি হেৰি, আমাক সেইবোৰ তালিবাজী দেখুৱাব নালাগে। মন্ত্ৰীক দেখুৱাওকগৈ। আপোনালোকক চিনি পাবলৈ বাকী নাই।

২নং—হয় হয়, এখেতসকলৰ মুখত এটা আৰু পেটত এটা।

এম. এল এ—চৰকাৰ আৰু মন্ত্ৰীক এইদৰে অপমানজনক কথা কৈ আপোনালোকৰে বিপদ জানে নে? আপোনালোকক—গাঁৱৰ ৰাইজক সক-লোৱে সৰল আৰু হোজা বুলিয়েই জানে। কিন্তু আপোনালোকে সঁচাক মিছা কৰাৰ যি চল কৰিছে সি

OKDISCD

আচৰিত । ৰাইজ, মই আপোনালোকৰে মানুহ । মোক মিছাকৈয়ে খং তোলাই নলব।

৩নং—হেৰি, মিছা কথাৰে আপুনি খং তোলাইছে নে আমি তোলাইছো ?

এম. এল. এ—কি ! মইহে মিছা কথা ক'লোনে ? তেন্তে ৰ'ব । মোৰ এই সমষ্টিটোত কিমানখিনি সাৰ আৰু কঠিয়া চৰকাৰে বিতৰণ কৰিছে আৰু কিমান একৰ মাটিত পানী সিঁচি খেতি কৰাইছে তাৰ সকলো হিচাপ মোৰ হাতত আছে। মই চৰকাৰৰ একেবাৰে ছপা ৰিপ'র্টখন পঢ়ি দেখুৱাওঁ।

১নং—থৈ দিয়ক আপোনাৰ চৰকাৰী ৰিপ'ৰ্ট-চিপ'ৰ্ট। ক'ত চৰকাৰী সাৰ আৰু কঠিয়া ৰাইজে দেখিছে ! কোনে দিবলৈ আহিছিল আৰু কাক দিছিলহি সেইবোৰ লিখা আছে যদি কওক। কওক সেইবোৰ লিখা আছে নে নাই আপোনালোকৰ ছপা ৰিপ'ৰ্টত ?

২নং—কি । নামাতে দেখোন এতিয়া ?

৩নং— মাতিব কেনেকৈহে ? কিবা উত্তৰ থাকিলেহে মাতিব? চৰকাৰৰ সাৰ আৰু কঠিয়াসোপাকে মহাজনৰ গুদামত সোমালগৈ। ৰাইজে নাজানে হৰলা।

এম. এল. এ—ৰাইজ, মই এজন আইন সভাৰ প্ৰতিনিধি। এইবোৰ কি ধৰণৰ ব্যৱহাৰ কৰিব লাগিছে আপোনালোকে ? এইবোৰ বৰ অপমানৰ কথা। ইয়াৰ ফল ভাল নহ'ব। মই সকলো কথা মন্ত্ৰীৰ কৰ্ণগোচৰ কৰিম। সভাপতি, মই এই সভা ত্যাগ কৰিলোঁ।

১নং—এ' — যাওক যাওক । আমি সকলোকে চিনি পালো। অহাবাৰলৈ আমি আপোনাকো এনেলে নাপাতো আৰু মন্ত্ৰী-চন্ত্ৰীও পাতি নাৰাখো। চাই থাকিব, কাকো ভোট নিদিওঁ ।

১নং—ৰাইজ, এইবোৰ মিটিং-ফিটিং পাতি মিছাকৈ সময় খৰচ কৰি আমি বাবেকুৰি চলাহী কথা শুনি থকাৰ দৰকাৰ নাই । ৰাইজৰ কামত আজিলৈকে এজনো চৰকাৰী বিষয়াৰ মুখ দেখা নাপালো,কিবা অকণমান সহায়ো নাপালো। চৰকাৰী অফিচলৈ গ'লেও আমাৰ নিচিনা মানুহক গৰু ঘূৰোৱাদি অফিচে অফিচে ঘূৰাই থাকে।

৩নং—কিন্তু টিপতে কেইটকামান দিবপৰাসকলৰ কাৰণে হ'লে মাখিটোও হাতীটো হৈ যায়। ৰাইজ, আজিকালি হোৱাসকলৰহে সকলো হৈ থকাৰ নিয়ম । নোহোৱাসকলৰ একোৱেই নহয়। ৰামৰতন কেঞাকে দেখিছো নহয় ?

১নং—দেদাই, আৰু এটা সাংঘাতিক কথা শুনিছানে নাই ? ৰামৰতনে এইবাৰ পথাৰত ইটাৰ ভাটা খুলিব। এইবাৰৰ পৰা কেনেকৈ খেতি কৰা—কৰা।

২নং—হে'ৰ ক'ত খুলিব অ' ? কোনে ক'লে তোক ?

১নং—ক'ত আৰু । আমাৰ পথাৰত সিয়েই আজি মাটিও চাই গৈছেহি। মন্ত্ৰীয়ে হেনো অনুমতি দিছে।

৩নং— এইবিলাক কথাই বেয়া, জানিছনে ? এইবোৰ বেপাৰীৰ লগত মন্ত্ৰী-চন্ত্ৰীৰ হলিগলি ঠিক নহয়। কি দৰকাৰ আছিল ৰাইজক এযাৰ নোসোধাকৈ ঘপ্ কৰে ইমান ডাঙৰ কাম এটা মন্ত্ৰীয়ে কৰাৰ।

২নং—তলখুচৰীয়া কাৰবাৰ হে ! ৰাইজে অমত কৰিলেও এইবোৰ কাম বন্ধ কৰিব পাৰিবা বুলি ভাবিছানেকি ? আচলতে মন্ত্ৰীক হাত কৰোতাই হাত কৰি থৈছে। চব কাৰচাজি হে— চব কাৰচাজি।

১নং—সেই বুলিয়েই ইমান ডাঙৰ অন্যায় এটা হ'বলৈ দিব পাৰি নেকি ! ৰাইজে ইয়াৰ কিবা এটা প্ৰতিকাৰ কৰিব লাগে।

৩নং—সেই কাৰণেহে আৰু' কৈছো, এইবাৰৰপৰা ভোট-চোট দিয়া বন্ধ। আমি কাকো একো নিদিওঁ। এইপিনে কোনো আহিবও নালাগে।

১নং—[ খং কৰি উঠে ] এহ্ দেদাই ! কি কথাবোৰ কৈছাহে ! তোমাৰ ভোটলৈ আৰু কমেও চাৰিটা বছৰ আছে। তেতিয়ালৈ ৰামৰতন কেঞাই বা আৰু কেইটামান মিল পায়। ইপিনে ৰাইজে পেট শুকাই মৰক।

২নং—এই ৰামৰতনেই চৰকাৰী মন্ত্ৰী, কেৰাণী-মহৰী আৰু ধান-চাউল সকলোবোৰ হাত কৰি ৰাইজখনক খালে। ইয়াৰ প্ৰতাপ এইদৰে বাঢ়ি গ'লে ৰাইজৰ সৰ্বনাশ হ'বলৈ সৰহদিন নাই। ইয়াৰ কিবা এটা এতিয়াই কৰিবহে লাগে ৰাইজ।

৩নং—কিটো আৰু কৰিবলৈ আছে ? ৰাইজে একমুঠ হৈ এই অঞ্চলত তাৰ সকলোবোৰ কাৰবাৰ বন্ধ কৰি দিয়া যাওক। তাক ইয়াত সোমাব নোৱাৰা কৰিব লাগে একেবাৰে।

১নং—এই থোৱাহে। সি নোসোমালে বুলি ইয়াত আৰু তাৰ কাৰবাৰবোৰ চলি নাথাকিবনে ? যিহে চয়তান

OKDISCD

মানুহ, সি নাহিও তাৰ মিল চলাই থাকিব।

২নং—তেনেহ'লে তাকে এদিন জব্দ কৰা যাওক। একেবাৰে ঘেৰাও কৰি থৈ দিওহঁক ৰাইজ।

৩নং—অকল ৰামৰতনক ঘেৰাও কৰিলে কি হ'ব? মন্ত্ৰীকো ঘেৰাও কৰিব লাগে। মন্ত্ৰীয়ে কাম ইস্তফা দিয়ক।

সভাপতি—ৰাইজ, সাৱধান কিন্তু। এইবোৰ কৰিলে পুলিচৰ গুলী-চুলী হ'ব-সাংঘাতিক ঘটনা হ'বগৈ পিচত!

কেইজনমান—যি হয় হওক। পুলিচ ফুলিচলৈ আমি ভয় নকৰো। গুলী চলিলেও বেপৰোৱাই। ৰাইজ, আজি কালি এই ঘেৰাওহে আচল কথা। আমি ঘেৰাও কৰিমেই।

সভাপতি— পিচে— ক'তনো ঘেৰাও কৰিবগৈ আপোনালোকে? মন্ত্ৰী থাকে ৰাজধানীত। ইয়ালৈ আহিলেহে!

১নং—এ',—দৰকাৰ হ'লে য'তে থাকে ত'তে কৰিমগৈ। ৰাজধানীলৈকো খেদি য়ামহঁক। মুঠতে ঘেৰাও, ৰাইজ

[ এইবুলি উত্তেজিত হৈ শ্লোগান দিবলৈ আৰম্ভ কৰি দিয়ে-]

সকলো ৰাইজ—এক হওক
দুৰ্নীতি—দূৰ কৰক
মন্ত্ৰীয়ে—ইস্তফা দিয়ক
ৰামৰতন—নিপাত হওক
সকলোকে ঘেৰাও কৰক ... ...

[ Fade out.]

॥ দৃশ্যান্তৰ ॥

[ Fade in ]

(সকলো ৰাইজ এক হওক; মন্ত্ৰীয়ে ইস্তফা দিয়ক; সকলোকে ঘেৰাও কৰক' আদি শ্লোগানৰ বিপুল শব্দ।)

মন্ত্ৰী—ৰাইজ! আপোনালোক এইদৰে ইয়ালৈ আহিছে কিয়? মন্ত্ৰীৰ ওচৰলৈ এনেকৈ অহাৰ নিয়ম নহয়। কিবা অভিযোগ থাকিলে এটা প্ৰস্তাৱযোগে পঠাই দিব। মই তাৰ বিবেচনা কৰিম।

১নং—প্ৰস্তাৱৰ কোনো মুল্য নাই। আমি প্ৰস্তাৱ পঠাই পঠাই ভাগৰিলো! আপোনালোকে সেইবোৰ দলিয়াই পেলাই দিয়ে। আমি পোনে পোনেই কবলৈ আহিছো।

মন্ত্ৰী—কি আপোনালোকৰ অভিযোগ?

১ং—আমাৰ অভিযোগ বহুত। চৰকাৰে মুখেৰে যিবোৰ সদায় কয় কামেৰে তাক নকৰে। চৰকাৰে আমাৰ নিচিনা গাঁৱৰ মানুহৰ কাৰণে একো নকৰে, কৰে ৰামৰতনৰ নিচিনা মহাজনৰ কাৰণে। সৰহ খেতি- হোৱা বুলি মিছাকৈ আভুৱা ভাবি থাকে। কিন্তু ৰাইজে খাবলৈ নাপাই হাহাকাৰ কৰিলে খবৰ নলয়।

মন্ত্ৰী—ৰ'ব ৰ'ব। এটা এটাকৈ কওক। মই তেহে তাৰ বিবেচনা কৰিব পাৰো। কি ক'লে, ৰাইজে খাবলৈ পোৱা নাই?

১নং—নাই পোৱা। বছৰত ছমাহৰে নাই।

মন্ত্ৰী—কিয়? সৰহ খেতি হৈছিল নহয়।

১নং—ক'ত সৰহ খেতি হৈছিল? সেইবোৰ মিছা কথা।

২নং—হৈছিল যদি কলৈ গল সেইবোৰ? চুৰি হ'ল নেকি?

মন্ত্ৰী—নহয় ৰাইজ, খেতি নোহোৱাটো নহয়। হৈছিল। মোৰ ডিপাৰ্টমেণ্টৰ হিচাপত আছে, আচলতে বহুত খেতি হৈছিল আৰু ৰাইজেও বহুত পৰিশ্ৰম কৰিলে। এটা কথাহে মই ভাবি পাইছো, আচলতে ৰাইজে ইমান বেছি পৰিশ্ৰম কৰিব নালাগিছিল। কাৰণ কিয় জানেনে? অত্যাধিক পৰিশ্ৰমত মানুহৰ ভোক বাঢ়ে আৰু তেতিয়া মানুহে সৰহকৈ খাবলৈ ধৰে। মোৰ বিশ্বাস এইদৰে সৰহকৈ খোৱা কাৰণেই আজি-কালি মানুহক খাবলৈ নটা হৈছে...আৰু ..

[ এনেতে কোনোবা দুজনমানে কিবা ক'বৰ চেষ্টা কৰে; কিন্তু মন্ত্ৰীয়ে কাকো কবলৈ সুযোগ নিদিয়ে ]

নহয় নহয় ৰাইজ, এইবিলাক বিজ্ঞানৰ কথা। আপোনালোকে উপলুঙা নকৰিব। গতিকে বৰ বেছিকৈ পৰিশ্ৰম নকৰি দেশৰ ৰাইজক ভোক কমাবলৈ আমি আহ্বান জনাওঁ। তেহে চৰকাৰৰ শস্য উৎপাদনে সুফল দিব। দেশৰ বৈজ্ঞানিকসকলক এই কথাটো দৃষ্টিগোচৰ কৰিবলৈ মই ততালিকে কেন্দ্ৰীয় চৰকাৰক টানকৈ জনাম।

১নং—আমি সেইবোৰৰ একো ভূ নাপাওঁ। মুঠতে খেতি-পথাৰত যি দেখিছো তাকেহে বুজিছো। চৰকাৰৰ হিচাপ সঁচা নহয়।

মন্ত্ৰী—ছেক্ৰেটেৰী!

ছেক্ৰেটেৰী—ছাৰ—

মন্ত্ৰী—ফাইলটোত চাওকচোন, মুঠতে কিমান মাটিত খেতি হৈছিল?

ছেক্ৰে—ছাৰ, মুঠতে খেতি হৈছিল ১১, ৭৯, ৭৬৩৯২ একৰ মাটিত আৰু সাৰ বিতৰণ কৰা হৈছিল ৩২,৯৭৫ কুইণ্টল ৭৮ কিলো ৪৪৩ গ্ৰাম ছাৰ।

মন্ত্ৰী—এয়া চাওক, ইমানবিলাক মাটিত ইমানবিলাক সাৰ দি কৰা খেতিত কম উৎপাদন হ'ব নোৱাৰে!

OKDISCD

২নং—আমি সাৰ-চাৰ একো পোৱা নাই। কোনোবাই পাইছে যদি কব নোৱাৰো।

৩নং—সেইবোৰ সাৰৰে ক'ৰবাত ঘাঁহ গজিবও পাৰে!

মন্ত্ৰী—ৰাইজ, ঘাঁহ গজিলেও গৰুৱেহে খাইছে। তেতিয়াও সৰহ গাখীৰ ৰাইজে পাইছে আৰু খাইছে। গৰুবো চেহেৰা ভাল হ'লে ৰাইজলৈকে ভাল। বাৰু, আন কিবা অভিযোগ আছে যদি কওক।

১নং—ৰামৰতনৰ কাৰবাৰ বন্ধ কৰিব লাগে।

২নং—সেইটোৱে আমাৰ আচল কথা।

মন্ত্ৰী—কিয়, ৰামৰতনে কি কৰিলে আপোনালোকক?

৩নং—সিয়েই সকলোবোৰ অনিষ্টৰ মূল। তাৰপৰাই ৰাইজৰ অনিষ্ট হৈছে বেছি। পথাৰত সি ইটাৰ ভাটা খুলিলে আমি খেতি কৰিম ক'ত?

২নং—আজি ইটাৰ ভাটাহে খুলিছে, পিচত দেখিবা সি ধানকল দুটামানো খুলি ৰহিব।

১নং—এতিয়া সি সকলো ধান-চাউল চুচি ৰাইজক জুৰুলা কৰিলে।

২নং—এই কথাই কথা নহয়। তাক ইয়াত সুমাবলৈ নিদিওঁ আমি। সি আহিলেই কথা বেয়া হ'ব।

৩নং—সি অহালৈ ৰাট চোৱাৰ দৰকাৰ কিহে? ব'লাহঁক তাক ধৰি আনি এটা শিক্ষা দিওঁ।—একেবাৰে ডাচোৱা দি দিওঁ বাপেকে!

১নং—মন্ত্ৰীয়ে ৰামৰতনৰ ইটা ভাটাৰ হুকুম নাকচ কৰিবনে নাই, আগতে তাকে কওক।

২নং—হয়, আমাক উত্তৰ লাগে। চৰকাৰে এফালে ৰামৰতনক লাভ কৰিবলৈ দিছে আৰু ইফালে আমাক শুকুৱাই মাৰিছে।

১নং—ৰামৰতনৰ এই সকলোবোৰ অন্যায় কাৰবাৰৰ হেস্তনেস্ত নহ'লে আমি আজি ইয়াৰপৰা নাযাওঁ।

৩নং—ওঁ, নাযাওঁ। মন্ত্ৰী-চন্ত্ৰী সকলোকে ঘেৰাও কৰি থৈ দিম বাপেকে।

মন্ত্ৰী—ৰাইজ, ৰামৰতনক ইটাৰ ভাটা পাতিবলৈ দিয়া কাৰণে আপোনালোকৰ খং উঠিছে। কিন্তু ৰামৰতনে ইটাৰ ভাটা নুখুলিলে আন কোনোবাই খুলিব লাগিব। কোনে খুলিব কওক। আপোনালোকৰ কোনোবা ওলালে তেওঁকে দিম। কওক, আপুনি খুলিব? (আন এজনক) আপুনি খুলিব?— আৰু আপুনি? ধানকলো পাতিব পাৰিব কোনোবাই? কওক আপোনালোকৰ কোনোবা আগবাঢ়ি আহিবনে? [ৰাইজ নিমাত]

কওক কাক কাক লাগে! ৰাইজ?

১নং—কি কৰিম আমি ধানকল আৰু ইটাৰ ভাটা পাতি?

মন্ত্ৰী—কিয়? ধনী হ'ব আপোনালোক সকলো। মোৰ মৰমৰ এই ৰাইজসকলৰ প্ৰত্যেকেই একো একোজন ধনী কাৰবাৰী হৈ উঠাটো মই বিচাৰো। মই আজিয়েই লিখি দিওঁ। কওক ৰাইজ, কাক কাক পাৰমিট লাগে।

২নং—আমি নিজে সেইবোৰতো পাতিবলৈ বিচৰা নাই।

মন্ত্ৰী—নিজে নিবিচাৰিলে লোকে বিচৰাত হকা-বধা কৰিব কিয় তেনেহ'লে? আপোনালোকে কেনেকৈ কব পাৰে যে ইটাৰ প্ৰয়োজন নাই —ধানকলৰ প্ৰয়োজন নাই? আপোনালোকৰ কোনে কব পাৰে যে আপোনালোকে চিৰকাল এনেকৈয়ে থাকিব; আৰু কোনেও কেতিয়াও পকা ঘৰ নাসাজিব। কোনে ক'ব পাৰে যে সদায় আপোনালোকে কাম-বন খতি কৰি ঢেকীতে ধান বানি খাব আৰু কলৰ চাউল নাখাব। গতিকে ৰাইজ, দুৰৰটো নাভাবি ওচৰৰটোলৈ ভাবি হঠাৎ কিবা এটা কৰিবলৈ নলব। তাৰ ফল বেয়াহে হ'ব। [এনেতে কোনোবা এজনে কিবা কব খোজে] ৰ'ব মোক ক'বলৈ দিয়ক। আপোনালোকক মই সুধিছো, ৰামৰতনৰ দৰে এটা এটা আপোনালোকৰ প্ৰত্যেককে মই সজাই দিবলৈ ইচ্ছা কৰো। তাত মহা আৰামেৰে আপোনালোকৰ প্ৰত্যেকে থাকিব পাৰিব। এতিয়া কওক, কাক কাক সেইবোৰ সুবিধা নালাগে। কওক বেগতে।……মই সুধিছো যে আন ঠাইতকৈ দহগুণ সস্তাত যদি ৰাইজক কলত বনা চাউল মই খাবলৈ দিওঁ তেনেহলে কাক কাক সেই চাউল নালাগে কওক। কওক, নামাতে কিয় কোনেও? ৰাইজ, কওক নালাগে বুলি।

[ৰাইজ মৌন।]

ৰাইজ, আপোনালোকে পিচপৰি থাকো বুলি জেদ কৰি পিচপৰি থাকিব পাৰিব; কিন্তু উন্নতিক পিচ পেলাই ৰাখিব পাৰিবনে? আপোনালোকৰ ঠাইত ৰামৰতনৰ কাৰবাৰ বন্ধ কৰি দিলেই তাৰ উন্নতি বন্ধ হৈ যাব বুলি কিয়……

ভাবিছে বাৰু? সি উন্নতি কৰি থাকিব। কিন্তু ৰাইজ, খুব বুদ্ধিমানৰ কাম হ'ব যদিহে ৰামৰতনৰ সেই

OKDISCD

উন্নতিৰ ভাগ আপোনালোকৰ কামত লগাই লব পাৰে।

১নং + ২নং—আমি সেইবোৰ বুদ্ধিৰ কিৰা জানিলেহে।

মন্ত্ৰী—জানিব খুজিলেই জানিব পাৰি, ৰাইজ। মই জানো, আপোনালোকে সজা স্কুলখনৰ ওপৰত টিনপাত পৰা নাই আৰু ভেটিও কেঁচা। ৰামৰতনৰ ইচ্ছা যে তাৰ ইটা ভাটাৰ ইটাৰেই প্ৰথমে স্কুলঘৰটোৰ ভেটিটো পকা কৰি দিয়ে। আৰু তাৰ এইটোও ইচ্ছা যে নামঘৰ-চামঘৰ আদিলৈও ৰাইজে বিচাৰিলে অলপ-চলপ ইটা নিব পাৰে। এটা ইটাৰ ভাটাত কতবোৰ চুক-কাণ ভগা ইটা ওলায়। সেইবোৰ আৰু সি বুকুত বান্ধি থাকিবনে? ৰাইজে দৰকাৰ হ'লে সেইবোৰকে দুই-এডোখৰ এনেয়ে নি ঘৰৰ দুৱাৰমুখত পাৰি লৰও পাৰিব। মুঠতে গাঁৱৰ ৰাইজৰ উপকাৰ হওক। ৰাইজ, এতিয়া কওক

আপোনালোকক এইবোৰ সুবিধা নালাগে যদি ৰামৰতনৰ ইটাৰ ভাটা নাকচ কৰি দিওঁ। সি আন এখন গাঁৱতে পাতকগৈ। সেইবোৰ মানুহেতো বিচাৰিয়েই আছে। কওক, নালাগে বুলি। এতিয়াই কেন্সেল কৰি দিওঁ।

১নং—দেদাই, কি কোৱা এতিয়া, সুধিছে নহয়?

৩নং—জানো কি কৰহঁক। মই কি ক'ম? সৌ তাক সোধ।

২নং—এহ্—মই আকৌ কিটো ক'ম বেলেগে? যি ভাল হয় তাকে কৰিব লাগে আৰু।

১নং—এৰা, আমিতো আৰু কাকো হিংসা কৰিবলৈ যোৱা নাই। ৰাইজৰ যদি ভালেই হয় তেন্তে পাতক বাৰু ভাটাটো। তেওঁ তেওঁৰ ভাগে থাকিব, আমি আমাৰ ভাগে থাকিম। নহয়নে বাৰু দেদাই?

৩নং—নহয়নো কি আকৌ।

মন্ত্ৰী—এৰা, এইটোহে উচিত কথা হৈছে। কোনে কাৰ পুখুৰীত বিহ ঢালিব পাৰে? মই বৰ সন্তোষ পালো। [ মাতটো মিহি কৰি বৰ আত্মীয়তাৰ ভাৱত কব'লৈ ধৰে ] পিচে—ৰাইজৰ মন পালো যেতিয়া আৰু এটা বৰ ভাল কথা মই এতিয়া কওঁ। কওনে বাৰু ৰাইজ?

১নং—কওক আৰু'। আপুনি পেটত কথাবিলাক পাগুলি থাকিলে আমিনো কিবা বুজি পামনে?

মন্ত্ৰী—ৰামৰতনৰ আৰু এটা ইচ্ছা আছে। তাৰ ইচ্ছা যে ৰাইজৰ স্কুলখনৰ ভেটিটো পকা কৰাৰ লগতে ওপৰৰ খেৰৰ ছালখনো গুচাই টিনপাতৰ কৰি দিয়ে। তেতিয়া কামটো সৰ্বাঙ্গসুন্দৰ হয় আৰু ৰাইজৰো বেছি উপকাৰ হয়। সি আচলতে বৰ ভাল মানুহ। তাৰ অন্তৰখন বৰ বহল। এতিয়া ৰামৰতনক কি কওঁ? কৰক বুলি কওঁ নে নকৰিবলৈ কওঁ—কওকচোন আপোনালোকেই?

১নং—দেদাই?

৩নং—[ ভেকাহি মাৰি দিয়ে ] মোকেনো কি সুধি থাক অ' বাৰে বাৰে?

২নং—এহ্—নকৰিবলৈ আকৌ কি ক'ব লাগিছে,—নিজে ইচ্ছা কৰি দিম বুলিছে যেতিয়া!

মন্ত্ৰী— হয় হয়, ময়ো তাকেই ভাবিছো। তাক স্কুল-ঘৰটো একেবাৰে টিনৰ পকী কৰি দিবলৈকে কওঁ। সি দিব। কিন্তু ৰাইজ, মানুহ অগুণকাৰী হ'ব নাপায়। অকণমান হ'লেও উপকাৰক কিবা যাচিব পায়। সি ৰাইজৰ কাৰণে ইমানবিলাক উপকাৰ কৰিবলৈ ওলাইছে, আমিনো তাৰ সমান কি দিব পাৰো! পিচে মই জানো সি আচলতে কি পাবলৈ বিচাৰে। সি বিচাৰে ৰাইজৰ অকণমান মৰম।

১নং—সেইটো আৰু কিবা সুধিবলগীয়া কথানে? কি কোৱা দেদাই?

৩নং—নহয় নে কি আৰু'?

সেইটো কিবা ক্ষয় যোৱা বস্তুনে?

মন্ত্ৰী—সঁচা। ৰামৰতনৰ হেঁপাহ যে গাঁৱৰ এমুৰে সি সৰুকৈ এটা দুচলীয়া ঘৰ সাজে। তাত আৰু কিবা চোৰ ডকাইত আনি ৰাখিবনে? গাঁৱৰ ৰাইজবেপৰা কেতিয়াবা ধানদোন, মাহমুঠি আৰু সৰিয়হ চাৰিটা কিনিলে সি তাতে থৈ দিব। তাৰপৰা কাৰনো কি লোকচানটো হ'ব? ৰাইজৰে বস্তু ৰাইজে দেখা পোৱাতে থাকিব। নহয়নে বাৰু? [ অলপ ৰয় ৰাইজ নিমাত ] তেনেহ'লে তাক কওঁ, ঘৰটোও সাজক বুলি। ৰাইজ ?'

ৰাইজ—এ'— সাজক সাজক। নাসাজিব কিয়? নহয়নে বাৰু?

[ ইত্যাদি সন্মতিসূচক আলোচনাত ৰাইজ মুখৰ হৈ পৰে ]

OKDISCD

গল্প

সুৰেশ চক্ৰৱৰ্তী

# কালচাৰেল শ্ব'

আমাৰ মৰিবলৈ সময় নাই। এইসময়ত যদি যমে নিজে আহিও কয়– 'তোমাৰ যোৱাৰ সময় হৈছে' তথাপি আমাৰ ৰবৰ সময় নাই; খুব বেছি কব পাৰো 'কথাটো বাৰু মই সময় পালে চিন্তা কৰি চাম আপুনি কেইদিনমান পিছত আহক।' অথচ এইখিনি কথাকে ঘৰৰ মানুহ হৈ ইহঁতে নুবুজে. ভন্তিজনীয়ে আজি দুদিনমান ধৰি কেপকেপাই আছে তাইক বোলে কিবা বিশ্বজ্ঞাননে কি সেইখন লাগে, আমাৰ ওচৰৰ দোকান কেইখনত বোলে নাই। এই দুদিনতে তাই হঠাৎ মাষ্টৰনীটো হয় আৰু কিবা এটা অজুহাত পালেই কয় 'তই দেখো এনেয়ে ঘুৰি আছ সেইকাৰনেহে কৈছোঁ। মায়ে ৰাতিপুৱাই কৈছে- 'আইতাই চকু দেখুৱাব মেডিকেললৈ আহিব, মই গৈ মটৰ ষ্টেচনৰ পৰা লৈ আহিব লাগে এনেয়ে বুঢ়া মানুহ তাতে আকৌ চকুৰেও জলকতবক দেখে।' অথচ মায়ে নিজেই দেখিছে মই আজি দুদিন দুপৰীয়া ঘৰলৈ অহা নাই, এই যে ৰাতিপুৱা চাহখিনি খাই ওলাই গৈছো ৰাতি ন-দহ– বজাতহে ঘৰ সোমাইছোঁ। গা চা ধোৱা পৰ্য্যন্ত বাদ। ভাগ্যে যেনিবা মোৰ হাতত পুচিং চেলৰ বেগটো আছিল নহলে গোটেই দিন লঘোনে যায়। নিজে এইবিলাক দেখিছে, শুনিছে, দুপৰীয়া নহা কাৰণে বকিছেও। তথাপি—

আমি এখন ভেৰাইটিশ্বৰ আয়োজন কৰিছো। ৰাজ্যখনত প্ৰবল বানপানী হৈছে। মানুহৰ দুখ-দুৰ্গতিৰ সীমা নোহোৱা হৈছে, গৰু ছাগলীৰতো কথাই নাই খেতিপথাৰৰো কোনো চিন চাব নাই। সকলোফালে কেৱল পানী ৰেলৰ যোগাযোগ পৰ্য্যন্ত বিচ্ছিন্ন হৈ গৈছে। ৰেডিঅ' বাতৰি যোগে আমি খবৰ বোৰ পাই আছোঁ। চৰকাৰে ছাত্ৰসন্থা বিভিন্ন স্বেচ্ছামুলক সংস্থাবোৰে ৰাইজলৈ আহ্বান জনাইছে বানপীড়িত আতুৰ ৰাইজক যিজনে যেনেকৈ পাৰে সহায় কৰিব লাগে। দুখীয়া ৰাইজক উদ্বাৰ কৰিব লাগে। খবৰ কাগজৰ প্ৰথম পৃষ্ঠাত ওলোৱা ফটো দেখি, গৰু ম'হ শস্যৰ ভড়াল উটি-যোৱা কাহিনী পঢ়ি ৰেডিঅ' যোগে স্বয়ং মূখ্যমন্ত্ৰীয়ে হেলিকেপ্টাৰ যোগে পীড়িত অঞ্চল পৰিদৰ্শন কৰা শুনি আমি গভীৰভাবে কথাটো হৃদয়ঙ্গম কৰিছোঁ। আৰু আনে কিবা কওক বা নকওক আমাৰতো নতুন পুৰুষ বুলি কিবা এটা কৰিব লগা আছে। ৰঞ্জিতাইতো আবেগতে কৈয়েই দিছে-'জানা আজি মই ভাৰ্চিটিলৈ যাওতে দেখিছোঁ নহয় ব্ৰহ্মপুত্ৰখনেই ইমান বাঢ়িছে পাৰ হব ধৰা জাহাজবোৰ দেখি মোৰ বাছতেই বুকুখন কঁপি উঠিছে; ইমান ভৰা নদী আৰু নাওবোৰযে মাই গড।— কাজেই আমি প্ৰাগজ্যোতিষ সাৰ্বজনীন সংঘই সম্পূৰ্ণ চাৰিফটা আমাৰ সাধাৰণ সভাৰ বাক বিতৰ্কৰ পিছত সৰ্বসন্মতিক্ৰমে এখন বানপীড়িতৰ সাহায্যাৰ্থে কালচাৰেল শ্ব পতাৰ আয়োজন কৰিছোঁ। আমাৰ সংগঠনটোৰ মই অৰ্গেনাইজিং চেক্ৰেটাৰী সাংগঠনিক সম্পাদক প্ৰচুৰ দায়িত্ব মোৰ, নতুন সংগঠন তাতে আকৌ কালচাৰেল শ্ব খনৰ কৃতকাৰ্য্যতাৰ ওপৰতে নিৰ্ভৰ কৰিব আমাৰ ভৱিষ্যত।

হ'লৰ সমস্যাটো আমি সমাধা কৰিলোঁ। ৰবীন্দ্ৰ ভৱন, ৰাজ্যিক পুথিভৰাললৈ আমি নাযাওঁ। দুই আঢ়েশ টকা কোনে বতিয়াৰ? আমাৰ ওচৰত এখন পলিটেকনিক ইনষ্টিটিউট আছে; আমি তাৰে অডিতৰি য়ামটো লোৱাৰ কথা ভাবিলোঁ। নিদিব? কিয় নিদিব, প্ৰিন্সিপালৰ লৰাই দেখো আমাৰ সংগঠনৰ সভাপতি আৰু ৰবিতা তাই দেখো অভ্যৰ্থনা সমিতিৰ প্ৰধান আহবায়িকা আৰু চাৰকটো আমি মাতিবই লাগিব, তেখতটো চিক পেট্ৰন হবই লাগিব;

OKDISCD

যেনিবা আনৰ ক্ষেত্ৰত লোৱা পইছাখিনি আমি চাবৰ ক্ষেত্ৰত ৰেহাই দিলোঁ। কি ক্লাছৰ অযুহাত দেখুৱাব, চৰকাৰৰ কথা কৰ? কিয় আমি শনিবাৰে গধূলি পাতিম, ৰবিবাৰে হল খালিকৰি দিম আৰু হলৰ ভিতৰতটো আটিষ্ট মাতি আমি চৰকাৰৰ বিৰুদ্ধে মিটিং কৰিব নাযাওঁ? আৰে বাৰা খুব বেছি হোৱে: গোৰো কৰিলে চাবক উদ্বোধনী কৰিব মাতিম, তেতিয়া—' বিজয় উল্লাসত আমাৰ সাধাৰণ সম্পাদক চৰিফে কলে।

চহী থাকিলে ইয়াত তিনিওজনৰে চহী থাকিব লাগিব, নাথাকিলে কাৰো থাকিব নোৱাৰে'—তৃতীয় দিনা আমাৰ সাংস্কৃতিক সম্পাদক ৰেকিবে মুখত হাঁহি নোহোৱাকৈ কথাটো কলে।

তিনিজন মানে প্ৰেসিডেণ্ট চেক্ৰেটাৰী আৰু তই কাৰ কথা কব খুজিছ? কিয় মই যদি কালচাৰেল চেক্ৰেটাৰী হৈ কিমান কাৰ্ড ইচু হ'ল কিমান দৰ্শক হ'ল সেইটো নাজানো কেনেকৈ হব?

—'একো নাই, নামটোনো কি কথা—সাংগঠনিক সম্পাদক মই কাৰ্ডৰ নবসা খনৰ তলফালে প্ৰেচিডেণ্ট আৰু চেক্ৰেটাৰীৰ মাজত মই কলচাৰেল চেক্ৰেটাৰীৰ চহী' শব্দটো ভৰাই দিলো। আমি টিকট চপালো। পঞ্চাশ খন পেট্ৰন কাৰ্ড, এশখন দহটকীয়া, দেৰশখন সাতটকীয়া দুশখন পাচ টকীয়া। বগা, ৰঙা, নীলা, হালধীয়া ৰঙৰ মুঠ পাচশ খন টিকট আমি চপাৰলৈ দিলোঁ। সৰু হল, তাতকৈ বেছি মানুহ নধৰে। কি হল? টিকটৰ হাৰ বেছি, কোনে কৈছে? তোমালোকেতো জীৱনত চিনেমা, টি ভি, ৰেডিও' ৱাতৰিত ৱাদে আচল ৱানপানী দেখা নাই; সেইখন পৃথিৱীৰ ৱিষয়ে তোমালাকৰতো তিলমানো অভিজ্ঞতা নাই। ষ্টেপৰ পৰা নামিয়ে এখোজো মাটিত নপৰা বা গাড়ীত বহিছা ক'ত উপলব্ধি কৰিবা নেই মানুহখিনিৰ মানসিক যন্ত্ৰনা। যদি দেখিলাহেতেন তেন্তে নকলাহেতেন এই পাঁচ দহটকা বেছি হোৱা বুলি! আৰু আমিতো এনে পইছা লোৱা নাই, ইমান ডাঙৰ শিল্পী আছে গান গাব; চাউও এণ্ড কমেদি থাকিব, সুৰ সমলয় থাকিব, মেহনতী জনতাৰ যুক্তিৰ ওপৰত এখনি আলেখ্য থাকিব, কৌতুক থাকিব। মহন্ত, শৰ্মা বৰঠাকুৰ, ভট্টচাৰ্য্য, বনিয়া আটাইবোৰ থাকিব। অকল হাজৰিকাহে নাই। বাদ ৰাকী দেখো গোটেইবোৰ আছে তেনেস্থলত-?

বছা বছা শিল্পীৰ নাম দি তিনিচাৰিটা জনবহুল চকত বিজুলী তাঁৰৰ খুটাত আমি গোটেই ৰাস্তা আগুৰাকৈ বেনাৰ আঁৰিলো। খবৰ কাগজত বাতৰি চপালোঁ।

কাৰ্য্যকৰী সমিতিৰ সিদ্ধান্তও ঠিক হ'ল আমি আমাৰ কাউণ্টাৰত সীমিত সংখ্যক টিকটহে ৰাখিম। বাকীখিনি 'পুচিং চেল' হব। বিভাগীয় সম্পাদকৰ চহী হোৱাৰ পিচত কাৰ্ডবোৰ ভাগ কৰা হ'ল। পাঁচ টকীয়া টিকটবোৰৰ দায়িত্ব আমাৰ কনিষ্ঠ সদস্য সকলৰ ওপৰত দিয়া হ'ল। সৰু সৰু লৰা সিহতে এইখিনিয়ে কৰক; কিন্তু ইনচাৰ্জ? পইছা পাতিৰ হিছাপৰ কথা, কোনোবাই কিবা এটা সুধিলে হা না কৰলৈ অলপ ডাঙৰ ল'ৰা এটা? কি হ'ল, কোনো নাই? সকলোৱে আশাত নিজা নিজা গ্ৰুপ হিছাপে ভাগি গৈছে! "ঠিক আছে, মই যাম" 'নাই নাই তুমি কেনেকৈ যাবা; তুমি আমাৰ লগত থাকিব লাগিব'- বৰিতাৰ কথাত মই সিহতলৈ চালোঁ।

কিয় তোমালোকৰ লগত মুনমুন, ৰঞ্জিতা, আক্ৰিণ আছে; আমাৰ প্ৰেচিডেণ্ট, চেক্ৰেটাৰী আছে, তেনেস্থলত?

'তই ধেমালিখন নকৰিবিচোন আমাৰ নিজৰোতো এটা কথা আছে, পাৰ্টিটো অকনমান গ্ৰেভিটি থকা হব লাগিব, মাথা মাৰিব লাগিব, অলপ চতুৰা হ'লে ইহঁতৰ মুখকেইখনেই যথেষ্ট, কিন্তু কনজুইচ টাইপৰ হলে- তেতিয়া, আমাৰ প্ৰেচিডেণ্ট অনুপলে অলপ টানসুৰতেই ক'লে।

তুমি তেনেকুৱাখন কৰিলে কেনেকৈ হব? আমি দিয়াচোন এটলিষ্ট কথাখিনি কব পাৰিম, কিন্তু কিবা প্ৰশ্ন সুধিলে মই হ'লে কৈ দিছো ভাই, বোচ কৰিবলৈ বৰ দিগদাৰি পাম। ৰঞ্জিতাৰ ওফোন্দ ভৰা কথাৰ যোৰত মই সন্মতি দিলোঁ। 'ঠিক আছে তোমালোক ইমানকেইটা ভুগোল জনা মানুহ থাকোতেও যদি মই ভুগোল নজনা মানুহটোৱে কিবা ভয় কমাৰ পাৰো তেনেহলে যাম।' পেট্ৰন কাৰ্ডৰ কাৰণে আমি গাড়ী এখন ললোঁ। গাড়ীত গলে এটা গ্ৰেভিটি থাকে; সাতজনীয়া পাৰ্টি আমাৰ এটা গ্ৰেভিটি আছে। চৰিফে হিন্দী ক'ব পাৰে, ৰঞ্জিতা, ববিতাইও সৰুৰে

OKDISCD

পৰা ইংৰাজী স্কুলত পঢ়ি আহিছে দেউতাককো সকলে পৰা পাপা বুলি মাতি আহিছে ; গতিকে আখৈ ফুটাদি ইংৰাজী কব পাৰে। গুৰি ধৰিবলৈ ভঙা ভঙা হিন্দী, ইংৰাজী, অসমীয়া মিহলিকৰি বুজাব পৰাকৈ আমি আছো পেট্ৰন কাৰ্ডৰ ওপৰত আমাৰ বৰ আশা। পঞ্চাশখন পেট্ৰন কাৰ্ডত গড়ে অতি কমেও পঞ্চাশ টকাকৈ হলেও আঢ়ৈ হাজাৰ টকা। যায় যাওঁকনা তাৰে দুই চাৰিশ টকা গাড়ী খৰচত, সেইটোনো কি কথা ?

আমাৰ দৰদী শিল্পী সকলক আমাৰ মনৰ কথা জনালোঁ। তেখেত-সকলে সম্মতি দিলে। দেশৰ এই দুৰ্দিনত যদি তেখেত সকলৰ কণ্ঠই সহস্ৰজনৰ পেটত এমুঠি খুদকন দিব পাৰে তেখেত সকলৰ কণ্ঠ সাৰ্থক হব। নালাগে তেখেতসকলক বানচ। কিন্তু······। আমি কথা দিলোঁ অনা নিয়াৰ খৰচ আমি বহন কৰিম, অনুষ্ঠানৰ আৰম্ভনি আৰু শেষত সাধ্যানুসাৰে কিবা অলপ পৰিচৰ্য্যা কৰিম। আৰু হেণ্ডচ মানে যন্ত্ৰ সঙ্গীতত সংগত কৰা মানুহখিনিক কিবা এটা পাৰিশ্ৰমিক দিম। এইটোনো কি কথা আমি বুজিলো-যিহেতু তেখেতসকলৰো এইটোৱেই জীবিকা।

বহু সময় ধৰি হোৱা বাক বিতণ্ডাৰ শেষত আমি অনুষ্ঠান পৰিৱেশনৰ থুলমুল ধাৰনা এটা কৰিলোঁ। উদ্বোধনী অনুস্থানৰ পিচতে আমাৰ সংগঠনৰ সমবেত সংগীত এটা থাকিব। কামৰ মাজতে দুই তিনিবাৰ আহি মই সমবেত সংগীতটোৰ লৰাৰ ফালৰ দ্বিতীয় স্থানটো পুৰাই গলো। 'দেখা শুনাৰ কথা আছে, উচ্ছতাৰ কথা আছে গ'লা একে নহলেও কথা নাই সকলৈ গাবি—' -কালচাৰেল চেক্ৰেটাৰী বেকিবে মোক জোৰ জবদস্তি লাইনত থিয় কৰাই চাই ক'লে। আকৰিনে কলে তাই এইকেইদিন ৰদে ৰ'দে টিকট বেছি ঘৰে ঘৰে ফুৰিছে সিহঁতে সাত ভনীৰ এটা নাচ দিব, তাই স্কুলৰ লগৰ ছোৱালীবোৰক কৈ থৈছে। অনামিকাই এটা আধুনিক নৃত্য দিব। বেকিবৰ ভনীয়েকে আজি দুৰছৰমান গীতাৰখন হাতত লৈ প্ৰত্যেক ৰবিবাৰে কৰবালৈ গৈ আছে, তাই সুৰসগলয় এটা পৰিবেশন কৰিব। নাৰায়ণে আহি ক'লে — 'চাছোন সেইটো আশাতে মানুহ ঘৰে তিনিটা টিকট লৈছে- পাঁচ সাত টকাৰ টিকত নহয় দহটকাৰ টিকট, বেকিবক ক'লো বাহিৰা মানুহৰ প্ৰগ্ৰেম বোলে সি নিদিয়ে। অকনমানি ল'ৰা চাছোন তহতে কেনেকুৱা বজায় তাৰ পিছত কবি। মই ন-দি কৈ আহিছিলো প্ৰগ্ৰেমটো দিম বুলি এতিয়া অন্য নহলেও মই বিনীমাৰ আগত কেনেকৈ মুখ উলিয়াম তয়েই ক'ছোন।'—ঠিক আছে কোনোবা আৰ্টিষ্টৰ যদি অহাত পলম হয় তেনেহলে প্ৰগ্ৰেমটো বাৰু দি দিবি মই তাক বুজাই পঠালোঁ।

ঘামি জামি টিজিৰ তুলা হৈ আহি বেকিৰ মোৰ কাষ পালে 'নোৱাৰো মই এইবিলাকৰ লগত মুৰটো গৰম কৰিব। কোৰাচ তোৰাচ বাদ, কোনো দৰকাৰ নাই, এনেয়ে প্ৰগ্ৰেম আৰম্ভ কৰিলে হ'ল। ফাইনেল ৰিহাৰ্চেল দিব ওলাইছোঁ সুৰ মিলাইছো হঠাতে তাইৰ কোৰাচ গোৱাৰ মন নোহোৱা হৈ গ'ল। এনেকৈ সম্ভৱ নেকি? মই মুচফিয়াক সুধিলোঁ সচাকৈ কছোন কি হৈছেনে তোৰ, মুৰ ঘিৰাইছে, গা বেয়া লাগিছে, ইহঁতে কোনোবাই কিবা কৈছে ?

'—নাই।

'—তেনেহলে ' ?

—একো হোৱা নাই, এনেয়ে মন যোৱা নাই। '

—'ধেৎ এনেয়ে কিবা কাৰণ নোহোৱাকৈ কাৰোবাৰ হঠাতে মন নাযাব পাৰেনে?

নাগাও মই পঠালি কোনোবাজনীৰ কাষত থিয় হৈ সকলোৱে তাইক দেখি হাঁহিব। '

—সেই বুদ্ধিখিনিও নাজান, তই তেনেহলে অনামিকাৰ কাষতে থিয় হৈ গালি, কিন্তু মানুহে কাক চাব? অনামিকাক চাব, তোৰ কিতো লাভ হব ? তই যদি প্ৰনতিৰ কাষত থিয় হৈ গাৱ মানুহে মাথোন এবাৰহে তাইৰ ফালে চাব, বাকীখিনি সময় তোলৈ চায়েই থাকিব। আৰু হাহিলেও তোক কিয় হাঁহিব তাইকহে হাঁহিব। বেঙী, ছোৱালী হৈছে, সেইখিনি বুদ্ধিও নাজান। অৰ্গেনাইজিং চেক্ৰেটাৰী মই বেকিবক ক'লো—ক'তা তাইৰ মুৰটো ঘেয়া লাগিছিল নেকি ? গাব গাব, কিয় নাগাব, তই ৰিহাৰ্চেল দে।

মাইক্ৰফোন আহিল, ভাড়াৰ চকী আহিল, জাপি শৰাই বিছুৱা গামোচাৰে আমি মঞ্চ সাজিলোঁ। দুপৰীয়াতে কোৰাচ টোৰ এটা ষ্টেজ ৰিহাৰ্চেল দিলোঁ। সম্পাদক, সভাপতিয়ে আমাৰ উদ্দেশ্য ব্যাখ্যাৰ দুই তিনিবাৰ আখৰা কৰি চালে। ভাগে ভাগে

স্বেচ্ছাসেৱক নিযুক্তি দিয়া হ'ল। আৰ্টিষ্ট অনা নিয়াৰ কাৰণে আমি এখন টেক্সি গধুলিটোৰ বাবে ভাড়া ললোঁ। মুখখন ওফোন্দাই তীব্ৰ বিৰক্তিৰে ৰানাই আহি কলে। ইহঁতৰ অলপো কাণ্ডজ্ঞান নাই, কি ভাবিব তাই, এটলিষ্ট ল' পঢ়া ছোৱালী তাইক দিছে ৰিচেপচনত আনে খোৱা দিচবোৰ বুটলিব' কিয় এইটোতো বেয়া হোৱা নাই ডাঙৰ ছোৱাল এজনী নাথাকিলে অলপ খেলিমেলি হব বুলি ভবিয়েইতো তাইক তাত দিয়া হৈছে। কিয় তাই তোক কিবা কৈছে নেকি?

কোনে নিৰ্মলাই।

'অ'—'

—কিয় কব শিক্ষিতা ছোৱালী তাই। কিন্তু বাকীবিলাকেতো বুজিব লাগে। অন্য নহলেও তাই আমাৰ সংগঠনৰ ভি, পি,-উপসভাপতি। তেনেহলে এটা কাম কৰা যাওঁক তাইক কৈ দিয়া যাওক নামটো আৰু আনে দেখাকৈ নেকাটো তাই অনবৰত তাত লাগি থাকিব নালাগে কামখিনি এনেয়ে চালে হ'ল—এই ধৰ অৰ্টিষ্ট জন আহিল-তেওঁক মাতি নি আদৰ সাদৰ কৰি ৰখুৱা, সকলোৱে ভাগে ভাগে বস্তু পালেনে নে নাই সেইখিনি চোৱা, কাৰোবাৰ কৰবাত দেৰি হলে কৈ দিয়া, এইখিনি কামটো তাই বেয়া নেপায় আৰু এইখিনি কামৰ কাৰণেতো আমাক জনাবুজা ছোৱালী এজনী লাগে। নে কি কৱ?

—'অ তেনেকুৱা হ'লে একো কথা নাই, কিন্তু—

ভাগে ভাগে বেজ পিন্ধি আমি গধূলিলৈ সাজু হ'লোঁ। মাইকত ৰেকৰ্ড বাজিল। কলনিৰ পিলিঙা মখাই চুচুক চামাককৈ গেটৰ সমুখত ভিৰ কৰিলে। দুই এটাকৈ মানুহ আহিল। হলটো প্ৰায় সম্পূৰ্ণ হও হও হ'ল। দুই নম্বৰ দুৱাৰখনৰ মানুহএজনে উচ্ছস্বৰে কথা কোৱা দেখি আমাৰ সম্পাদক আগুৱাই গ'ল কোনোবা এজনে সভাপতিক মাতি নিয়ালে। সিহঁতে মানুহজনক কোনো-পধ্যে সৈমান কৰিব নোৱাৰিলে। চিঞৰ বাখ বেছি হোৱা দেখি মই আগুৱাই গলোঁ। কিয় বহিম মই দহটকাৰ টিকট কাটি পাঁচ টকাত?

—কিন্তু আপোনাৰ টিকটখনতো পাঁচ টকাৰ—

—কোনে কৈছে পাঁচটকাৰ টিকটবুলি মই নিজেই টকা দিছো; তিনি চাৰিজন লৰা গৈছে, মাতকচোন সেই লৰাকেইজনক—'

অঙ্কটোৰ উত্তৰ মই পাই গলো তপৰাই কলো ঠিক আছে সিহঁত সৰু লৰা নহয়, সিহঁতে বোধহয় ভুলতে হাৰটো দহ টকা বুলি শুনিলে সেইকাৰণে আপোনাৰ পৰা দহটকা ললে। আপুনি বেয়া নেপাব আমি বৰ লাজ পাইছোঁ। আপুনি দহটাতে বহিব। ক'ত সৰু লৰাহে' দাড়ি, গোঁফ থকা লৰাকেইটা সৰু লৰা নেকি? কাৰ্ডখনৰ সৈতে নিজে মানুহজনক লৈ মই দহটকীয়া চিটত বহাই দিলোঁ। নম্বৰটো টুকি ৰাখিলোঁ সংগঠনৰ সম্পাদক মই প্ৰচুৰ দায়িত্ব মোৰ।

পিচদিনা আবেলি মই চিংৰা চাহৰ প্ৰলোভন দেখুৱাই চেমনীয়া ল'ৰাকেইটাৰ সহায়ত ভাড়াত অনা চকীকেইখন ঠেলাগাড়ীত তুলি 'দি পঠালোঁ। সিঁহতে ভোৰভোৰাই থাকিল —'খাবৰবেলিকা আমাক কোনেও খবৰ নকৰে, কিন্তু কামৰ বেলিকা আমাক লাগে; আমি দেখিছো নহয় দুই এজনৰ সম্বন্ধীয়া লোকো বাদ পৰা নাই, মাতি নি খুৱাইছে। এতিয়া কাম কৰিব লাগিব নহয় কিয় খবৰ কৰিব।' ইচবাম এই-বিলাক বেয়া কথা, মানুহজন সম্পৰ্কীয় হয়, মই সেইটো স্বীকাৰ কৰিছো বাৰু কিন্তু সেই একেজন মানুহেতো অৰ্টিষ্টৰ লগতো আহিব পাৰে তেওঁকো সেইটো ধৰণে সোধপোচ কৰিব পাৰে। আৰু খোৱাতোনো কি ডাঙৰ কথা আমাৰ উদ্দেশ্যটোহে আচল কথা, আমি সেইটোহে চকু দিব লাগে— মোৰ মুখলৈ চায়েই সিঁহতে কথা বোৰত পতিয়ন গ'ল।

ওফোন্দা ওফোন্দি চুটুৰীয়া মেল বক্ৰোক্তিৰ প্ৰাথমিকতা খিনি অতিক্ৰম কৰি আমাৰ কাৰ্যকৰী সভা বহিল। বিত্তীয় সম্পাদক প্ৰনবে আমাক হিছাপ দিলে ৰিচিপচনত নশ টকা, চকীপতাত আঠৈশ টকা পেট্ৰনকাৰ্ড বিক্ৰিৰ গাড়ীখনত তিনিদিনত মুঠ ছশ, মাইক দেৰশ অৰ্টিষ্ট অনানিয়া কৰোতে গাড়ীভাৰা দুশ, 'হেণ্ডচ' কেইজনক মুঠতে পাচশটকা, ভলন্টিয়াৰৰ বেজত পঞ্চাশ, বেনাৰত পঞ্চাশ, টিকট ছপাওঁতে পঞ্চাশ, আৰু এইকেইদিন চাহবাবদ কেন্টিনত প্ৰায় পঞ্চাশটকা সৰ্বমুঠ দুহাজাৰ আঠশটকা। ইয়াৰোপৰি নন্দাইঁতে পাচখন দহটকীয়া টিকট হেৰাইছে সিঁহতে পইছাখিনি দিব খুজিছিল

OKDISCD

কিন্তু খুৱাহঁতে শুনিলে বেয়া পাব কাৰণে আমি পইছাখিনি লোৱা নাই। অৰ্পন আৰু আকজলে নিয়া পচিশখন টিকটৰ প্ৰায় দেৰশ মান টকা সিহঁতে জমা দিয়া নাই; সিহঁতৰ মাজৰ বোলে কিবা হিছাপ কৰিব লগা আছে। গতিকে সংগঠণৰ নামত এতিয়া তাৰ হাতত প্ৰায় দেৰহাজাৰ টকা আছে।

যুক্তি তৰ্ক দলিয়াদলিৰ পিছত সিদ্ধান্ত হ'ল আমি ইয়াৰ পাঁচশটকা বানপীড়িত সকলৰ সাহাৰ্য্যাৰ্থে দিম বাকী এহেজাৰ আমাৰ সংগঠনটোৰ ঘৰটোত খৰচ কৰিম অন্তত; খেৰৰ উৰুখা চালতুখন গুছাই টিন এবান্ধ আনি সদ্যহতে চালি এখনৰ নিচিনা কৰি থম। পিচেপৰে পাৰিলে বাকীখিনি লাহে লাহে কৰিম। যিহেতু সংগঠনটোৱে আত্মপ্ৰকাশ কৰিলেই, অন্য নহলেও অস্তিত্ব বুলিবলৈ ঘৰটো অকনমান ভাল হ'ব লাগে। এতিয়া কথা হ'ল বাকীখিনি পইছাৰে আমি কেনেদৰে সহায় কৰিম? অন্য নহলেও জোৱা তাপলি মাৰি আন সংগঠনৰ লগত দুবস্তামান চাউলকে পঠাব পৰা গ'লহেতেন। কিন্তু মস্কিলহ'ল আমাৰ লগৰ ৰঞ্জিতা, মুনমুন, চকিয়াহতক লৈ। সিঁহত আকোৰগোজ। সিঁহতো বানপীড়িত অঞ্চললৈ যাব, ইমানডাঙৰ হ'ল এতিয়ালৈ খবৰ কাগজ আৰু টি ভি বা চিনেমাত দেখাৰ বাহিৰে আচল বানপানী দেখা নাই। গতিকে এইবাৰ সিঁহত যাবই পানীত বুৰা মানুহবোৰক চাবৰ বৰ মন, বানপানী চাবৰ বৰ মন। সাপ, জেঁাক, পানীমেতেকা, চৌদিশে পূত্তিময় দুৰ্গন্ধ গৰুমহৰ মহামাৰী একোৱে সিঁহতক ওলাব নোৱাৰিলে। ইফালে আমাৰ হাতত পইছা হল মাত্ৰ সিমানখিনি। সিহত যোৱা মানে আৰু এখন টেক্সি ভাড়াত লোৱা, সিঁহতকতো আৰু ট্ৰাকত নিবনোৱাৰি। গধূলি ছয়বজাত বহা আমাৰ কাৰ্য্যবাহী সভা ৰাতি নবজাতো নাভাঙিল। অনামিকাক মাকে মাতি নিলে। পাপৰিৰ দেউতাকে ভুমুকিয়াই গ'ল—কি তহঁতৰ মিটিং শেষেই হোৱা নাইনে? ৰেকিবৰ বন্ধু এজন আহিল —কামকৰা লৰটোৱে তাক মাতি গ'ল। অৱশেষত ঠিক হ'ল আমি আমাৰ উপদেষ্টা ৰিপুদাক সোধো, তেখেতে কি কয় আমি তাকেই মানিম।

আজৰিপৰত গোটেইখিনিকথা আমি ৰিপুদাক ক'লো। তেখেতে মনপুতি শুনিলে—তহঁতৰ হাতত এতিয়া কিমান পইছা আছে? কও আছে, মাত্ৰ পাচঁশ হে আছে।

ঠিক আছে সেইখিনিকে লৈ যা মই কি কৰিব পাৰো চাওঁ? আচ্ছা তহঁতে সংগঠনটো ৰেজিষ্ট্ৰেচন কৰিছনে? নাই কৰা।

যা হ'ব যা।

এসপ্তাহ পিছত চিগাৰেট হুপি হুপি আহি ৰিপুদা গধূলি আমাৰ সংগঠনৰ অফিচত বহিল। চৰিফক কলে হ লৰ তহঁতৰ সংগঠনৰ ৰেজিষ্ট্ৰেচন নম্বৰ।' ভক্তিত আমাৰ মূৰ দো খাই গল, মানুহটোৱে আমি নোকোৱাকৈয়ে ভালেখিনি কাম কৰিলে।

তহঁতে ভাব নেকি, এইযে সংগঠনবোৰে, অনুষ্ঠান প্ৰতিষ্ঠানবোৰে, দান বৰঙনি তোলে সকলোবোৰ ঠিক ঠিক সময়ত ঠিক ঠিক ভাবে মানুহৰ হাতত পৰে? মুঠেই নপৰে। মৈ দেখিলো নহয়। বুদ্ধি লাগে বুজিছ, বুদ্ধি, এক গুলিত দুই চিকাৰ, সংগঠনৰ নামো হল, লাভো হ'ল। ধৰ এইখনি কৰোতে আমাৰ তিনিশ টকা খৰচ হ'ল, কিন্তু চাবি তিনিমাহ পিছত তিনিহাজাৰ টকা চেংচন হৈ আছে। এতিয়া এবান্ধ টিন আনিব খুজিছ, তেতিয়া হাফওৱাল বনাব পাৰিবি। হ লৰ—'

—আমাৰ সম্পাদকে হাত পাতি ললে। মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ নামত থকা দুশটকীয়া ৰচিদখন বানপানীত উটি অহা মৰাগৰুৰ ওফোন্দা পেটটোৰদৰে তাৰ হাতত জিলিকি থাকিল। ●

OKDISCD

বিষয়ত চৰকাৰৰ কোনো বলিষ্ঠ পদক্ষেপ লক্ষ্য কৰা নাই।

পূৰ্বৰ চৰকাৰৰ দিনত মাটি-ঘৰ, ছাত্ৰ-ছাত্ৰী, ফলাফল আদি বিচাৰি একোখন বিদ্যালয়ক যুগ যুগ ধৰি অৱহেলা কৰাৰ ফলত বহুতো শিক্ষকে বিদ্যালয় নৌ-চৰকাৰী হওতেই অৱসৰ গ্ৰহণ কৰিব লগা হৈছিল। নিবনুৱা সকলক চাকৰি দিয়া, শিক্ষা ব্যৱস্থাৰ উন্নতি সাধন কৰা আদি যদি চৰকাৰৰ উদ্দেশ্য হয় তেনেহলে চাকৰিৰ নিৰাপত্তা নোহোৱাকৈ বিদ্যালয়ত ১৫/২০ বছৰলৈ চাকৰি কৰি থকা শিক্ষক সকলৰ চাকৰিৰ ক্ষেত্ৰত কি পদক্ষেপ লোৱা হৈছে? বিদ্যালয় একোখন সম্পূৰ্ণ হবৰ বাবে প্ৰয়োজনীয় দিশবোৰ চৰকাৰ বা বিভাগে যেতিয়া যেনেকৈ পাৰে কৰি লব—কিন্তু বিদ্যালয় স্থাপন কৰাৰ পিছত তাত চাকৰি কৰা শিক্ষকসকলৰ চাকৰিৰ নিৰাপত্তাৰ ব্যৱস্থা কৰক, বেতন দিয়ক—নহলে শিক্ষা ব্যৱস্থাৰ উন্নতি হব নোৱাৰে।

আমাৰ চকুত পৰিছে গুৱাহাটী মহানগৰীৰ মাজ মজিয়াত ১৯৭২ চনতে স্থাপন হোৱা নুনমাটি উচ্চ বিদ্যালয় খন আজিও লেপাই ধেপাই পৰি আছে। চৰকাৰী কৰণ পৰ্য্যায় পোৱা দূৰৰ কথা স্বীকৃতিও চৰকাৰ বা শিক্ষা বিভাগে দিব পৰা নাই। এনে বিদ্যালয়বোৰ শিক্ষা বিভাগ বা চৰকাৰৰ দায়িত্বৰ ভিতৰত নপৰে নেকি? আমি জনাত এইখন বিদ্যালয় ৰেলৱেৰ মাটিৰ ওপৰত স্থাপিত। ইতিমধ্যে অসম চৰকাৰে ৰেলৱে বিভাগৰ অতিৰিক্ত মাটি ওভোতাই লোৱাৰ কথাও সদৰি হৈছে। আমি জনাত এইখন বিদ্যালয়ৰ নামত ৰেলৱে কৰ্তৃপক্ষই মাটি দিয়াৰ সন্মতিও জনাইছে আৰু অসম চৰকাৰৰ যোগে বিদ্যালয়ৰ নামত হস্তান্তৰৰ ব্যৱস্থা কৰাৰ দায়িত্ব দিছে। সেয়ে হ'লে চৰকাৰ বা বিভাগবোৰে এনে বিদ্যালয় একোখনৰ মাটি নথকাৰ অজুহাত দেখুৱাই বঞ্চিত কৰি অহাৰ প্ৰয়োজন ক'ত?

অসমৰ চুকে কোনে এনে অৱস্থাৰ বিদ্যালয় যে কিমান আছে সীমা নাই। কিন্তু একোখন দেশৰ মানুহৰ প্ৰয়োজনত গঢ়ি উঠা বিদ্যালয়বোৰক বিভাগীয় তথা চৰকাৰী সা-সুবিধা আগ বঢ়োৱাৰ ক্ষেত্ৰত অহেতুক তাৰতম্য কিয়? ৰাইজৰ বিচাৰ মতে অসমত ইতিমধ্যে স্থাপিত হৈ বিভাগীয় অনুমতি বা স্বীকৃতি পোৱা সকলো বিদ্যালয়কে চৰকাৰ বা বিভাগীয় দায়িত্বত চৰকাৰী (প্ৰাদেশিকীকৰণ) পৰ্য্যায়লৈ উন্নীত কৰি সেই বিদ্যালয়ত দীৰ্ঘদিন ধৰি শিক্ষকতা কৰি মহৎ দেশসেৱাৰ কাম কৰা শিক্ষক সকলক চাকৰিৰ নিৰাপত্তা দিব লাগে। আনহাতে বিদ্যালয় সমূহত খালী হৈ থকা পদবোৰত অনতি পলমে শিক্ষক নিযুক্তিৰ ব্যৱস্থা কৰিব লাগে।

ইয়াৰ বাহিৰেও বৰ্ত্তমানৰ বিষয়ৰ গাথনিলৈ লক্ষ্য ৰাখি আওপুৰণি ৰীতিৰে এটা শাখাত এজন শিক্ষক নিযুক্তি দিয়া পদ্ধতিৰ পৰিবৰ্তন ঘটাই এটা শাখাত অতি কমেও দুজনকৈ শিক্ষক নিযুক্তি দিয়াৰ ব্যৱস্থা কৰি শিক্ষক ছাত্ৰ উভয় পক্ষৰে শিক্ষা আদান প্ৰদানৰ পথ অধিক সুচল কৰক আৰু লগতে নিবনুৱা সমস্যাৰো কিছু সমাধান কৰক।

নতুন ৰাষ্ট্ৰীয় শিক্ষা-নীতিৰ প্ৰৱৰ্ত্তনৰ আগে আগে অসমত স্থাপন কৰা বিদ্যালয় সমূহক প্ৰাদেশিকীকৰণ পৰ্য্যায়লৈ উন্নীত কৰাৰ বাবে চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰাটো ৰাইজে বিচাৰে। তাৰোপৰি গুৱাহাটী আৰু অন্যান্য নগৰৰ ক্ষেত্ৰত বিভাগীয় ৰীতি-নীতি কেতবোৰ দেশাত্মবোধৰ বিবেচনাৰে চাই শিথিল কৰি বিদ্যালয় সমূহক প্ৰাদেশিকীকৰণ পৰ্য্যায়লৈ তোলাৰ ব্যৱস্থা কৰা বাঞ্চনীয়। কাৰণ চাকৰিৰ কোনো নিৰাপত্তা নোহোৱাকৈ, বেতনৰ ব্যৱস্থা নথকাকৈ নগৰাঞ্চলত জীৱিকা চলোৱা শিক্ষক সকলৰ ক্ষেত্ৰত তেনেই সম্ভৱ নহয়। বিদ্যালয় একোখনক প্ৰাদেশিকীকৰণ পৰ্য্যায় পোৱাওতে কৰা হেমাহি অমূলক— শিক্ষক সকল আৰু দেশৰ একাংশ ৰাইজৰ ওপৰত এয়া এক শীতল শোষণ ব্যৱস্থা। ৰাইজে ইয়াৰ উচ্ছেদ অতি সোনকালে হোৱা বিচাৰে?

এসময়ত থকাৰ দৰে বৰ্ত্তমানো যিবিলাক বিদ্যালয় ভেন্সাৰ বা সাহায্যপ্ৰাপ্ত হৈ আছে সেইবোৰক চৰকাৰী বা প্ৰাদেশিকীকৰণ কৰোতে বিদ্যালয় স্থাপন হোৱা সময়ৰে পৰা শিক্ষকক বেতন দিয়াৰ ব্যৱস্থা পুনৰ বলবৎ কৰিব লাগে। এই ব্যৱস্থাৰ বিলুপ্তিয়ে শিক্ষক সকলৰ ক্ষেত্ৰত যথেষ্ট ক্ষতি সাধন কৰা বুলি ৰাইজে বিবেচনা কৰে।

OKDISCD

প্ৰশ্ন—এসময়ত আন্দোলন দমন কৰাত উঠিপৰি লগা পুলিচ বিষয়া প্ৰিয় গোস্বামী, বৰদা শৰ্মা আদিৰ বিৰুদ্ধে অ: গঃ পঃ চৰকাৰে কোনো কাৰ্য্যকৰী ব্যৱস্থা নোলোৱাত সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰতিক্ৰিয়া কেনেধৰণৰ ?

উত্তৰঃ ছাত্ৰ সন্থাৰ ফালৰ পৰা যোৱা অসম আন্দোলনৰ সময়ছোৱাত অতি অন্যায়ভাৱে অত্যাচাৰ কৰা পুলিচ বিষয়া-কৰ্মচাৰী সকলৰ ওপৰত উপযুক্তভাৱে তদন্ত কৰি দোষী বিষয়াসকলক শাস্তি বিহাৰ দাবী জনাই থকা হৈছে। এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে সোনকালে ব্যৱস্থা গ্ৰহণ কৰিব বুলি আমি আশা ৰাখিছোঁ।

প্ৰশ্ন—পৰীক্ষিত বৰ্মণৰ দৰে এজন "সদৌ অসম ছাত্ৰ সন্থা"ৰ কৰ্মঠ সদস্যক হত্যা কৰি অসমৰ পুলিচ বিভাগে আকৌ সেই হিতেশ্বৰৰ দিনৰ পুলিচী ৰাজকেই প্ৰদৰ্শন কৰি নিদিলেনে ?

উত্তৰঃ—এচাম পুলিচ বিষয়া এতিয়াও কংগ্ৰেছী আমোলৰ সুৰতে উতলা হৈ আছে। পৰীক্ষিত বৰ্মণৰ অমানুষিক হত্যাকাণ্ডই এইকথাকে পুনৰ সাব্যস্ত কৰিলে। এইসকল বিষয়াৰ আইন বিৰোধী অত্যাচাৰী কাৰ্য্যকলাপৰ সদৌ অসম ছাত্ৰ সন্থাই সদায় প্ৰতিবাদ কৰি আহিছে।

প্ৰশ্ন—আগৰ "সদৌ অসম ছাত্ৰ সন্থা"ৰ কাৰ্য্যকৰী কমিটিৰ তুলনাত এতিয়াৰ কমিটিয়ে গাৱেঁ ভূঞেঁ সভা সমিতি নপতাৰ ফলত জনসাধাৰণৰ মনত সন্থাৰ প্ৰতি থকা বিশ্বাস আৰু প্ৰীতি যেন কমি গৈছে। ছাত্ৰ সন্থাৰ লগত জনসাধাৰণক আকৌ নিবিড় ভাবে পাবলৈ কেনে ধৰণৰ ব্যৱস্থা ললে ভাল হব বা লম বুলি ভাবিছে অলপ বহলাই কওকচোন ?

উত্তৰ—আন্দোলনৰ সময়ছোৱাত গাঁৱে ভূঞেঁ ব্যাপকহাৰত সভা-সমিতি অনুষ্ঠিত কৰা হৈছিল। এতিয়াও অসমৰ বিভিন্ন ঠাইত ৰাজহুৱা সভা-সমিতি অনুষ্ঠিত কৰি থকা হৈছে। আপুনি ভবাৰ দৰে অসমৰ জনসাধাৰণৰ মনত সন্থাৰ প্ৰতি থকা বিশ্বাস আৰু প্ৰীতি নোহোৱা হৈ যোৱা নাই। সভা-সমিতি অনুষ্ঠিত কৰাৰ বাহিৰেও সামাজিক, সাংস্কৃতিক আৰু অৰ্থনৈতিক দিশত সন্থাই বিভিন্ন ধৰণে কাম কৰি আছে। এই ক্ষেত্ৰত জনসাধাৰণৰ পৰা যথেষ্ট সহায় সহযোগীতা পোৱা গৈছে।

প্ৰশ্নঃ—অসমত আল্‌ফাৰ আবিৰ্ভাৱ সম্বন্ধে আপোনাৰ মতামত কি? এই নতুন দলটোৱে "সদৌ অসম ছাত্ৰ সন্থা"ৰ সাংগঠনিক দিশটো দুৰ্ব্বল কৰাৰ সম্ভাৱনা আছে নেকি ?

উত্তৰঃ—"আল্‌ফা"ৰ লগত ছাত্ৰ সন্থাৰ কোনো সম্পৰ্ক নাই। অসমত বহু সংগঠনৰ জন্ম হৈছে ; কিন্তু সেই বুলি ছাত্ৰ সন্থাৰ সাংগঠনিক দিশটো দুৰ্বল হৈ যোৱা নাই।

প্ৰশ্নঃ—আমাৰ লগত সহযোগ কৰাৰ বাবে "মাহেকীয়া ব্ৰহ্মপুত্ৰ"ৰ ফালৰ পৰা অভিনন্দন তথা শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

উত্তৰঃ—ধন্যবাদ। আমাৰ ফালৰ পৰাও আপোনালোকলৈ আমাৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলোঁ লগতে মাহেকীয়া ব্ৰহ্মপুত্ৰৰ উত্তৰোত্তৰ উন্নতি কামনা কৰিলো।

(শশধৰ কাকতি)
স্বাক্ষৰ
সাধাৰণ সম্পাদক
সদৌ অসম ছাত্ৰ সন্থা

নতুন দিল্লী
২৫/১১/৮৬

## প্ৰবন্ধ

যতীন বৰগোহাঁই

# সাংবিধানিক ৰোগ

শ্ৰীনিবাৰণ বৰাদেৱৰ মতে 'অসম চুক্তি' সাংবিধানিক নহয়। আন দুই একেও কয় একে সুৰতে। এইটো এটা তথাকথিত সাংবিধানিক ৰোগ। কাৰণ, আমাৰ সংবিধানখনত ক'ত স্বকীয়া জাতি বা জাতি-সত্বাৰ বাবে ধৰা-বন্ধা কিছুমান বিধি লিপিবদ্ধ আছে সেইটো এইসকল লোকে হয়তো জানে; কিন্তু তাকে কাৰ্য্যকৰী কৰিবৰ বাবে এখেত-সকলে সময়মতে ৰাজনৈতিক ব্যৱস্থা ল'ব নোৱাৰিলে। সময়মতে কাৰ্য্যকৰী কৰিব নোৱাৰিলে যিকোনো ধৰণৰ ৰাজনৈতিক জ্ঞান আৰু দক্ষতাই সময়ত অৰ্থহীন হৈ পৰেগৈ।

দ্বিতীয়টো সাংবিধানিক ৰোগ ৰাজ্য চৰকাৰ গঠন কৰোতাসকলৰ। তেওঁলোকে ধৰি লৈছে যে ৰাজ্য চৰকাৰৰ দায়িত্ব ল'ব পাৰিলে একো নোহোৱা অৱস্থাতো অসমৰ মানুহক "কিবা এটা" দিব পৰা যাব। এওঁলোকৰ মতে চুক্তিখন সাংবিধানিক আৰু চুক্তিখন কাৰ্যকৰী কৰিবৰ বাবে সংবিধানসন্মত ব্যৱস্থা গ্ৰহণ কৰিব পৰা যাব। অসমৰ পৰা বিদেশী বহিস্কাৰ কৰা, অসমৰ আৰ্থ-সামাজিক, ৰাজনৈতিক আৰু সাংস্কৃতিক স্বাৰ্থৰক্ষা সাংবিধানিক ভাবে কৰিব পৰা যাব বুলি এইসকলে ভাবে।

তৃতীয়টো সাংবিধানিক ৰোগ চুক্তিখন বিৰোধীতা কৰাসকলৰ। এই চুক্তি বিৰোধী দলসমূহৰ মতে চুক্তিখন অসাংবিধানিক। কাৰণ, তেওঁলোকৰ মতে ইয়াৰ জৰিয়তে ভাৰতীয় নাগৰিকৰ অধিকাৰ খৰ্ব কৰা হৈছে। বিচ্ছিন্নতাবাদী সকলক 'লাই' দিয়া হৈছে বুলিও এওঁলোকে ক'ব খোজে। এইসকলৰ মাজত আকৌ অতি বামপন্থীৰপৰা অতি সোঁ পন্থীলৈকে আছে।

এইবিলাক আচলতে সাংবিধানিক ৰোগ। আমাৰ সংবিধানখন ইমান ডাঙৰ যে নানা জনে তাক নানাধৰণে ব্যাখ্যা কৰিব পাৰে আৰু নানা ধৰণে গ্ৰহণ কৰিব পাৰে। কৰি আছেও। প্ৰকৃততে সংবিধানখন বৰ্তমান ভাৰত ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় আধাৰসমূহৰ গুৰুত্বপূৰ্ণ এটা ভাগ। (১) সামৰিক বাহিনী তথা পুলিচ বাহিনী, (২) সংবিধান আৰু আইন ব্যৱস্থা, (৩) আমোলাতন্ত্ৰ আৰু (৪) নিৰ্বাচিত চৰকাৰটো, বিধানসভা (ৰাজ্য) আৰু লোকসভা (কেন্দ্ৰ) ত ইয়াৰ স্থান। এই চাৰিটা মূল আধাৰৰ মাত্ৰ এটাত জোৰ দি সকলোৱে কথা কোৱাৰ কাৰণ হ'ল—আপাতদৃষ্টিত সেইটো (অৰ্থাৎ সংবিধানখন) পৱিত্ৰ আৰু দুৰ্বোধ্য।

আমাৰ ধাৰণা উক্ত চাৰিওটাৰ এটাও বাম গুৰুত্বপূৰ্ণ নহয়। বৰ্তমান ভাৰত ৰাষ্ট্ৰৰ আৰ্থ-সামাজিক সাংস্কৃতিক তথা ৰাজনৈতিক শ্ৰেণীগত চৰিত্ৰ সুৰক্ষিত কৰিবৰ বাবে এই চাৰিওটা আধাৰেই সমানে সক্ৰিয় আৰু গুৰুত্বপূৰ্ণ। সংবিধানখন সংবিধানেই। জীৱিত আৰু সচেতন (শ্ৰেণী সচেতন) মানুহখিনিৰ স্বাৰ্থত ইয়াৰ ৰূপ আৰু কাৰ্য্যকাৰীতা সলনি হ'ব পাৰে, হৈছে আৰু হৈ থাকিব।

আচল কথা অসমৰ মানুহক লাগে কি সেইটোহে। সংবিধানে কি দিব পাৰে সেইটো নহয়। অসমৰ মানুহে যদি কি লাগে নিজেই সঠিক ভাবে নাজানে তেন্তে সংবিধানে বা কেন্দ্ৰীয় চৰকাৰে কি দিব পাৰে? অসমৰ মানুহক প্ৰকৃততে কি লাগে, মোৰ ধাৰণা, বৰ্তমানলৈকে কোনো দল আৰু ব্যক্তিয়েই বুজিব নোৱাৰিলে। চৰকাৰ গঠন কৰা দলেও নোৱাৰিলে। এওঁলোকে ধৰি ললে যে ৰাজ্য চৰকাৰ গঠন কৰিব পাৰিলেই এফালৰপৰা যি খুচি 'প্ৰতিশ্ৰুতিৰ পাহাৰ বান্ধি' সকলো বিলাই যাব পৰা যাব। আমোলাতন্ত্ৰ, পুলিচ-বাহিনী, আইন আদালত আৰু সংবিধানৰ—পাৰস্পৰিক সম্পৰ্কৰ কথা প্ৰকৃত ৰূপত বুজি নোপোৱা বাবে, নতুন চৰকাৰটো পদে পদে বাধাগ্ৰস্তই

OKDISCD

হৈছে সেইটো নহয়, চৰকাৰটোৰ গতিপথেই সলনি হৈ গৈছে যেন লাগে।

বহুতে কয় যে 'নতুন ডেকাহঁতৰ' অভিজ্ঞতা নাই সেইকাৰণে কাম কৰাত অসুবিধা হৈছে। কিন্তু কথাটো ঠিক সেইটো নহয়। অভিজ্ঞতা থকা হলেও একেই ঘটনা হ'লহেতেন। প্ৰশ্নটো অভিজ্ঞতা বা দক্ষতাৰ নহয়, প্ৰশ্নটো সমগ্ৰ ব্যৱস্থাটোৰ লগত জড়িত ৰাজ্য চৰকাৰটোৰ। নিৰ্বাচিত বিধানসভা আৰু মন্ত্ৰীসভাখন তাৰ এটা শক্তি শালী অংগহে। সম্ভৱতঃ এই অৱস্থানটো বুজি নোপাৱাটো অসম চৰকাৰৰ প্ৰথম ভুল আৰু আটাইতকৈ গুৰুত্বপূৰ্ণ ভুল। বাকী ভুলবোৰৰ পাতনিও ইয়াৰ গৰ্ভতে লুকাই আছে।

ওপৰোক্ত ভুলটো কৰা সকলে পাহৰি যায় যে যি সময়ত এটা ৰাজ্য চৰকাৰৰ বৈধ ৰূপ চলি আছে ; ঠিক সেই সময়ত আন এটা 'চৰকাৰ'ৰ সমান্তৰাল ৰূপ (parallel form) চলি আছে। সেইটো চলি আছে ওপৰত উল্লেখ কৰি অহা আধাৰ-কেইটা ব্যৱহাৰ কৰি কেন্দ্ৰীয় চৰকাৰৰ সহযোগিতাত। অসমৰ বৰ্তমান পট-ভূমিত এটা অসমৰ মানুহৰ নিৰ্বাচিত চৰকাৰ আৰু আনটো নিৰ্বাচিত চৰকাৰটোৰ প্ৰতিদ্বন্দ্বী সমান্তৰাল বা 'চোৰাং চৰকাৰ'। এই চোৰাং চৰকাৰটো চোৰাং বজাৰখনৰ দৰে। ই বৈধ চৰকাৰটোক কিমান 'লাই' দিয়ে তাৰ ওপৰতে বৰ্তমান অসম চৰকাৰৰ ভৱিষ্যত ভালেখিনি নিৰ্ভৰ কৰিছে। বিধানসভাৰ ভিতৰত মন্ত্ৰীহিচাপে তথা সদস্য হিচাপে প্ৰফুল্ল মহন্ত বা ভৃগু-ফুকন যিমান শক্তিশালী আছিল' সংবিধান মানি শপত গ্ৰহণ কৰি মন্ত্ৰী হোৱা মহন্ত আৰু ফুকন সিমান শক্তি-শালী নহয়। আনহাতে গণ পৰিষদ দলটো এটা ৰাজনৈতিক সংগঠন হিচাপে এতিয়াও এটা ৰাজনৈতিক আদৰ্শ (Ideology) খামুছি ধৰি আত্মজাহ দিবপৰা, নৈতিক ভাবে আৰু কৰ্ম তৎপৰতা তথা নিষ্ঠাৰ ফালৰপৰা মিল থকা বলিষ্ঠ সংগঠন নহয়। গতিকে কেন্দ্ৰীয় চৰকাৰৰ লাভ নিশ্চিত, — এনে অৱস্থাত অগপ চৰকাৰে কেন্দ্ৰীয় চৰকাৰৰ বাবে একো নতুন বিপদ সৃষ্টি কৰিব নোৱাৰে। কিন্তু (সাময়িক ভাবে) কিছুমান বিপদ দূৰীভূত কৰিব পাৰিব ঃ

(১) সন্ত্ৰাসবাদৰ উপশম ঘটাব পাৰিব বা বাধা দিব পাৰিব। কাৰণ, নিজৰ অস্তিত্ব গজগজীয়া কৰিবৰ কাৰণেই এটা শান্তিপূৰ্ণ অৱস্থা গণ-পৰিষদৰ দৰ্কাৰ। ৰাজীৱ গান্ধীয়ে বুলেটৰে যি কাৰ্য্য সমধান কৰিব নোৱা-ৰে, সেই কাৰ্য্য 'বেলট'ৰ যুদ্ধত জিকি মহন্ত আৰু ফুকনে কৰিব পাৰিব, কৰিব লাগিব। এইটো উত্তৰ-পূৰ্ব ভাৰতৰ পৰিস্থিতিত ৰাজীৱ গান্ধী তথা কেন্দ্ৰীয় চৰকাৰৰ কাম্য।

(২) তদুপৰি, উত্তৰ-পূৰ ভাৰতত বামপন্থী শক্তিৰ গতিৰোধ কৰাৰ সাধ্য বৰ্তমান কং (ই) দলৰ নাই। সেই কাৰ্য্য কৰিব পাৰিব দক্ষিণ ভাৰতত ৰামাবাৱে কৰা দৰে উত্তৰ-পূৰ ভাৰতত অগপ চৰকাৰে। সাময়িক ভাবে হ'লেও এই বামপন্থী প্ৰতিৰোধ কৰাৰ ৰাজনৈতিক সম্ভাৱনা অগপ চৰকাৰৰ মাজত লুকাই আছে। কেন্দ্ৰীয় চৰকাৰৰ ই ও কাম্য।

(৩) তৃতীয়তে বিদেশী বহিস্কৰণৰ মূল দায়িত্ব কেন্দ্ৰীয় চৰকাৰ হ'লে ও, তাৰ ৰাজনৈতিক জ্বালা দিল্লীয়ে ভোগ নকৰে। ভোগ কৰিব মহন্ত-ফুকনে। বৈধই হওক বা অবৈধই হওক এটা চৰকাৰ অসমত — দৰ্কাৰ— যি এই সমস্যা প্ৰত্যক্ষ ভাবে চম্ভালিব লগা হয়। বিদেশী বহিস্কাৰ কৰিব পাৰক বা নোৱাৰক সাময়িক ভাবে চৰকাৰৰ গাদীত বহাৰ পিছত সকলো যন্ত্ৰনা অগপ চৰকাৰৰ কান্ধত। গতিকে ইও কেন্দ্ৰীয় চৰকাৰৰ কাম্য।

গতিকে অগপ চৰকাৰ সদ্যহতে ভাঙিবৰ বাবে 'সমান্তৰাল' চৰকাৰটোৱে কাম নকৰে। কিন্তু হাৱাশাস্তি কৰিবৰ বাবে নানা কাম অহৰহ কৰিছে আৰু কৰিব। বৰ্তমান গণ পৰিষদৰ চৰকাৰটোৱে এই সমান্তৰাল চৰকাৰৰ প্ৰকৃত শক্তি বুজি নোপোৱাটো ডাঙৰ ভুল। যিদিনালৈকে কেন্দ্ৰীয় চৰকাৰৰ মনঃ পুত কাম যেনে চিপি (এম)ক বিৰোধীতা কৰা' কুৰিদফীয়া আচনি সফল কৰা আদি কৰি থাকে তেতিয়ালৈকে বিপদ কম। ৰাজনৈতিক কথাৰ বাবেই অন্ততঃ বিৰোধীতা তীব্ৰ নহয়।

তৃতীয় ভুলটো হ'ল অসমৰ আন্তৰ্জাতিক অৱস্থান বুজি নোপো-ৱাটো। আন্তৰ্জাতিক মানচিত্ৰত অসমৰ স্থানত ৰঙা চিহ্ন। বৃহৎ শক্তিসমূহৰ শেনচকু স্থিৰ। শেনৰ 'নখ' আৰু হাতোৰা দিল্লী—দিছপুৰ অক্ষ ৰেখাতে কেৱল ঘূৰি থকা নাই। আমেৰিকা, সংখ্যালঘূ মৰ্চা, অস্ত্ৰলোৱা আৰু অস্ত্ৰ

OKDISCD

নোলোৱা নানা ৰঙী জাত, গোষ্ঠী আৰু ধৰ্মীয় বাহিনী সকলোৰে ওপৰত সি 'চিল—মোহৰ' লৈ ঘূৰি ফুৰিছে। কাক কেতিয়া বগৰাই ঠিক নাই। কিদৰে বগৰাই তাৰো ঠিক নাই। এইটো সকলোৰে জনা কথা যে পুৰা বিদেশী (Foreign) বহুজাতিক নিগম (Multi National Corporation) আৰু বিদেশস্থ ভাৰতীয় (Non-Resident Indian) ৰ বহু জাতিক নিগম উভয়ৰে চকু অসমত। কাৰোবাক লাগে শোধনাগাৰ, কাৰোবাক লাগে সাৰ কাৰখানা, কাৰোবাক লাগে চাহ কোম্পানীবোৰ। ইতিমধ্যে এই ক্ষেত্ৰত সুবিধা বুজি নথ বহুৱাইছেই। সন্দেহাতীত ভাবে এইবোৰ শক্তিয়ে অসমৰ ৰাজনীতিত চকু দিছে। এই সম্পৰ্কে বৰ্তমান অসম চৰকাৰ (অচেতন বুলি নকওঁ)-যিমান সচেতন হোৱা প্ৰয়োজন আছিল সিমান সচেতন নহয় যেন লাগে। গতিকে উক্ত চক্ৰটো অসম চৰকাৰৰ বিৰুদ্ধে প্ৰত্যক্ষ যুজত এতিয়াও নমা নাই।

এইবোৰ গুৰুত্বপূৰ্ণ ৰাজনৈতিক প্ৰকৃতিৰ ভুল। নিজে কিয় ভৰি দিলে, ক'ত দিলে আৰু চাৰিওপিনৰ জালখন কিমান ভয়াবহ—তাক নজনাকৈ যি ভয়ংকৰ অগ্নি-কুণ্ডত ভৰি দিলে তাৰ ভৰি দগ্ধ হ'বই। তাৰ নিস্তাৰ নাই। কিন্তু লগতে যাতে অসমখনো পুৰি শেষ হৈ নাযায় তাৰ ব্যৱস্থা কৰা প্ৰয়োজন, তাৰ ব্যৱস্থা কৰিব কোনে? বৰ্তমান এইটো প্ৰশ্ন গুৰুত্বপূৰ্ণ হৈ পৰিছে। অসম চৰকাৰে নিজেও কিছু চিন্তা কৰা প্ৰয়োজন। নিজৰ হাতত বিত্তীয় সম্পদ নাই; আমোলাতন্ত্ৰৰ একাংশ নাই, আইন নাই—আদালতৰ একাংশ কাৰ কোনেও ক'ব নোৱাৰে আচলতে একো নাই। আছে মাত্ৰ গণ-সমৰ্থন। সিয়েই পুঁজি (capital)। তাকে ব্যৱহাৰ কৰি আগবাঢ়িব খুজিলে, — লাগিব এটা প্ৰকৃত 'গণ-পৰিষদ' (peoples Council)—যি গাওঁভিত্তিক হ'ব আৰু মাটি খামুছি জীয়াই থাকিবৰ বাবে যুঁজ দিব। তাকে গঢ়ি ল'ব নোৱাৰিলে, যি কোনো পলকতে' ৰাজনৈতিক ক্ষমতা "চোতালৰ ডুবৰি বনতে" হেৰাই থাকিব পাৰে। আন এটা দিশ হ'ল দ্ৰুত উত্তৰণ (Take off) ৰ সুবিধা জাতীয় অৰ্থনীতি, সমাজ আৰু সংস্কৃতিক অসম চৰকাৰে চেষ্টা কৰিলে দিব পাৰে। অসমৰ মানুহে যি শোষণমুক্ত জাতীয়, সুৰক্ষা আৰু উন্নত ব্যৱস্থা বিচাৰিছিল—তাৰ এটা উপযুক্ত নহলেও গ্ৰহনযোগ্য-ৰূপদান কৰিব পৰা সুবিধা চৰকাৰে চেষ্টা কৰিলে সৃষ্টি কৰিব পাৰে। সংকীৰ্ণ (Sectarian), আদৰ্শহীন আৰু নৈতিকতাহীন, অগণতান্ত্ৰিক শক্তিয়ে অসমৰ বৰ্তমান পটভূমিত 'দ্ৰুত-উত্তৰণ'ৰ বাবে অৰ্থনৈতিক, সামাজিক আৰু সাংস্কৃতিক আঁচনি গ্ৰহণ কৰিব নোৱাৰে। নিজৰ উত্তৰণৰ বাবেহে পাবিৰ। নিজৰ 'দ্ৰুত-উত্তৰণ' সাধন কৰি আগৰ চৰকাৰ কেইটাই ৰাজ্যখনৰ 'চেফটি টেংক' ফুটাই থৈ গ'ল। এতিয়া কেৱল আছে ময়লা আৰু আবৰ্জনা। চৰকাৰে তাক জাৰি-জোকাৰি আদায় কৰিবলৈ হ'লে আৰু অন্ততঃ ১৫ লাখ "অম্বিকাগিৰি—মহেন্দ্ৰনাথ—বিষ্ণুৰাভা' ৰ সচাঁ সংমিশ্ৰন লাগিব। যিটো আশা কৰা বৃথা। বৃথা যে নহয় তাক চৰকাৰে কামেৰে প্ৰমাণ কৰক। এইটো আমাৰ প্ৰত্যাহ্বান।

যোৱা নিৰ্বাচনত সক্ৰিয় অংশ গ্ৰহন কৰিবলৈ আমি সিদ্ধান্ত লওঁতে এক সামান্য ক্ষণো প্ৰয়োজন হোৱা নাছিল। আমি জানিছিলোঁ যে গণ পৰিষদ যদি হাৰে তেন্তে— আন্দোলন কৰা মানুহখিনি ঘৰত বিচাৰি বিচাৰি টঙনিয়াই মাৰিব। গতিকে চুক্তিৰপৰা কি হ'ব নহ'ব আমি চিন্তা কৰাৰ সুযোগ নাছিল আৰু সেই সময়ত তাৰ পৰা লাভো নহ'লহেতেন। প্ৰাৰ্থী নিৰ্বাচনত সাংঘাতিক ভুলো হৈছিল।—তথাপি আমি দিনক ৰাতি ৰাতিক দিন কৰি খাটি গণ পৰিষদক জিকাইছিলো। ৰাইজে কং(ই) চৰকাৰৰ বিকল্প বিচাৰিছিল আৰু পালে। তাৰ মৰ্য্যদা ৰক্ষা যদি অসম চৰকাৰে নিজেই কৰিব নোৱাৰে তেন্তে অকল যে চৰকাৰ ডুবিব সেইটো নহয়, ৰাইজো নিগমে মৰিব। কাৰণ বৰ্তমান বিকল্প একো নাই। এনেয়ে গালাগালি পৰা ব্যৱস্থাত মই বিশ্বাসী নহয়। প্ৰতিটো কামৰে খুটি—নাটি মূল্যায়ন কৰাৰ সময় এতিয়াও হোৱা নাই। সময় আছে। বিকল্প এটা নথকা অৱস্থাত কোলাৰটো এৰি বোকাৰটো ধৰিবলৈ যোৱা মনোবৃত্তি বাদ দিলে সদ্যহতে সকলোৰে মংগল।

## ভিন্নমত

ডা° নেছাৰ আহমেদ

# মোৰ দৃষ্টিত অঃগঃপঃ চৰকাৰ

অসম গণ পৰিষদৰ চৰকাৰৰ কাৰ্যৰ বিফলতা সফলতাৰ আলোচনাৰ মূলতে অসম চুক্তি ৰূপায়ণৰ কথাটো। কাৰণ অসম চুক্তিয়েই হ'ল গণ পৰিষদৰ জন্মৰ মূল উৎস আৰু চৰকাৰ গঠনৰ মূল কথা। অসম চুক্তিখননো কি—এইবিষয়ে নতুনকৈ আলচ কৰাৰ প্ৰয়োজন নাই, কাৰণ যোৱা এবছৰে এইবিষয়ে ৰাইজে সকলোকথা গম পাইছেই। অসম চুক্তিৰ মূলকথা আৰু অসম আন্দোলনৰ মূল লক্ষ্য বা দাবীবোৰৰ বা শ্লোগানবোৰৰ মাজত সাংঘাটিক অমিল তথা আকাশ পাতাল পাৰ্থক্য আছে। কিন্তু তথাপিতো ১৯৮৫ চনত ৰবঢোল কোবাই জনোৱা হল যে অসম আন্দোলনৰ সকলো দাবী পূৰণ হ'ল অসম চুক্তিৰ যোগেদি। জনসাধাৰণৰ সৰহাংশই ৰাজনীতিৰ কুটিল কপট কথা-কাণ্ডবোৰৰ তাৎপৰ্য বুজি নেপায়। মাথো লাখৰ মাজত এজন বুধিয়ক বা চিন্তাশীলে হয়তো ধৰিব পাৰে। তাৰদ্বাৰা বিশেষ লাভ নহয়। ফলত বৃহৎ অংশটোক ৰাজনীতিৰ ধুৰন্ধৰ নেতাসকলে নিজা স্বাৰ্থপৰ ক্ষমতা আহৰণৰ প্ৰক্ৰিয়াত সহায় হব পৰাকৈ সিহঁতে উপলব্ধি কৰিবলৈ নৌ পাওঁতেই সত্য বুলি অসত্য, ন্যায় বুলি অন্যায় বাটেৰে পথভ্ৰষ্ট কৰায়।

অসম চুক্তিয়ে অসম আন্দোলনৰ মূল বা, ঘাইদাবী তথা কথিত বিদেশী বিতাৰণৰ সমস্যাটোক ভাৰতীয় সংবিধানৰ আলমতে আৰু আন্তঃৰাষ্ট্ৰীয় মানৱতা আৰু বিভিন্ন ৰাষ্ট্ৰীয় স্বাৰ্থৰ অনুকুলে যোৱাটো সমাধান কৰিলে। যিটো ১৯৭৯ চনৰ পৰা ১৯৮৪ চনলৈ—অসম আন্দোলনকাৰীয়ে মানিলোৱা নাছিল। কিন্তু ১৯৭৭ আৰু ১৯৭৮ চনত মই বাৰম্বাৰ উক্ত সংবিধানিক, আন্তৰাষ্ট্ৰীয় সম্পৰ্ক, মানৱতাবাদ, আৰু অন্যান্য ৰাষ্ট্ৰীয় স্বাৰ্থৰ পৰিপ্ৰেক্ষিতত — তেতিয়াই কিছুমান নেতাই—আৰু অসম জাতীয়তাবাদী দলৰো কেতবোৰ সদস্যই তোলা প্ৰশ্নৰ উত্তৰত সভাথলিত আৰু ব্যক্তিগত ভাৱেও দাবী পূৰণ অসম্ভৱ অবাস্তৱ বুলি কৈছিলো। ১৯৭৯ চনৰো আগভাগত আৰু পাচতো বিভিন্ন মাধ্যমেৰে এইকথা ব্যক্ত কৰা হৈছিল। কিন্তু কোনেও উক্ত কথা নুশুনিলে। কিন্তু এতিয়া গণ পৰিষদৰ চৰকাৰে বিদেশী বিতাড়ণ কৰিব পাৰিবনে? কাৰণ অসম চুক্তিয়েই তাত হিমালয় সদৃশ বাধা হৈ থিয় দিছে। তদুপৰি যোৱা কেইদিনত দিল্লীৰ লোকসভাত "বিদেশী নিয়ন্ত্ৰণ" বা বিদেশী নাগৰিক আইনৰ সংশোধনী এটা গৃহীত হৈ সাংবিধানিক আইনত পৰিণত হৈ গ'ল। এই সংশোধনীক আমাৰ কাগজবোৰে ভালদৰে প্ৰকাশ কৰা নাই আৰু সঠিকভাৱে আলোচনাও কৰা নাই। কাৰণ এই সংশোধনীয়েও অসম চুক্তিৰ বিদেশী বিতাড়ণ দাবীৰ ওপৰত আৰু এটা মাধমাৰ সোধালে। এনে অৱস্থাত অসম চুক্তিমতে অসম গণ পৰিষদৰ চৰকাৰে তথাকথিত বিদেশী সকলক খেদিব পাৰিবনে? সেইটো কথাৰ সমিধান বৰ সহজ। একেখন ভাৰতবৰ্ষৰ অসমৰ বাবে কিবা বেলেগ বিদেশীৰ আইন বা সংজ্ঞা হব নোৱাৰে। গতিকেই নৱতম সাংবিধানিক সংশোধনীও অসমৰ ক্ষেত্ৰত নিশ্চয় প্ৰযোজ্য হব। আঞ্চলিক দলহিচাপে অগপৰ চৰকাৰে—অসমৰ সৰ্বপ্ৰথম শাসনাধিস্থিত আঞ্চলিক দলৰ চৰকাৰ হিচাপে অসম আৰু অসমীয়া জাতিৰ বাবে যোৱা এবছৰ কালত যিমান কৰিব লাগিছিল—সি উল্লেখনীয় নহয়। অসম তথা অসমীয়া প্ৰধান জাতীয়ত্বৰ ভেটি প্ৰতিষ্ঠিত হৈছে সংহতি সমন্বয়ৰ ওপৰত। চাবলৈ গ'লে প্ৰত্যেক জাতি গোষ্ঠীয়েই অসমত কোনো নহয় কোনোবা যুগত বিদেশৰ পৰা আহি ইয়াত খোপনি পুতে। কিন্তু অসম গণ পৰিষদৰ চৰকাৰৰ ক্ষমতা দখলৰ পাচত অসম তথা অসমীয়া জাতিৰ চিৰপ্ৰবাহমান জাতি গঠনৰ

OKDISCD

সমন্বয় সংহতি স্নেহৰ শক্তিৰ বান্দোনত যেন বৰ ডাঙৰ আউল লাগিছে। এইটো আমি বিচৰা নাছিলো। আমি বিচাৰিছিলো আঞ্চলিক দলৰ চৰকাৰ এটাই অসমৰ প্ৰতিটো গোষ্ঠী সম্প্ৰদায়ক নিজৰ বুলি মৰম কৰি অসমীয়াৰ বৃহৎ জাতীয়ত্বৰ শক্তি একতা স্নেহ সম্প্ৰীতিৰ যোগেদি দুৰ্ভেদ্য অক্ষয় কৰি গঢ়ি তুলিব, কিন্তু সি আৰু হৈ নুঠিল।

ভাষা-সংস্কৃতি, অৰ্থনীতি, বানপানী ৰোধ, নগৰ উন্নয়ন, ৰাজধানীৰ উন্নয়ন, স্বাৱলম্বন, অসমীয়াক বেহা-বেপাৰমুখী কৰা আঁচনি আদি একোকে হৈ নুঠিল। এবছৰতে ফল নহলেও কলি হব লাগিছিল বা সম্ভাৱনা দেখা যাব লাগিছিল। কিন্তু সেয়া একেবাৰে নাইকিয়া। গতিকেই অসফলতাৰ ওপৰত এটা চৰকাৰ কিমানদিন টিকিব?

অসম গণ পৰিষদ চৰকাৰে বয়সস্থ পুৰণা জাতীয়তাবাদী নেতাসকলৰ যোগ্যসকলক লৈ এখনি উপদেষ্টা পৰিষদ গঠন কৰি তাৰ প্ৰভাৱাধীন হলেও কথা নাছিল, কিন্তু তাকে নকৰি নিজে নিজেই কম বয়স্ক আৰু কম অভিজ্ঞ সকলে নিজেই সৰবজানৰ দৰে কাম কৰাৰ বিপদ বহুত আছে।

আঞ্চলিক দলৰ শাসন অসমত চলিব পাৰে আৰু প্ৰতিষ্ঠিত হব পাৰে—তাকে যোৱা নিৰ্বাচনে প্ৰমাণিত কৰিলে। এই বিষয়ত মই বাহ পুৰণা নেতাৰ পৰা ককৰ্থনা আৰু সমালোচনা খাব লগা হৈছিল। কাৰণ মই কৈছিলো—অসমীয়াৰ নিজা আঞ্চলিক চৰকাৰ প্ৰতিষ্ঠা হব পাৰে আৰু সেইবাবেই অসম জাতীয়তাবাদী দলৰ জন্ম দিয়া হৈছিল। মোক সেইবাবেই বিৰুদ্ধবাদী সকলে 'পগলা' আখ্যা দিছিল। কিন্তু কি হ'ল? কোন-টো সঁচা হ'ল? সেয়া আজি সকলোৱে নিশ্চয় জানে।

আঞ্চলিক দলৰ শাসন অসমত চলি থকাটোকেই মই কামনা কৰো কাৰণ কিঞ্চিৎ হলেও আঞ্চলিক দলেইহে অসমীয়াৰ জাতীয়তাবাদক শক্তিশালী কৰিব পাৰিব। কিন্তু ৰাইজবিমুখ, অকৃতজ্ঞ, কম জ্ঞানৰ, কম বয়সৰ, অপৰিপক্ক কিন্তু সৰবজানবাদী নেতৃত্বৰ পৰিৱৰ্তন নহলে আঞ্চলিক দলে ৰ্বৰ্তমানৰ দৰে বিসংহতিমূলক কাৰ্যকলাপ, স্বাৰ্থপৰতাবাদ, পুৰণা জাতীয়তাবাদী নেতাসকলৰ প্ৰতি অকৃতজ্ঞতাৰ আচৰণ, আৰু মিছা অবাস্তৱ বিদেশী বিতাড়ণৰ শ্লোগান দি সৰহদিনলৈ ক্ষমতাধিষ্ঠিত হৈ থাকিব নোৱাৰিব। সি ধ্ৰুৰূপ! গতিকে সময় থাকোতেই অঃ গঃ পঃ চৰকাৰ সষ্টম হওক।

দীনেন গোস্বামী

# অসমীয়া নাটক আৰু সমস্যা

প্ৰচলিত প্ৰবাদ মতে ভাৰতবৰ্ষতেই প্ৰথমতে নাট্যমঞ্চ আৰু নাটকৰ সৃষ্টি হয়। দেৱতা সকলে দৰ্শন শ্ৰৱনৰ অৰ্থে বস্তুএটাৰ বাবে ব্ৰহ্মাক প্ৰাৰ্থনা কৰাত ব্ৰহ্মাৰ দ্বাৰাই এই পঞ্চম বেদৰ সৃষ্টি। সামবেদৰ পৰা সঙ্গীত, আবৃত্তিৰ যোগ্য বস্তু ঋগ্বেদৰ পৰা আৰু যজুৰ্বেদৰ পৰা ৰসভাৱ লৈ ব্ৰহ্মাই সৃষ্টি কৰিলে নাটকৰ। বিশ্বকৰ্মাই ৰঙ্গমঞ্চ নিৰ্মান কৰিলে আৰু এই নতুনকৈ সৃষ্টি হোৱা কলাৰ ভাৰ দিলে ভৰতক। ভৰতে এই পঞ্চম বেদ দেৱতাৰ আদেশত পৃথিৱীলৈ আনিলে।

সময় বাগৰি গ'ল। বিভিন্ন সময়ত ভাৰতীয় নাটকে সময়ৰ লগত খোজ মিলাই আগুৱাই আহি থাকিল। বৰ্ত্তমান যুগ আধুনিক যুগ—বিপ্লৱৰ যুগ। ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সকলো দিশতে বৰ্ত্তমান বিদ্ৰোহৰ সূচনা হৈছে। পৰিৱেশ আৰু সময়ৰ লগত ৰজিতা খুৱাই মানুহৰ চিন্তাধাৰা, বিধি ব্যৱস্থা সকলোৱে সলনি হব ধৰিছে। বৰ্ত্তমান সময়ৰ সাহিত্য ৰাজনৈতিক, সামাজিক আৰু অৰ্থনৈতিক ভেটিৰ ওপৰত প্ৰতিষ্ঠিত। সমগ্ৰ দেশখনক, বা এটা জাতিক যেতিয়া নানাবিধ সমস্যাই আগুৰি ধৰে, সমাজৰ প্ৰতিজন মানুহে যেতিয়া অন্যায় অত্যাচাৰত হাহাকাৰ কৰি উঠে তেনে সময়ত যি কোনো সাহিত্যিকেই (কৱি, নাট্যকাৰ, সাহিত্যিক) কল্পনাৰ নন্দন কাননত বিচৰণ কৰি সাহিত্যৰ সৃষ্টিত মগ্ন থকাটো সমিচীন নহয়। সেয়েহে জ্যোতি প্ৰসাদে কৈছিল "শিল্পী. সাহিত্যিক, কবি দাৰ্শনিক হৈ দেশক সাংস্কৃতিক ভ্ৰষ্টতাৰ পৰা উদ্ধাৰ কৰিবলৈ যি নিজৰ কৰ্ত্তব্য অৱহেলা কৰিব, নিজৰ ৰাইজৰ প্ৰতি কৰ্ত্তব্য উপলব্ধি নকৰি মাথোন পলাতকৰ মনোবৃত্তিৰে সমাজৰ, দেশৰ বেমেজালিৰ পৰা আঁতৰি সপোনৰ মায়াজালৰ বুলনি চৰাতেই থাকিব খুজিব সেই সকল নিশ্চয় আজি বিপদৰ সময়ত দেশৰ প্ৰতি কৰ্ত্তব্য পালন কৰাৰ দোষত পৰিব লাগিব।"

সাহিত্য জাতিৰ দাপোন স্বৰূপ। নাটকক দৃশ্যকাব্য বুলি কোৱা হয়। এখন নাটক পঢ়ি বা এখন নাটক মঞ্চস্থ কৰি তাত যদি জাতীয় জীৱনৰ প্ৰতিচ্ছবি দেখা পোৱা নাযায় তেনেহলে সেইখন কেনেকুৱা নাটক সেইটো চিন্তাৰ বিষয়। সাহিত্য আৰু মানৱ জীৱনৰ সম্বন্ধ এৰাব নোৱাৰা। মানৱ জীৱনৰ হাঁহিকান্দোন, ইয়াৰ লগত জড়িত বিভিন্ন সমস্যা, ভাৱৰ অভিব্যক্তি, দৰাচলতে গোটেইবোৰ জীৱন্ত প্ৰতিফলন সাহিত্যৰ লক্ষ্য হোৱা উচিত—নাটকবো, যিহেতু ইয়ো সাহিত্য। আকৌ এটা মন কৰিব লগীয়া বস্তু হ'ল "শিল্প, কলাৰ অৱদানৰ ক্ষেত্ৰত দেশকাল, জাতি-অজাতিৰ ভেদ নাই যদিও সকলো কলা সংস্কৃতিয়ে এটা বিশেষ ভৌগলিক পৰিবেশক কেন্দ্ৰ কৰি বিশেষ জনগোষ্ঠীৰ ধ্যান-ধাৰণাৰ ভিত্তিত গঢ়ি উঠে। কোনো কলাসংস্কৃতিয়েই জন্মস্থানৰ ঐতিহ্যক অতিক্ৰম কৰি বিশ্বজনীন ৰূপ ল'ব নোৱাৰে। জ্যোতি প্ৰসাদে সেই বিষয়ে বৰ সচেতন মনোভাৱেৰে কৈছে—আমাৰ সংস্কৃতিৰ প্ৰগতি আমাৰ অসমীয়াৰ, ভাৰতীয় ঐতিহ্যৰ সত্যৰ ওপৰতে প্ৰতিস্থিত হবই লাগিব। আজি আমি বিশ্ব প্ৰগতিৰ জোনালী বাটত লগপোৱা গনতন্ত্ৰই হওক, সমাজতন্ত্ৰই হওক, সাম্যতন্ত্ৰই হওক, যিহকেই আমি অভাৰতীয় মনীষা প্ৰতিভাৰ মনৰ পৰা আনিব খোজো—তাকেই আনি কিন্তু আমাৰ দেশত প্ৰতিস্থা কৰিব লাগিব, আমাৰ ঐতিহ্যৰ সেই তন্ত্ৰ বিষয়ক সত্যৰ ওপৰতহে। আমাৰ ঐতিহ্যৰ ভিতৰত যি তন্ত্ৰৰ সমৰ্থন নাই তেনে তন্ত্ৰই আমাৰ অপকাৰহে কৰিব। ভাৰতীয় জীৱনে সেই তন্ত্ৰৰ মাজেদি তাৰ স্বাভাৱিক বিকাশ নাপাব।" (জ্যোতি প্ৰসাদ

OKDISCD

ৰচনাৱলী '০৫ পৃষ্ঠা।)
নাট্য সমালোচক নিকলৰ মতে "নাটক হ'ল চৰিত্ৰ বিলাকে মানৱজীৱন সম্পৰ্কে প্ৰকাশ কৰা এবিধ কলা যি কলাত প্ৰকাশ পোৱা জীৱনৰ অভিব্যক্তি দেখিবলৈ দৰ্শকে ৰঙ্গমঞ্চত গোট খায়।" ৰঙ্গমঞ্চ আৰু দৰ্শক নাটকৰ অপৰিহাৰ্য্য অঙ্গ।

গতিকে দেখা গ'ল যে নাট্যকাৰ, নাটক, নাট্যশিল্পী, ৰঙ্গমঞ্চ, দৰ্শক প্ৰত্যেকৰে প্ৰত্যেকৰ লগত নেৰানেপেৰা সম্বন্ধ এটা আছে। আৰু দেখা গ'ল যে নাটকৰ আৰু নাটকৰ লগত জড়িত প্ৰধানকৈ নাট্যকাৰ, নাটক, নাট্যশিল্পী আৰু নাট্যগোষ্ঠী যাৰ পৃষ্ঠপোষকতাত নাটক মঞ্চস্থ হয় প্ৰত্যেকৰে এটা সামাজিক দায়িত্ব আছে। অসমৰ ক্ষেত্ৰত, অসমীয়া মানুহৰ জাতীয় জীৱনৰ ক্ষেত্ৰত এই প্ৰত্যেকটো উপাদানে কিমান পৰিমাণে নিজৰ দায়িত্ব পালন কৰিছে সেইটো বিচাৰ কৰাৰ সময় কিন্তু সকলো অসমীয়া মানুহৰে আহিছে। নাট্যকাৰৰ ক্ষেত্ৰত অসম এতিয়াও বৰ দুখীয়া। যি কেইজন-নাম স্বনামধন্য নাট্যকাৰ অসমত বৰ্ত্তমানে আছে তেওঁলোকৰ কিছুমানে কেতিয়াবা কেতিয়াবা সামাজিক দায়ীবদ্ধতা তেওঁলোকৰ নাটকত ৰক্ষা কৰিব পৰা নাই যেন অনুমান হয়। ৰঙ্গমঞ্চৰ ক্ষেত্ৰত বিশেষকৈ স্থায়ী ৰঙ্গমঞ্চৰ ক্ষেত্ৰত অসম অতি দুখীয়া। অসমত এতিয়া দুই ধৰণৰ ৰঙ্গমঞ্চত দুইধৰণৰ নাট্যগোষ্ঠিয়ে অভিনয় কৰে। এবিধ হ'ল স্থায়ী ৰঙ্গমঞ্চ আৰু আনবিধ অস্থায়ী। অস্থায়ী ৰঙ্গমঞ্চকো আকৌ দুই ধৰণে ভগাব পাৰি। ভ্ৰাম্যমান ব্যৱসায়ীক নাট্যগোষ্ঠীয়ে ব্যৱহাৰ কৰা অস্থায়ী ৰঙ্গমঞ্চ আৰু অবৈতনীক নাট্যগোষ্ঠীয়ে ব্যৱহাৰ কৰা তেনেই অস্থায়ী ৰঙ্গমঞ্চ। নাটকৰ যোগেদিয়ে এটা জাতিৰ কলা-কৃষ্টি, অতীত ঐতিহ্যৰ সম্ভেদ ল'ব পাৰি। যদি ৰঙ্গমঞ্চ অবিহনে নাটক কৰাটো সম্ভৱপৰ নহয় তেনেহলে কেনেকৈ অসমে বা অসমীয়া শিল্পীয়ে তেওঁৰ জাতিৰ কলাকৃষ্টি, অতীত ঐতিহ্যৰ সম্ভেদ দিব? স্থায়ী মঞ্চ নিৰ্মাণ কৰি অসমৰ নাটকক আগুৱাই অনাটো বৰ্ত্তমান অসমীয়া ৰাইজৰ, চৰকাৰৰ কৰ্ত্তব্য। পুৰণি স্থায়ী মঞ্চৰ ক্ষেত্ৰত যিবিলাক এতিয়া জৰাজীৰ্ণ অৱস্থা প্ৰাপ্ত হৈছে সেইবোৰৰ মেৰামতি নতুন পুৰুষে ল'ব লাগে। এই ক্ষেত্ৰত নটসূৰ্য্যৰ কেইফাকিমান কথা উল্লেখ কৰিলো— "অসমৰ মঞ্চাভিনয়ৰ ভবিষ্যত যদি উজ্জ্বল কৰিব খোজে তেন্তে প্ৰথমে, চকু দিব লাগিব অসমৰ মঞ্চ বিলাকৰ ওপৰত। যি—সকল লোকৰ হাতত ৰঙ্গমঞ্চৰ দায়িত্ব আছে তেওঁলোকৰ বেছিভাগেই আৰ্ট ফাৰ্ট বুজি নাপায়। স্থানীয় ছোৱালীয়ে মঞ্চত অভিনয় কৰিলে তেওঁলোকেই প্ৰথমে নাক কোচায়। তেওঁলোকৰ মানত মঞ্চ ভাৰা দি টকা লোৱাটোহে প্ৰধান কথা। যি উদ্দেশ্যৰে মঞ্চ ৰাইজৰ ধনেৰে নিৰ্মান কৰা হ'ল সি পিচ কথা। এনেধৰণৰ ব্যৱসায়ী মনোবৃত্তিৰ মানুহ কিছুমানৰ হাতত পৰি মঞ্চৰতো সৰ্ব্বনাশ হৈছেই, স্থানীয় শিল্পী সকলেও তেওঁলোকৰ প্ৰতিভা বিকাশৰ থলি নাপাই সন্ধিয়া চিনেমা ঘৰৰ আগত নাইবা ভিতৰত সোমাই থাকিব লগীয়াত পৰিছে। ঘহনি নেখালে চোকা অস্ত্ৰতো মামৰে ধৰাৰ দৰে ভবিষ্যত সম্ভৱনাপূৰ্ণ সেই অভিনেতা বা শিল্পী সকলোৰো প্ৰতিভাত মামৰে ধৰে। লাভৰ ভিতৰত কিছুমান কৰ্মকৰ্ত্তাৰ 'হামবৰা' ভাবৰ কাৰণে এটা জাতিৰ কিছুমান প্ৰতিভাৰ অপচয় হয়। প্ৰথমে এনে মনোবৃত্তিৰ মানুহ সকলৰ হাতৰ পৰা ৰঙ্গমঞ্চ উদ্ধাৰ কৰিব লাগিব। এই বিলাক হ'ল কূপমণ্ডুক।" (ফনী শৰ্ম ৰচনাৱলী—৭২৮ পৃষ্ঠা) নতুন স্থায়ী ৰঙ্গমঞ্চ তৈয়াৰ কৰা ক্ষেত্ৰত নাট্য কলাৰ সম্যক জ্ঞান থকা ব্যক্তিক দায়ীত্ব দিয়া উচিত। অস্থায়ী হলেও ব্যৱসায়ীক নাট্যগোষ্ঠীয়ে ব্যৱহাৰ কৰা মঞ্চ আধুনিক। নাট্যপ্ৰেমী দৰ্শকৰ মন জয় কৰিবলৈ সমৰ্থ হোৱা অসমৰ ভ্ৰাম্যমান নাট্যদল সমূহে কিন্তু প্ৰায়েই পৰীক্ষামূলক, ৰুচী সম্পন্ন নাট্য নিবেদন বৰ্জ্জন কৰে। অতি অস্থায়ী অবৈতনিক নাট্যগোষ্ঠীৰ নাট নিবেদন সুৰুচীসম্পন্ন হোৱা স্বত্তেও প্ৰায়েই মঞ্চ ইত্যাদিৰ অসুবিধা বশতঃ সফলকাম নহয়।

নাট্যশিল্পীৰ ক্ষেত্ৰত চৰিত্ৰৰ জীৱন্ত ৰূপ দিবলৈ যি ধৈৰ্য্য, নিয়মানুৱৰ্ত্তিতা শৰীৰচৰ্চ্চা, অধ্যয়ন ইত্যাদিৰ দৰ্কাৰ তাৰ পৰা যেন বুজন সংখ্যক অভিনেতাই আতৰি ফুৰে এনে দৃষ্টিগোচৰ হয়। অভিনেতাৰ এই দোষবোৰ আতৰ কৰিবলৈ অসমৰ বিভিন্ন স্থানত নাট্য কৰ্মশালা পতাতো বিভাগীয় কৰ্ত্তৃপক্ষৰ এটা দৰ্কাৰী আৰু গুৰুত্বপূৰ্ণ কাম।

কাৰণ আমি বছৰত শ শ নাটক চাব বিচৰা নাই। আমি মাত্ৰ কেইখনমান এনে নাটক চাব বিচাৰো য'ত থাকে আমাৰ মাটিৰ গোন্ধ, য'ত থাকে আমাৰ সমস্যা বহুল জীৱন, সংস্কৃতি, দুস্কৃতি আৰু দুস্কৃতি নাশৰ ইংঙ্গিত। ●

OKDISCD

চহাই কৰে চহ — সিচাই সিচে পানী
পৰিয়ালৰ লোকে দিয়ে সাৰ-গোবৰ আনি
সকলো যে বৃথা — আজিৰ কৃষকৰ কথা
সময়োপযোগী জলসিঞ্চনেহে কৰে
পথাৰ শইচেৰে ভৰা।

## এতিয়াৰ ৰবিশস্যৰ বতৰত ৰাইজৰ সেৱাৰ বাবে অপেক্ষাৰত —

কালদিয়া আৰু ডেকাদং জলসিঞ্চন আচঁনিৰ পৰা সময়োপযোগী জলসিঞ্চনৰ সুযোগ গ্ৰহণ কৰক।

(পাঠশালা জলসিঞ্চন সংমণ্ডলৰ কাৰ্য্যবাহী অভিযন্তাৰ দ্বাৰা প্ৰচাৰিত)

OKDISCD